# প্ৰথম অধ্যায়

## সাহিত্যৰ মনস্তাত্ত্বিক তত্ত্ব ঃ এক তাত্ত্বিক বিচাৰ

## প্ৰথম অধ্যায়

# সাহিত্যৰ মনস্তাত্ত্বিক তত্ত্ব ঃ এক তাত্ত্বিক বিচাৰ

সাহিত্যৰ মনস্তাত্ত্বিক অধ্যয়নত মনস্তত্ত্বৰ সিদ্ধান্তসমূহৰ আধাৰত সাহিত্যিক পাঠ এটাৰ বিশ্লেষণ কৰা হয়। সাহিত্যৰ মনস্তাত্ত্বিক তত্ত্ব এটা স্বাধীন তত্ত্ব নহয়। ই আন্তঃশাখামূলক এক দৃষ্টিভংগী। কিয়নো সাহিত্যৰ মনস্তাত্ত্বিক তত্ত্বত আপাততঃ মনস্তত্ত্বৰ প্ৰমেয়সমূহক সাহিত্যিক পাঠৰ বিশ্লেষণৰ ক্ষেত্ৰত প্ৰয়োগ কৰাৰ এক প্ৰক্ৰিয়াৰ কথাকে নিৰ্দেশ কৰা হয়। মনস্তত্ত্ব বা মনোঃসমীক্ষণৰ লগত জড়িত তত্ত্বসমূহৰ বিষয়ে জ্ঞাত নোহোৱাকৈ সাহিত্যৰ মনস্তাত্ত্বিক তত্ত্ব অনুধাৱন কৰাটো অসম্ভৱ। সেইহেতুকে অধ্যায়ৰ আৰম্ভণিতে মনস্তত্ত্ব কি, প্ৰধান মনস্তত্ত্ববিদসকলে মনস্তত্ত্ব সম্পৰ্কত আগবঢ়োৱা সংজ্ঞা আৰু মনস্তাত্ত্বিক তত্ত্বৰ ইতিহাসৰ এটি চমু অৱলোকন কৰা হ'ব। আমাৰ গৱেষণা গ্ৰন্থখনৰ তাত্ত্বিক ভেঁটি ফ্ৰয়েড, ইয়ুং আৰু লাঁকাৰ মনস্তাত্ত্বিক মতামতৰ আধাৰত ভিত্তি কৰি আগবঢ়োৱা হৈছে। সেয়েহে মনস্তত্ত্ব সম্পৰ্কত এই তিনিজন মনস্তত্ত্ববিদৰ ব্যাখ্যাক আলোচনাৰ আওঁতালৈ অনাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে। সেইমৰ্মে সাহিত্যৰ মনস্তাত্ত্বিক তত্ত্ব অধ্যয়ন কৰিবলৈ অগ্ৰসৰ হোৱাৰ পূৰ্বে মনস্তত্ত্ববিদ তিনিগৰাকীৰ তত্ত্বৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰিবলৈ লোৱা হৈছে। এই অধ্যায়ত দাৰ্শনিক তথা মনস্তত্ত্ববিদসকলে বিভিন্ন চিন্তা-চৰ্চা আৰু অধ্যয়নৰ ফলশ্ৰুতিত আগবঢ়োৱা এনেধৰণৰ ধাৰণাক সাৰোগত কৰি সাহিত্যৰ মনস্তাত্ত্বিক অধ্যয়নৰ গুৰুত্ব বিচাৰ কৰিবলৈ প্ৰয়াস কৰা হ'ব।

### ১.০১ মনস্তত্ত্ব ঃ এক পৰিচয় ঃ

মানুহ হ'ল আৱেগ-অনুভূতি, চিন্তা, কল্পনাশক্তিক প্ৰবলভাৱে বহিৰ্প্ৰকাশ ঘটাবলৈ সক্ষম হোৱা এক প্ৰাণী। এই গুণৰ বাবেই অন্যান্য জীৱতকৈ মানুহক শ্ৰেষ্ঠ হিচাপে বিবেচনা কৰি অহা হৈছে। মানুহৰ দেহত নিমজ্জিত এটি অদৃশ্যমান অংশ হৈছে মন। মনৰদ্বাৰাই চিন্তন, আৱেগ-অনুভূতি আদি মানসিক কাৰ্য পৰিচালিত আৰু নিয়ন্ত্ৰিত হয়। মানুহৰ প্ৰতিটো সৃষ্টিশীল কাৰ্যৰ অন্তৰালত মনে অহৰহ ক্ৰিয়া কৰি থাকে। সেয়েহে মানৰ মনৰ গুৰুত্ব অনস্বীকাৰ্য। ব্যক্তিভেদে মনৰ স্বৰূপ ভিন্ন। যাৰফলত প্ৰত্যেক ব্যক্তিৰে আৱেগ-অনুভূতি, আচাৰ-আচৰণতো পাৰ্থক্য পৰিলক্ষিত হয়। মনৰ প্ৰকৃতি তথা স্বৰূপ ৰহস্যময়। ৰহস্যময় মনৰ স্বৰূপ উদঘাটন কৰাটো এক জটিল ব্যাপাৰ। অতীজৰেপৰা মন আৰু মানসিক ক্ৰিয়া সম্বন্ধে বিভিন্ন ধৰণৰ চিন্তা-চেতনাই ব্যক্তিৰ চিন্তাজগতত খলকনি তুলি আহিছে।

ইয়াৰ পৰিণতিত এক নতুন ধাৰণাৰ উন্মেষ ঘটে। মনস্তত্ত্ব হিচাপে পৰিচিত এই সুকীয়া ধাৰাটোৱে বাহ্যিক জগতত ঘটা ঘটনা প্ৰক্ৰিয়াৰ বিপৰীতে ব্যক্তিৰ আভ্যন্তৰীণ জগতৰ ওপৰত অগ্ৰাধিকাৰ প্ৰদান কৰে। সাধাৰণ অৰ্থত মনস্তত্ত্ব হৈছে মন সম্বন্ধীয় বিজ্ঞানসন্মত অধ্যয়ন। মনৰদ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত ব্যক্তিৰ আচৰণসমূহৰ বিষয়ে অধ্যয়ন কৰাই হৈছে মনস্তত্ত্বৰ মূল উদ্দেশ্য। ৰুদলফ্ গোকেল(Rudolf Goekel) এ মনস্তত্ত্ব বিষয়ক প্ৰথমখন গ্ৰন্থ ৰচনা কৰি বিষয়টোক এক নতুন গতি প্ৰদান কৰে। ১৫৯০ খৃষ্টাব্দত প্ৰণয়ন কৰা গ্ৰন্থখনৰ নাম হ'ল *চাইকলজীয়া* (Psychulogia)। এই গ্ৰন্থখনৰ জৰিয়তে মনস্তত্ত্ব সম্বন্ধীয় বিভিন্ন দিশ উন্মোচন হয়। ইংৰাজী 'Psychology' শব্দৰ প্ৰতিশব্দ হিচাপে অসমীয়া ভাষাত 'মনস্তত্ত্ব' আৰু 'মনোবিজ্ঞান' পৰিভাষা দুটা ব্যৱহাৰ কৰি অহা হৈছে। "Psychology" শব্দটো পুৰণি গ্ৰীক ভাষাৰ শব্দ "Psyche" আৰু "Logos" পৰা উৎপত্তি হৈছে। "Psyche" শব্দৰ অৰ্থ হৈছে 'আত্মা' আৰু "Logos" শব্দৰ অৰ্থ হৈছে বিজ্ঞান বা বিজ্ঞান সন্মত অধ্যয়ন।"[১] বুৎপত্তিগত দিশৰপৰা মনস্তত্ত্বৰ অৰ্থ হৈছে আত্মা সম্পৰ্কীয় বিজ্ঞান। '*হেমকোষ*'ত মনস্তত্ত্ব শব্দটো এনেদৰে ভাঙি দেখুওৱা হৈছে—"মনস্তত্ত্ব-মনস্, মন+তত্ত্ব, সত্য"[২], "মনৰ গুণ আৰু স্বভাৱ বুজোৱা বিদ্যা"[৩] হৈছে মনস্তত্ত্ব।

মনস্তত্ত্ব সম্পৰ্কত দাৰ্শনিক পণ্ডিতসকলে অতীজৰেপৰা চিন্তা-চৰ্চা কৰি আহিছে। ইয়াৰ সমান্তৰালভাৱে নিজ নিজ ধাৰণাৰ অনুকূলে মত পোষণো কৰিছে। পৰ্যায়ক্ৰমে মনস্তত্ত্বৰ বিভিন্ন স্বৰূপ উদঘাটন কৰিলেও সকলো সময় আৰু ব্যক্তিৰ বাবে প্ৰযোজ্য হোৱাকৈ মনস্তত্ত্বৰ এটা স্থায়ী সিদ্ধান্ত লাভ কৰাটো অতি জটিল। ব্যক্তিভেদে আৰু সময়ভেদে মনস্তত্ত্ব সম্পৰ্কত আগবঢ়োৱা সূত্ৰসমূহৰ মাজত প্ৰভেদ দৃশ্যমান হয়। এইখিনিতে প্ৰধান দাৰ্শনিক আৰু মনস্তত্ত্ববিদসকলে মনস্তত্ত্ব সম্পৰ্কত পোষণ কৰা মতসমূহ প্ৰণিধানযোগ্য—

অতীজত মনস্তত্ত্বক আত্মাৰ লগত সাঙুৰি অধ্যয়ন কৰা হৈছিল। প্ৰাচীন গ্ৰীক দাৰ্শনিকসকলৰ মতে মনস্তত্ত্ব হ'ল— "আত্মাৰ অধ্যয়ন বা আত্মাৰ বিজ্ঞান।"[৪] সেই সময়ছোৱাত আত্মা সম্পৰ্কত দাৰ্শনিকসকলৰ মাজত উচ্চ মানদণ্ডৰ চিন্তা-চৰ্চা হৈছিল। দাৰ্শনিকসকলে আত্মাৰ দৰ্শন হিচাপে মনোবিজ্ঞানৰ অধ্যয়ন কৰিছিল।

১৮ শ শতিকাৰ এচাম মনস্তত্ত্ববিদে মনস্তত্ত্বক "মনৰ বিজ্ঞান"[৫] আখ্যা দিছে। এইসকল মনস্তত্ত্ববিদে মানৱ মনৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। মনস্তত্ত্ববিদসকলৰ মতে মানুহৰ মনবোৰ নানাধৰণৰ ভাবৰ সমষ্টি আৰু ইয়াৰপৰাই সকলোধৰণৰ ধাৰণাৰ উন্মেষ ঘটে।

১৯ শতিকাৰ মনোবিদসকলে মনস্তত্ত্বক চেতন মনৰ বিজ্ঞান হিচাপে অভিহিত কৰিছে—

“যি বিজ্ঞানে মানৱ মনৰ চেতন অংশৰ বিষয়ে অধ্যয়ন কৰে, সেয়েই হৈছে মনোবিজ্ঞান।”[৬] এওঁলোকৰ মতে মানুহে চেতন মনৰ দ্বাৰাহে সকলো কাৰ্য বা আচৰণ প্ৰদৰ্শন কৰে। সেইগতিকে মনোবিজ্ঞানত চেতন মনৰ গুৰুত্বই অধিক।

আমেৰিকাৰ বিখ্যাত মনোবিজ্ঞানী জ'ন বি ৱাটচন(John B. Watson) এ মনস্তত্ত্বৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে— “যি বিজ্ঞানে প্ৰতিটো জীৱন্ত প্ৰাণীৰে আচৰণ সম্পৰ্কে অধ্যয়ন কৰে তেনে বিজ্ঞানকে মনোবিজ্ঞান বুলি কোৱা হয়।”[৭] ৱাটচনে মানুহৰ লগতে সকলো জীৱন্ত প্ৰাণীৰ আচৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই তেওঁ মনোবিজ্ঞানৰ সংজ্ঞা আগবঢ়াইছে। ইন্দ্ৰিয়ৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াসমূহ আচৰণৰ জৰিয়তে প্ৰকাশ পায়। সেয়েহে তেওঁ মনৰ বিপৰীতে আচৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

আধুনিক মনোবিজ্ঞানী উইলিয়াম মেকডুগেল(William Mc. Dougall) ৰ মতে “মনোবিজ্ঞান হ'ল এনে এক বিজ্ঞান যি জীৱৰ সকলো আচৰণৰে প্ৰকৃত স্বৰূপ আৰু তাৰ নিয়ন্ত্ৰণ সম্পৰ্কে জানিবলৈ দিয়ে।”[৮] উইলিয়াম মেকডুগেলে ৱাটচনৰ দৃষ্টিভংগীক সমৰ্থন কৰিছে যদিও তাক তেওঁ কিছু পৰিমাণে সংশোধিত কৰিছে।

মনোবিজ্ঞানী ওডৱৰ্থ (Woodworth) আৰু মাৰকুইচে(Marquis) মনস্তত্ত্বৰ সংজ্ঞা আগবঢ়াই কৈছে— “ব্যক্তিৰ কৰ্মৰ লগত পৰিৱেশৰ যি সম্পৰ্ক তাৰ বিজ্ঞানসন্মত অধ্যয়নেই হৈছে মনস্তত্ত্ব।”[৯] এইসকল মনোবিজ্ঞানীয়ে মনোবিজ্ঞানত পৰিৱেশকো সামৰি লৈছে। ব্যক্তিৰ কৰ্ম আৰু পৰিৱেশৰ মাজৰ সম্পৰ্কক বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰাৰ ওপৰত এওঁলোকে গুৰুত্ব প্ৰদান কৰিছে।

ক্ৰ আৰু ক্ৰ(Crow and Crow) ৰ মতে “সংক্ষেপে মনস্তত্ত্ব হৈছে মানুহৰ ব্যৱহাৰ আৰু সম্পৰ্কৰ এক অধ্যয়ন।”[১০] অৰ্থাৎ মানুহৰ ব্যৱহাৰ আৰু সম্পৰ্কৰ বিষয়ে য'ত অধ্যয়ন কৰা হয় সেয়াই মনোবিজ্ঞান।

এন.এল.মুন(N.L. Munn) এ মনস্তত্ত্বৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে— “মনস্তত্ত্ব হৈছে আচৰণ সম্পৰ্কে কৰা এক বৈজ্ঞানিক অনুসন্ধান।”[১১] এইজন মনস্তত্ত্ববিদে ৱাটচনৰ মনস্তত্ত্ব সম্পৰ্কীয় দৃষ্টিভংগীক সমৰ্থন জনাইছে আৰু আচৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

জাৰ্মান মনোবিদ কফকা (Koffka) ই মনোবিজ্ঞানৰ সংজ্ঞা দাঙি ধৰি কৈছে— “মনোবিজ্ঞান হৈছে জীৱিত প্ৰাণীয়ে বহিঃজগতৰ আন প্ৰাণীৰ লগত সম্বন্ধ স্থাপন কৰোঁতে প্ৰদৰ্শন কৰা আচৰণৰ বিজ্ঞানসন্মত অধ্যয়ন।”[১২] জগতৰ প্ৰত্যেক প্ৰাণীয়ে অন্য প্ৰাণীৰ সৈতে সম্বন্ধ স্থাপন কৰিবলৈ বিচাৰে। এনে অৱস্থাত প্ৰাণীয়ে নিজৰ চাৰিত্ৰিক বৈশিষ্ট্য অনুযায়ী কিছুমান আচৰণ প্ৰদৰ্শন

কৰে। অৰ্থাৎ প্ৰাণীয়ে অন্য প্ৰাণীৰ সৈতে সম্বন্ধ স্থাপন কৰিবলৈ যি আচৰণ কৰে তাৰ বিজ্ঞানসন্মত অধ্যয়ন কৰাই হৈছে মনোবিজ্ঞান।

মনস্তত্ত্বৰ ইতিহাস অতি প্ৰাচীন। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মনস্তত্ত্বৰ ধাৰণাৰো পৰিবৰ্তন ঘটে। উপৰিউক্ত সংজ্ঞাসমূহে মনস্তত্ত্বৰ ধাৰণাৰ পৰিৱৰ্তিত ৰূপৰেখাকেই প্ৰতিপন্ন কৰে। ১৯ শতিকাৰ পূৰ্বে মনস্তত্ত্বক দৰ্শনৰ অন্তৰ্গত বিষয় হিচাপে অধ্যয়ন কৰা হৈছিল। দৰ্শনৰ এটি সুকীয়া ঠাঁল মানসিক দৰ্শনত মন সম্বন্ধে অধ্যয়নে স্থান লাভ কৰিছিল। সেইহেতুকে “মনোবিজ্ঞানক দৰ্শনৰ সন্তান হিচাপে গণ্য কৰা হয়।”[১৩] প্ৰাচীন গ্ৰীক দাৰ্শনিকসকলে আত্মাৰ গুৰুত্বৰ ওপৰত অধিক মনোনিৱেশ কৰিছিল। এই প্ৰসংগত এৰিষ্টট’ল, প্লেটো আদিৰ নাম উনুকিয়াব পাৰি। আত্মা সম্পৰ্কত কৰা চিন্তা-চৰ্চাই মনস্তত্ত্বৰ অধ্যয়নৰ উদ্দেশ্য আছিল। বিভিন্ন সংজ্ঞা আৰু যুক্তিৰে দাৰ্শনিকসকলে মনোবিজ্ঞানক আত্মাৰ দৰ্শন হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছিল যদিও পৰৱৰ্তী সময়ত এই মত গ্ৰহণযোগ্য ন’হল। আত্মা হৈছে এক অমূৰ্ত ধাৰণা। আত্মাৰ কোনোধৰণৰ বাস্তৱিক ভিত্তি নাই। সেয়েহে আত্মাক কেন্দ্ৰ কৰি আগবঢ়োৱা মনস্তত্ত্বৰ সিদ্ধান্তও অগ্ৰাহ্য হয়।

১৮ শ শতিকাত মনস্তত্ত্বক আত্মাৰ প্ৰসংগৰ পৰা আঁতৰাই মনৰ লগত সংযুক্ত কৰা হয়। হিউম (Hume), মিল (Mill) আৰু বেইন (Bain) এ মনস্তত্ত্বক মনৰ বিজ্ঞান হিচাপে ব্যাখ্যা আগবঢ়ায়। “এই তিনিগৰাকী বিখ্যাত চিন্তাবিদৰ চিন্তাধাৰাক এছোচিয়েচনিষ্ট স্কুল (AssociaSonist School) বুলি কোৱা হয়।”[১৪] এইসকল দাৰ্শনিকে মনৰ প্ৰাধান্যতা স্বীকাৰ কৰি মনৰ পৰাই সকলো ধাৰণাৰ উৎপত্তি হোৱাৰ পোষকতা কৰিছিল। কিন্তু অকল মনক প্ৰাধান্য দি আগবঢ়োৱা মনস্তত্ত্বৰ এই ধাৰণাও চিৰস্থায়ী ন’হল।

১৯ শতিকাত মনস্তত্ত্বক এক নতুন দৃষ্টিকোণেৰে বিশ্লেষণ কৰা হয়। উইলিয়াম জেমচ্ (William James), উইলিয়াম উণ্ডট (William Wundt) আৰু ভাইভচ (Vives) এ চেতন মনৰ বিজ্ঞান হিচাপে মনস্তত্ত্বৰ ব্যাখ্যা আগবঢ়ায়। স্পেইনৰ মনস্তত্ত্ববিদ ভাইভচে এই ধাৰণাটো প্ৰচাৰ কৰাত অগ্ৰণী ভূমিকা পালন কৰিছিল। চেতন মনৰ ওপৰত গুৰুত্ব আৰোপ কৰা এইসকল মনস্তত্ত্ববিদৰমতে ব্যক্তিৰ আচাৰ-আচৰণ চেতন মনৰদ্বাৰা পৰিচালিত হয়। অৰ্থাৎ ব্যক্তিয়ে মনৰ সকলো ইচ্ছানুভূতি সম্পৰ্কে জ্ঞাত হয় আৰু সচেতনভাৱে ইয়াৰ অনুকূলে কাৰ্য প্ৰদৰ্শন কৰে। প্ৰকৃততে চেতন মন সৰ্বস্ব নহয়। ই মনৰ আংশিক স্তৰহে মাথোন। সেয়েহে এই ধাৰণাও সমালোচনাৰ সন্মুখীন হ’বলগীয়া হয়। চেতন মনৰ লগতে অৱচেতন আৰু অচেতন মনৰ অস্তিত্বৰ কথাও পৰৱৰ্তী মনস্তত্ত্ববিদে প্ৰতিপন্ন কৰিছে। ছিগমাণ্ড ফ্ৰয়েড (Sigmund Freud) এ যুক্তিনিষ্ঠভাৱে

অৱচেতন মনৰ গুৰুত্ব প্ৰতিষ্ঠা কৰিছে। ইয়াৰ লগে লগে মনস্তত্ত্ব চেতনাৰ বিজ্ঞান হিচাপে পোষকতা কৰা ধাৰণাও ভিত্তিহীন হৈ পৰে।

ব্যক্তিমনৰ লগত জড়িত বিষয়ৰ বিজ্ঞানসন্মত অধ্যয়ন আৰু চিন্তা-চৰ্চাৰ আৰম্ভণি ১৯ শতিকাৰ পৰা হোৱা বুলি ক'ব পৰা যায়। আধুনিক মনস্তত্ত্ববিদসকলে মানসিক প্ৰক্ৰিয়া, অভিজ্ঞতা আৰু আচৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। মানসিক প্ৰক্ৰিয়াৰ জৰিয়তে ব্যক্তিৰ চিন্তা শক্তিৰ বিকাশ সাধন হয়। মনস্তত্ত্ব অধ্যয়নৰ ক্ষেত্ৰত অভিজ্ঞতা এক গুৰুত্বপূৰ্ণ প্ৰপঞ্চ। অভিজ্ঞতাই ব্যক্তিৰ মানসিকতাত গভীৰভাৱে প্ৰভাৱ পেলায়। ই ব্যক্তিৰ আচাৰ-আচৰণতো ক্ৰিয়া কৰে। ষ্টাউটে এই সম্পৰ্কত মত পোষণ কৰি কৈছে— "মনোবিজ্ঞানে মানুহৰ কিছুমান বিশেষ অভিজ্ঞতা যেনে সংবোধন লাভ, মনোযোগ, মনৰ ইচ্ছা, অনুভূতি কল্পনা আদিৰ বিষয়ে আলোচনা কৰে।"[১৫]

ব্যক্তিভেদে লাভ কৰা অভিজ্ঞতাৰ স্বৰূপ ভিন্ন হয়। অভিজ্ঞতা ব্যক্তিনিষ্ঠ। মানৱ জীৱনৰ লগত অভিজ্ঞতা গভীৰভাৱে সংপৃক্ত হয়। সেয়েহে অভিজ্ঞতাৰ স্বৰূপ উন্মোচন কৰি ব্যক্তিৰ জটিল মানসিক অৱস্থাৰ দিক্ নিৰ্ণয় কৰিবলৈ মনোবিদসকল অগ্ৰসৰ হয়। কুৰি শতিকাৰ আৰম্ভণিতে মনস্তত্ত্বৰ অধ্যয়নত আচৰণে স্থান লাভ কৰে। আমেৰিকাৰ বিখ্যাত মনোবিজ্ঞানী জ'ন বি ৱাটচন (John B.Watson)ৰ নাম এইক্ষেত্ৰত বিশেষভাৱে উল্লেখনীয়। ১৯১৩ চনত ৱাটচনে আচৰণবাদ নামেৰে এক সুকীয়া ধাৰণাৰ প্ৰৱৰ্তন কৰে। মনস্তত্ত্ব আৰু আচৰণৰ সম্বন্ধ প্ৰতিষ্ঠা কৰি মনস্তত্ত্ববিদ গৰাকীয়ে ১৯১৪ চনত *Behaviour: An Introduction to Comparative Psychology*,১৯১৯ চনত *Psychology from the stand-point of a Behaviourist* আৰু ১৯২৫ চনত *Behaviourism* নামেৰে তিনিখন গ্ৰন্থ প্ৰকাশ কৰে। আচৰণ সম্পৰ্কত ওডৱৰ্থে এনেদৰে মত পোষণ কৰিছে— "কাৰ্যকলাপ হৈছে জীৱনৰ যিকোনো ধৰণৰ প্ৰকাশভংগী আৰু এনেধৰণৰ কাৰ্যকলাপৰ সামূহিকতাই আচৰণ।"[১৬] আচৰণে কেৱল বাহ্যিক ক্ৰিয়া-কলাপকে নিৰ্দেশ নকৰে। ব্যক্তিৰ চিন্তাশক্তি আৰু আৱেগ-অনুভূতিৰ লগতো ই গভীৰভাৱে সংপৃক্ত। মনস্তত্ত্ববিদসকলে ব্যক্তিৰ লগতে অন্যান্য জীৱৰ আচৰণ সম্পৰ্কেও অধ্যয়ন কৰিছিল। ৱাটচনে নিজৰ মতৰ সমৰ্থনত প্ৰাণীৰ আচৰণৰ যুক্তিসন্মত ব্যাখ্যা আগবঢ়ায় যদিও তেওঁ আচৰণৰ ওপৰত মনৰ প্ৰভাৱ সম্পূৰ্ণই অস্বীকাৰ কৰিছে। মনৰ অস্তিত্বক আওকাণ কৰি কেৱল আচৰণৰ ওপৰত গুৰুত্ব দিলে মনস্তত্ত্বৰ এটি সাৰ্বিক আৰু গ্ৰহণযোগ্য সিদ্ধান্ত লাভ কৰাটো সম্ভৱ নহয়। কিয়নো ব্যক্তিৰ আচাৰ-আচৰণৰ ওপৰত চেতন, অৱচেতন মনৰ প্ৰভাৱেই অধিক। পৰৱৰ্তী সময়ত মেকডুগেলে আচৰণ আৰু মানসিক ক্ৰিয়া-প্ৰক্ৰিয়াৰ ওতঃপ্ৰোত সম্পৰ্ক যুক্তিনিষ্ঠভাৱে প্ৰতিপন্ন কৰে।

মনস্তাত্ত্বিক ধ্যান-ধাৰণাই এক দীঘলীয়া পৰিক্ৰমাৰ মাজেৰে আহি বৰ্তমানৰ অৱস্থাত উপনীত হৈছে। মন এক জটিল বিষয়। ব্যক্তিৰ অন্তৰ্জগতত ক্ৰিয়া কৰি থকা এনে এক বিষয়ৰ স্বৰূপ নিৰ্ধাৰণ কৰি তাৰ ব্যাখ্যা আগবঢ়োৱাতো যথেষ্ট কঠিন। সেয়েহে কাল আৰু ব্যক্তি সাপেক্ষে মনস্তত্ত্বৰ ধাৰণাৰো বৈপৰীত্য পৰিলক্ষিত হয়। দৰ্শনৰ পৰা মনস্তত্ত্বক বিজ্ঞানৰ শাৰীলৈ উন্নীত কৰাত সুচিন্তিত, যুক্তিনিৰ্ভৰ, বাস্তৱিক আৰু প্ৰায়োগিক কাৰক কিছুমান নিহিত হৈ আছে। স্তৰে স্তৰে ইয়াৰ উত্তৰণ ঘটিছে। মন, মানসিকতা, অভিজ্ঞতা, আচৰণ আদি পৰিভাষাসমূহৰ লগত বৈজ্ঞানিক বিচাৰ-বিশ্লেষণৰ সংযোজনে মনস্তত্ত্বৰ ক্ষেত্ৰত ন-ন চিন্তাৰ উন্মেষ ঘটাবলৈ সক্ষম হৈছে। যাৰফলত পূৰ্বৰ দাৰ্শনিকসকলে মনস্তত্ত্বৰ লগত সংগতি ৰাখি আত্মা আৰু মনৰ যি ধাৰণা আগবঢ়াইছিল সেইবোৰ অৰ্থহীন হৈ পৰিছে। এই সম্পৰ্কত ওডৱৰ্থৰ এটি মন্তব্য প্ৰণিধানযোগ্য— “প্ৰথমতে মনোবিজ্ঞানে ‘আত্মা’ হেৰুৱালে তাৰ পাছত ‘মন’, তাৰ পাছত হেৰুৱালে ‘সচেতনতা’,তথাপিও ইয়াৰ এক প্ৰকাৰৰ আচৰণ বৰ্তি আছে।”[১৭]

আধুনিক মনস্তত্ত্ববিদসকলে বিজ্ঞানসন্মত পৰীক্ষা-নিৰীক্ষাৰ অন্তত মনস্তত্ত্বৰ লগত জড়িত ন-ন দিশ উন্মোচন কৰিছে। ইয়াৰ সমান্তৰালভাৱে মনোবিশ্লেষণৰ বিভিন্ন তত্ত্ব আৱিস্কাৰ কৰি বিষয়টো মানুহৰ অধিক কাষ চপাই দিছে। ফলশ্ৰুতিত মনস্তত্ত্ব অকল ব্যক্তিৰ মন আৰু আচৰণৰ অধ্যয়নৰ মাজতে সীমাবদ্ধ নাথাকি বহল ক্ষেত্ৰত পৰিব্যপ্ত হৈছে। আধুনিক মনস্তত্ত্ববিদসকলে মনস্তত্ত্ব সন্দৰ্ভত প্ৰৱৰ্তন কৰা তত্ত্বই চিকিৎসা শাস্ত্ৰ, সাহিত্য, সমাজ, শিক্ষা আদি ক্ষেত্ৰত এক আলোড়নৰ সৃষ্টি কৰিবলৈ লয়। এনেদৰে পূৰ্বৰ আনুমানিক, ভিত্তিহীন অৱস্থাৰ পৰা বিকাশপ্ৰাপ্ত হৈ মনস্তত্ত্বই ব্যৱহাৰিক ক্ষেত্ৰখনত নিজৰ স্থিতি অক্ষু ণ্ণ ৰাখিবলৈ সক্ষম হয়। মনস্তত্ত্বৰ নতুন নতুন দিশ উন্মোচনৰ লগে লগে ইয়াৰ অধ্যয়নৰ পৰিসৰো বৃদ্ধি পাইছে। সম্প্ৰতি মনস্তত্ত্ব বিভিন্ন শাখালৈ পৰ্যাৱিত হৈছে। বহুলভাৱে প্ৰচাৰ আৰু প্ৰসাৰ ঘটা মনোবিজ্ঞানৰ শাখাসমূহ এনেধৰণৰ—জৈৱিক বা শাৰীৰিক মনোবিজ্ঞান (Biological Psychology), শিশু মনোবিজ্ঞান (Child Psychology), বিকাশ সম্বন্ধীয় মনোবিজ্ঞান (Developmental Psychology), সামাজিক মনোবিজ্ঞান (Social Psychology),পৰিৱেশীয় মনোবিজ্ঞান (Environmental Psycholog), নৈদানিক মনোবিজ্ঞান (Clinical Psychology), শিক্ষা মনস্তত্ত্ব (Educational Psychology)।[১৮]

জৈৱিক মনোবিজ্ঞানত মন আৰু শাৰীৰিক ক্ৰিয়া-কলাপ তথা আচৰণৰ সম্পৰ্কৰ বিষয়ে অধ্যয়ন কৰা হয়। ইন্দ্ৰিয়, স্নায়ুতন্ত্ৰ আৰু বিভিন্ন গ্ৰন্থিৰ সক্ৰিয় কাৰ্য প্ৰণালীয়ে প্ৰাণীৰ মানসিক

জগতত প্ৰভাৱ পেলায়। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই প্ৰাণীৰ আচৰণ বিশেষভাৱে গঢ় লৈ উঠে। মনোবিজ্ঞানৰ এই স্তৰটোত শৰীৰ আৰু স্নায়ুতন্ত্ৰৰ অধ্যয়ন কৰা হেতুকে ইয়াক শাৰীৰিক মনোবিজ্ঞান আৰু স্নায়ৱিক মনোবিজ্ঞানো আখ্যা দিয়া হয়।

শিশুৰ আচৰণ আৰু বিকাশজনিত বৈশিষ্ট্যসমূহ অধ্যয়ন কৰা মনোবিজ্ঞানৰ শাখাটোৱেই হৈছে শিশু মনস্তত্ত্ব। ফৰাচী দাৰ্শনিক আৰু শিক্ষাবিদ ৰুচোই শিশু সম্পৰ্কত কৈছিল—"এটি শিশু ব্যক্তি হোৱাৰ পূৰ্বে শিশু হৈয়ে থাকে।"[১৯] শৈশৱ হৈছে মানৱ জীৱনৰ এক গুৰুত্বপূৰ্ণ স্তৰ। শিশুৰ আৱেগ-অনুভূতি, ইচ্ছা, আচাৰ-আচৰণ বুদ্ধি-বৃত্তি পৃথক। সেয়েহে স্বকীয় বৈশিষ্ট্যৰে পৰিপূৰ্ণ শিশুৰ সুকীয়া মনস্তাত্ত্বিক অধ্যয়নে গুৰুত্ব লাভ কৰিছে।

বিকাশ সম্বন্ধীয় মনোবিজ্ঞানত ব্যক্তিৰ বিকাশৰ বিভিন্ন স্তৰ অধ্যয়ন কৰা হয়। এজন ব্যক্তিৰ বয়স সাপেক্ষে শাৰীৰিক, মানসিক আৰু বৌদ্ধিক আচৰণৰ পৰিৱৰ্তন হয়। এই পৰিৱৰ্তনৰ কাৰণ আৰু প্ৰকৃতিৰ আলোচনা কৰাৰ জৰিয়তে বয়সভেদে ব্যক্তি মনস্তত্ত্বৰ বিভিন্ন দিশ উন্মোচন কৰিবলৈ প্ৰয়াস কৰা হয়। প্ৰথম অৱস্থাত শিশু আৰু কৈশোৰকালৰ বিকাশৰ বিষয়ে অধ্যয়ন কৰা এই শাখাটোৱে পৰৱৰ্তী সময়ত প্ৰাপ্তবয়স্ক আৰু বৃদ্ধ মনস্তত্ত্বকো অধ্যয়নৰ আওঁতাত সামৰি লয়।

সামাজিক মনোবিজ্ঞানত সামাজিক পৰিস্থিতিয়ে ব্যক্তিৰ আচৰণত পেলোৱা প্ৰভাৱ সম্পৰ্কে অধ্যয়ন কৰাৰ উপৰিও ব্যক্তিয়ে সামাজিক পৰিৱেশ সৃষ্টিত আগবঢ়োৱা অৰিহণাত গুৰুত্ব প্ৰদান কৰা হয়। মানুহ সামাজিক প্ৰাণী। সমাজত বাস কৰা প্ৰতিজন ব্যক্তিৰ জীৱনত সামাজিক পৰিৱেশ-পৰিস্থিতিয়ে অভূতপূৰ্বভাৱে ক্ৰিয়া কৰি থাকে। সামাজিক পৰিৱেশ-পৰিস্থিতিয়ে ব্যক্তিৰ মনস্তত্ত্ব গঢ় দিয়াতো বিশেষভাৱে তাৎপৰ্যপূৰ্ণ। সমাজ সৃষ্টি হয় ব্যক্তিগোটৰ জৰিয়তে। ব্যক্তি নিৰ্বিশেষেই সামাজিক ধ্যান-ধাৰণা, ৰীতি-নীতি প্ৰৱৰ্তন কৰে। অৱশ্যে ক্ষমতাশালী শ্ৰেণীটোৱে এইক্ষেত্ৰত বিশেষ প্ৰাধান্য লাভ কৰা পৰিলক্ষিত হয়। ব্যক্তিৰদ্বাৰা সৃষ্ট সামাজিক পৰিৱেশ-পৰিস্থিতিয়ে ব্যক্তিৰ মানসিক জগতখন নিয়ন্ত্ৰণ আৰু পৰিচালিত কৰা বিষয়টো অতি জটিল। সামাজিক মনোবিজ্ঞানত ব্যক্তি আৰু সমাজৰ সম্পৰ্কৰ ন ন দিশ উন্মোচন কৰা হয়।

পৰিৱেশৰ বিভিন্ন ঘটনা-পৰিঘটনাই মানুহৰ মানসিকতা আৰু আচাৰ-আচৰণত পেলোৱা প্ৰভাৱ সম্পৰ্কে পৰিৱেশীয় মনোবিজ্ঞানৰ বিচাৰ্য বিষয়। "পৰিৱেশীয় মনোবিজ্ঞানীসকলে বৰ্তমানে কেতবোৰ নতুন বিষয় যেনে পৰিৱেশৰ আৱৰ্জনাৰ বিজ্ঞানসন্মত দূৰীকৰণৰ ব্যৱস্থা, শক্তি সংৰক্ষণ, বৰষুণৰ পানী সংগ্ৰহ আৰু সংৰক্ষণৰ ব্যৱস্থা, জনসংখ্যা বিস্ফোৰণ আদিৰ ওপৰত গৱেষণা হাতত লোৱা দেখা গৈছে।"[২০]

নৈদানিক মনোবিজ্ঞানত ৰোগীৰ মানসিক ৰোগ, মানসিক অৱসাদৰ চিকিৎসা মনস্তাত্ত্বিক দৃষ্টিভংগীৰে কৰা হয়। অৰ্থাৎ মনস্তত্ত্ববিদসকলে বিভিন্ন সময়ত আগবঢ়োৱা তত্ত্বসমূহৰ আধাৰত ৰোগীৰ ৰোগৰ কাৰণ, ব্যাপ্তি, নিদান আৰু প্ৰতিকাৰ দিয়াৰ ব্যৱস্থা কৰা হয়। নৈদানিক মনোবিজ্ঞানক চিকিৎসা মনোবিজ্ঞান হিচাপেও জনা যায়। চিকিৎসা মনোবিজ্ঞান আধুনিক যুগৰ চিকিৎসা ব্যৱস্থাত এক অন্যতম সংযোজন।

শিক্ষা মনোবিজ্ঞান হৈছে ব্যৱহাৰিক মনস্তত্ত্বৰ এটি অন্যতম শাখা। "জে.এইচ পেস্তালজী, ছুইজাৰলেণ্ডৰ বিখ্যাত দাৰ্শনিক, শিক্ষাবিদক (J.H.Pestalozzi) শিক্ষা মনোবিজ্ঞানৰ জন্মদাতা পিতৃস্বৰূপ বুলি গণ্য কৰিব পাৰি।"[২১] শিক্ষণ আৰু শিক্ষাদান প্ৰক্ৰিয়াৰ লগত জড়িত আনুষংগিক বিষয়সমূহৰ অধ্যয়নেই হৈছে শিক্ষা মনোবিজ্ঞানৰ উদ্দেশ্য। বয়স অনুযায়ী ছাত্ৰ-ছাত্ৰীৰ আচৰণ, মানসিক প্ৰক্ৰিয়া, আদিৰ লগতে শৈক্ষিক ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যাসমূহো শিক্ষা মনোবিজ্ঞানৰ অধ্যয়নৰ বিষয়। শিক্ষণৰ ক্ষেত্ৰত নানাধৰণৰ তথ্য, নীতি আদিৰ আৱিষ্কাৰ কৰি শিক্ষা মনস্তত্ত্বই শৈক্ষিক দিশটো উন্নতমানৰ আৰু ফলপ্ৰসূ কৰি তোলাত অগ্ৰণী ভূমিকা পালন কৰিছে।

সাম্প্ৰতিক সময়ত প্ৰায়োগিক ক্ষেত্ৰসমূহত মনস্তত্ত্বৰ পৰীক্ষণে সাৰ্থকতা লাভ কৰিবলৈ সক্ষম হৈছে। ই গ্ৰীক দাৰ্শনিকসকলে বহু বছৰ আগতেই আৰম্ভ কৰা চিন্তা-চৰ্চাৰ এক সুষ্ঠ, সবল পৰিকাঠামো নিৰ্মাণ কৰিছে। মানৱ মন গতিশীল আৰু পৰিৱৰ্তনশীল। ইয়াৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত আচৰণো স্থিৰ নহয়। একেদৰে স্থান-কালভেদে সমাজ-সাংস্কৃতিক পৰম্পৰাৰ পৰিৱৰ্তন অনস্বীকাৰ্য। সেয়েহে মনস্তত্ত্ব সম্পৰ্কত সৰ্বস্তৰৰ সৰ্বগ্ৰহণযোগ্য মতামত তথা সিদ্ধান্ত লাভ কৰাটো সম্ভৱ নহয়। যাৰফলস্বৰূপে বিভিন্ন ক্ষেত্ৰত ন-ন দৃষ্টিকোণেৰে মনস্তত্ত্বৰ প্ৰণালীবদ্ধ অধ্যয়ন মনস্তত্ত্ববিদসকলৰ দ্বাৰা বৰ্তমানেও কৰি অহা হৈছে। ই মনস্তত্ত্বৰ ক্ষেত্ৰত ইতিবাচক আৰু আশাব্যঞ্জক দিশ।

### ১.০২ ছিগমাণ্ড ফ্ৰয়েডৰ মনোবিশ্লেষণ তত্ত্ব ঃ

অষ্টিয়াৰ ফ্ৰেইবাৰ্গত জন্মগ্ৰহণ কৰা ফ্ৰয়েডে মনোবিশ্লেষণ তত্ত্বৰ ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়াইছে। এগৰাকী নিউৰোলজিষ্ট হোৱাৰ লগতে তেওঁ মনোবিজ্ঞানৰ ক্ষেত্ৰখনতো বিশেষ অৰিহণা আগবঢ়ায়। মনস্তাত্ত্বিক ধ্যান-ধাৰণাৰ আলোচনাত বৈপ্লৱিক পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত ফ্ৰয়েডৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁ মানসিক ৰোগীসকলৰ মানসিক সংঘাত তথা মানসিক জটিল লক্ষণবোৰক নিৰাময় কৰিবৰ বাবে গভীৰ অধ্যয়ন কৰি মানুহৰ মনৰ জটিলতাবোৰৰ সম্পৰ্কত কিছু নতুন তথ্য পোহৰলৈ আনিছিল। ঊনবিংশ শতিকাৰ শেষভাগৰপৰা কুৰি শতিকাৰ মাজভাগলৈ

যিকেইটা তত্ত্বই জীৱন আৰু জগতক জোকাৰি থৈ গৈছে তাৰ ভিতৰত এটা অন্যতম হ'ল ফ্ৰয়েডৰ মনস্তাত্ত্বিক তত্ত্ব। ফ্ৰয়েডৰ মতে "মনোবিশ্লেষণ হ'ল স্নায়ৱিক ৰোগীৰ চিকিৎসাৰ এক পদ্ধতি।"[২২] বৃত্তিগতভাৱে এগৰাকী চিকিৎসক হোৱা হেতুকে ফ্ৰয়েডৰ ওচৰলৈ বিভিন্ন ৰোগীৰ আগমন ঘটিছিল। এই ৰোগীসকলৰ লগত কথা পতাৰ জৰিয়তে তেওঁ ৰোগীৰ অতীত অভিজ্ঞতা, আৱেগ-অনুভূতি, আশা-আকাংক্ষাৰ সৈতে পৰিচিত হৈছিল। ৰোগীসকলৰ মনোৰোগৰ চিকিৎসাৰ বাবেই তেওঁ মনোবিশ্লেষণ তত্ত্বৰ বিকাশ ঘটায়। মানসিক ৰোগীসকলক চিকিৎসা কৰি লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত তেওঁ মানুহৰ মনৰ জটিলতা আৰু মানসিক অৱস্থাসমূহৰ সম্পৰ্কত এক প্ৰণালীবদ্ধ অধ্যয়ন কৰি কিছু তাত্ত্বিক পৰিকাঠামো গঢ় দিছিল।

> মানুহৰ মনোৰোগ বিষয়ক সমস্যা সমাধান কৰাটোৱেই হৈছে মনোবিশ্লেষণৰ লক্ষ্য। ই কিছুমান ধ্বংসাত্মক আচৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। আমাৰ অজ্ঞাতে কিছুমান ধ্বংসাত্মক মনস্তাত্ত্বিক আচৰণ আমাৰ মাজত ক্ৰিয়া কৰি থাকে। এই সমস্যাসমূহৰ বিষয়ে আমি অজ্ঞাত বা আমাৰ সমস্যাৰ কথা জানিলেও তাৰ প্ৰকৃত কাৰণ সম্পৰ্কত আমি নিশ্চিত নহয়। কিন্তু আমাৰ অজ্ঞাতে এইবোৰে আমাৰ ওপৰত নিয়ন্ত্ৰণ ৰাখে বা আমাক পৰিচালিত কৰে।[২৩]

অৰ্থাৎ ব্যক্তিৰ অলক্ষিতে কিছুমান ধ্বংসাত্মক কাৰকে ব্যক্তিৰ মনস্তত্ত্বত ক্ৰিয়া কৰি থাকে। ইয়াৰ ফলশ্ৰুতিতেই ব্যক্তিয়ে বিভিন্ন ধৰণৰ মানসিক জটিলতাত ভোগে। বহুসময়ত এই মানসিক জটিলতাই মানসিক ৰোগলৈ ৰূপান্তৰিত হয়। এই ধৰণৰ কাৰণবশতঃ সৃষ্টি হোৱা মানসিক ৰোগ নিৰাময় তথা মানসিক সমস্যাসমূহৰ কাৰণ উদঘাটন কৰি সেইবোৰৰ সমাধান কৰাৰ বাবেই মনোবিশ্লেষণ তত্ত্বৰ সৃষ্টি হয়।

ফ্ৰয়েডে মানুহৰ মনক সচেতন আৰু অৱচেতন হিচাপে ভাগ কৰিছে। মনোবিশ্লেষণ তত্ত্বৰ মূল বিষয় হৈছে মানুহৰ **অৱচেতন** (Unconscious) মন। ফ্ৰয়েডৰ মতে "মানুহৰ মনৰ এটা বৃহৎ অংশ অৱচেতন মনৰ অন্তৰ্ভূক্ত। অৱচেতনাই নিজৰ মাজত সচেতন মনক সামৰি ৰাখে। সকলোধৰণৰ সচেতন অৱস্থাৰ প্ৰাথমিক পদক্ষেপ অৱচেতন অৱস্থাত থাকে আৰু অৱচেতন এই পদক্ষেপৰ সৈতে ৰৈ গ'লেও এক মানসিক কাৰ্যকলাপ হিচাপে ই সম্পূৰ্ণ মূল্য দাবী কৰে।"[২৪] অৰ্থাৎ মানুহৰ ক্ৰিয়া-কলাপ, আচাৰ-আচৰণত অৱচেতন মনৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ। "মানুহৰ চিন্তা সচেতন মনৰ মাজত অধিক সময় ধৰি নাথাকে। সচেতন মনৰ চিন্তা ক্ষন্তেক সময় পিছতেই অৱচেতন মনলৈ গতি কৰে যদিও মানুহে ইচ্ছা কৰিলে এই চিন্তাসমূহক পুনৰ সচেতন মনলৈ

আনিব পাৰে।"[২৫] মানুহৰ মনৰ বৃহৎ অংশই হৈছে অৱচেতন মন। মানুহৰ জীৱনত ঘটা বিভিন্ন ঘটনা, অভিজ্ঞতা তথা চিন্তা-ভাবনা সচেতন মনত কিছুপৰৰ বাবেহে জাগ্ৰত হৈ থাকে। এক নিৰ্দিষ্ট সময়ৰ পিছত সেইবোৰ অৱচেতন মনলৈ গতি কৰে। অৱচেতন মনত এইবোৰ সংৰক্ষিত হৈ থাকে। ব্যক্তিয়ে অৱচেতনাত থকা বিষয়সমূহ পুনৰ সচেতন অৱস্থালৈ আনিবলৈ সক্ষম হয়। আনকি কেতিয়াবা কেতিয়াবা ব্যক্তিয়ে নিবিচাৰিলেও এইবোৰ সুৰুঙা বুজি ব্যক্তিৰ সচেতন স্তৰত প্ৰৱেশ কৰে। ফ্ৰয়েডে "দুই ধৰণৰ অৱচেতন মনৰ কথা উল্লেখ কৰিছে। প্ৰথমবিধ সুপ্ত (Latent) যদিও তাক সচেতন মনলৈ অনাটো সম্ভৱ। আনহাতে দ্বিতীয়বিধ হৈছে অৱদমিত (Repressed); যি নিজেই কৰ্মমুখ হোৱাৰ লগতে চেতন অৱস্থাত আহিব পৰাকৈ সক্ষম।"[২৫]

ব্যক্তিৰ অৱচেতন মনৰ লগত জড়িত এটি অন্যতম বিষয় হৈছে **অৱদমন** (Repression)। মানৰ মনৰ অপূৰণীয় আশা-আকাংক্ষা, অবাঞ্চিত কামনা-বাসনা, প্ৰবৃত্তি তথা সমাজৰদ্বাৰা স্বীকৃত নোহোৱা চিন্তাধাৰাবোৰ অৱচেতন মনত দমাই ৰখা হয়। ফ্ৰয়েডে ইয়াক "অৱদমন"[২৭] আখ্যা দিছে। অৱদমিত ইচ্ছা-আকাংক্ষাবোৰ ব্যক্তিৰ অগোচৰে সচেতন চিন্তা-ভাৱনাত প্ৰকাশ লাভ কৰে। "চেতন, পূৰ্বচেতন আৰু অৱচেতন এই তিনিটা অভিধা প্ৰয়োগৰ সমস্যা নিশ্চয় নাথাকিব। অৱচেতন মন বৰ্ণনাত্মকভাৱেৰে দুই প্ৰকাৰৰ হ'লেও গতিশীলতা বা সক্ৰিয়তাৰ বোধেৰে ই এটাই মাথোন।"[২৮] অৰ্থাৎ অৱচেতন মনক সুপ্ত আৰু অৱদমিত এই দুটা ভাগত ভাগ কৰা হৈছে যদিও ই কেৱল বৰ্ণনাত্মকভাৱেহে প্ৰযোজ্য। কিয়নো সক্ৰিয়তাৰ ফালৰপৰা দুয়োবিধ ভাগ একেই। সুপ্ত অৱচেতন মনৰ চিন্তাধাৰা ব্যক্তিৰ সচেতন মনত প্ৰৱেশ কৰে। ঠিক একেদৰে অৱদমিত অৱস্থাত থকা বিষয়সমূহ ব্যক্তিৰ সচেতন স্তৰলৈ আহিবলৈ সক্ষম হয়। সেয়েহে এই দিশৰপৰা চাবলৈ গ'লে অৱচেতন মন একেটাই।

ব্যক্তিৰ **ব্যক্তিত্ব** (Personality) গঠনৰ ওপৰত ফ্ৰয়েডে বিশেষভাৱে আলোচনা আগবঢ়াইছে। এই সম্পৰ্কত তেওঁ তিনিটা মানসিক প্ৰক্ৰিয়াৰ কথা উল্লেখ কৰিছে— আদম বা ইড (Id), অহং (Ego) আৰু পৰাহং (Super Ego)। এই তিনিটা মানসিক প্ৰক্ৰিয়াই ব্যক্তিৰ ব্যক্তিত্ব গঠনত মূল ভূমিকা পালন কৰে। **আদম** (Id) হৈছে ব্যক্তিৰ আদিম সহজাত প্ৰবৃত্তি। ব্যক্তিৰ অৱচেতন মন হৈছে আদমৰ মূল উৎস। "আদম ব্যক্তিত্বৰ এটি পৰম শক্তিশালী স্তৰ। ব্যক্তি মনৰ সকলো ধৰণৰ কাৰ্যকলাপৰ মূলতে আদমে ক্ৰিয়া কৰে। ই লিবিডো আৰু অন্যান্য সহজাত প্ৰবৃত্তিসমূহৰ চৌবাচ্ছা (Reservoir)।"[২৯] ব্যক্তিমনৰ সকলোধৰণৰ কাৰ্য-কলাপ পৰিচালিত হয় আদমৰ দ্বাৰা। কামশক্তি আৰু অন্যান্য সহজাত প্ৰবৃত্তিসমূহ আদমত সঞ্চিত হৈ থাকে। আদমে

এইবোৰ পূৰণ কৰাৰ বাবে ব্যক্তিক উৎসাহিত কৰি তোলে। সেয়েহে আদমক লিবিডো আৰু অন্যান্য প্ৰবৃত্তিসমূহৰ চৌবাচ্ছা আখ্যা দিয়া হৈছে। আদম গতিশীল হোৱাৰ লগতে আন দুটা মানসিক প্ৰক্ৰিয়া অহং আৰু পৰাহঙক পৰিচালিত কৰে। আদম প্ৰবৃত্তিসমূহৰ চৌবাচ্চা হোৱা হেতুকে ই দৈহিক প্ৰয়োজনীয়তাসমূহৰ সন্তুষ্টিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। "আদম আনন্দদায়ক নীতিৰ ওপৰত প্ৰতিষ্ঠিত।"[৩০] আদমে সদায় মানসিক সন্তুষ্টিৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। যিকোনো প্ৰকাৰে ব্যক্তিমনৰ ইচ্ছাকাংক্ষাসমূহ পূৰণ কৰাৰ বাবে আদমে ব্যক্তিক আগবঢ়াই দিয়ে। মানসিক সন্তুষ্টি লাভেই হৈছে আদমৰ মূল উদ্দেশ্য। আদম বাস্তৱতাৰ প্ৰতি সচেতন নহয়। ই "এক স্বাৰ্থপৰ, আনন্দসন্ধানী, আদিম, অনৈতিক, দৃঢ়, আৰু উচিত-অনুচিত বিচাৰ নকৰা বিন্যাস।"[৩১] আদমে কেতিয়াও শুদ্ধ-অশুদ্ধ, উচিত-অনুচিতৰ বিচাৰ নকৰে। যিকোনো প্ৰকাৰে তাৎক্ষণিকভাৱে সুখ আহৰণ কৰাই হৈছে ইয়াৰ মূল উদ্দেশ্য। আদম হৈছে এক প্ৰকাৰৰ স্বাৰ্থপৰ মানসিক প্ৰবৃত্তি। অন্তৰৰ সহজাত প্ৰবৃত্তিসমূহ পূৰণৰ ক্ষেত্ৰত ই স্বাৰ্থপৰ হৈ উঠে। এনে অৱস্থাত ভাল-বেয়া, উচিত-অনুচিত বিচাৰ কৰাৰ পক্ষপাতী নহয়। এক আদিম উল্লাহেৰে ব্যক্তিয়ে সহজাত প্ৰবৃত্তিসমূহ পূৰণ কৰাৰ বাবে আগবাঢ়ে। এনে পৰিপেক্ষিতত বহুসময়ত ব্যক্তিয়ে আদমৰ দ্বাৰা পীড়িত হৈ অনৈতিক কাৰ্য-কলাপতো লিপ্ত হোৱা পৰিলক্ষিত হয়। আনৰ কথা নভবাকৈ ভুল-শুদ্ধ বিচাৰ নকৰাকৈ ব্যক্তিয়ে যৌন আকাংক্ষা তথা অন্যান্য সহজাত প্ৰবৃত্তিসমূহ পূৰণৰ বাবে আগবঢ়াৰ ক্ষেত্ৰত মূলতঃ আদমে ক্ৰিয়া কৰি থাকে।

**অহং** (Ego) বাস্তৱতাৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰত্যেক ব্যক্তিৰ মাজত নিহিত হৈ থকা মানসিক প্ৰক্ৰিয়াৰ সুসংগঠিত সংগঠনক ফ্ৰয়েডে অহং আখ্যা দিছে। "অহঙৰ সৈতে চেতনা সংযুক্ত হৈ থাকে। ই বাহ্যিক জগতত উত্তেজনা নিৰ্গত হ'ব নোৱাৰাকৈ মনৰ গতিশীলতাক নিয়ন্ত্ৰণ কৰে। অহং হৈছে এক মানসিক কাৰ্য সম্পাদনৰ মাধ্যম; যি সমস্ত উপাদান প্ৰক্ৰিয়া তত্ত্বাৱধান কৰে, যিবোৰ ব্যক্তিৰ নিদ্ৰিত অৱস্থাত সপোনৰ জৰিয়তে অনুমোদিত ৰূপতহে প্ৰকাশ পায়।"[৩২] অহং সচেতন মনৰ লগত সংপৃক্ত হৈ থাকে। আদমে যেতিয়া হিতাহিত জ্ঞানশূন্য হৈ সহজাত প্ৰবৃত্তিসমূহ চৰিতাৰ্থ কৰিবলৈ আগবাঢ়ে তেতিয়া অহঙে তাক নিয়ন্ত্ৰণ কৰি ৰাখে। অহং বাস্তৱতাৰ ওপৰত প্ৰতিষ্ঠিত হোৱাৰ বাবে ই জ্ঞানশূন্য নহয়। ব্যক্তিয়ে সময়-পৰিস্থিতি সাপেক্ষে কেনে আচৰণ কৰিব লাগে সেই সম্পৰ্কে অহং সচেতন হৈ থাকে। সেয়েহে ই মনৰ গতিক নিয়ন্ত্ৰণ কৰি ৰাখি বাহ্যিকভাৱে কোনো উত্তেজনা তথা অপ্ৰীতিকৰ ঘটনা সংঘটিত কৰাৰপৰা ব্যক্তিক আঁতৰাই দিয়ে। প্ৰকৃততে অহঙে ব্যক্তিক সুৰক্ষিত কৰি ৰাখি সেই অনুপাতে পৰিচালিত কৰে। অহঙে বাহ্যিক জগতৰ লগত মনৰ এক সামঞ্জস্যপূৰ্ণ সম্পৰ্ক বজাই ৰাখে। অৰ্থাৎ আদম আৰু পৰাহঙৰ

লগত যোগাযোগ ৰক্ষা কৰি অহঙে এইবোৰৰ কাৰ্যসমূহ বাস্তৱ সত্যতা আৰু অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰে। ফ্ৰয়েডে ঘোঁৰা আৰু ঘোঁৰা চালকৰ মাজৰ সম্পৰ্কৰ উদাহৰণেৰে আদম আৰু অহঙৰ সম্পৰ্কক স্পষ্ট কৰি তুলিছে— "ঘোঁৰা কোনদিশত চেকুৰাব সেয়া সাধাৰণতে ঘোঁৰা চালকজনে নিৰ্ধাৰণ কৰে। কিন্তু কেতিয়াবা ঘোঁৰাই চালকৰ অবাধ্য হৈ নিজ দিশত চেকুৰিবলৈ আৰম্ভ কৰে। এনে পৰিস্থিতিত ঘোঁৰাৰ পৰা বিচ্ছিন্ন ন'হবলৈ চালকজনে ঘোঁৰা যি দিশত গতি কৰে সেই দিশত যাবলৈ বাধ্য হৈ পৰে। ঠিক একেদৰে অহঙেও আদমক কৰ্মলৈ ৰূপান্তৰিত কৰিবলৈ সামৰ্থ হয়।"[৩৩]

**পৰাহং** (Super Ego) নৈতিকতাৰ ওপৰত প্ৰতিষ্ঠিত। ফ্ৰয়েডে বিশ্বাস কৰে যে ৫-৬ বছৰৰ পৰাই ব্যক্তিৰ ব্যক্তিত্বত নৈতিকতাৰ ধাৰণাৰ উদয় হয়। ব্যক্তিৰ সচেতন মনৰ লগত পৰাহং জড়িত। ই ব্যক্তিক সদায়েই সুস্থ-চিন্তা, সুস্থ আচৰণৰ পক্ষে আগবঢ়াই দিয়ে। "পৰাহঙে আনন্দ বা বাস্তৱসন্মত লক্ষ্যত উপনীত হ'বৰ বাবে কোনোধৰণৰ চেষ্টা নকৰে। ই কেৱল নৈতিক পূৰ্ণতাৰ অৰ্থে প্ৰচেষ্টা আগবঢ়ায়। আদমে সন্তুষ্টি পূৰণৰ বাবে হেঁচা দিয়ে, অহঙে ইয়াক বাধা দিয়াৰ চেষ্টা কৰে। আনহাতে পৰাহঙে সকলোতে নৈতিকতাক আহ্বান জনায়। আদমৰ নিচিনাকৈ পৰাহঙে নৈতিকতাৰ লগত কোনো ধৰণৰ আপোচ নকৰে।"[৩৪] আদম নৈতিকতাহীন হোৱাৰ বিপৰীতে পৰাহঙে সম্পূৰ্ণৰূপে নৈতিকতাক সমৰ্থন কৰে। অহঙৰ লেখিয়াকৈ পৰাহঙো সচেতন মনৰ লগত জড়িত হৈ থাকে। সচেতন অৱস্থাত যিবোৰ কাম নৈতিকতাৰ লগত জড়িত সেইবোৰ কাম কৰিবলৈহে পৰাহঙে সমৰ্থন কৰে। নৈতিকতাবিহীন কাৰ্য পৰাহঙৰ কাম্য নহয়। ই মনৰ আনন্দ পূৰণ কৰা বা বাস্তৱসন্মত দিশবোৰৰ প্ৰতি আকৰ্ষিত নহয়। ইয়াৰ বিপৰীতে ই কেৱল নৈতিকতাৰ পৰিপূৰ্ণতাৰ বাবে প্ৰচেষ্টা চলায়।

মানুহৰ **প্ৰবৃত্তি** (Instincts) ৰ ওপৰত ফ্ৰয়েডে আলোকপাত কৰিছে। ফ্ৰয়েডৰ মতে মানুহৰ প্ৰবৃত্তি দুই ধৰণৰ—জীৱন প্ৰবৃত্তি (Sexual Instincts) আৰু মৃত্যু প্ৰবৃত্তি (Death Instincts) । ফ্ৰয়েডে "জীৱন প্ৰবৃত্তিক যৌন প্ৰবৃত্তি অথবা কামস্পৃহা আখ্যা দিছে। লগতে ই এক আত্মৰক্ষামূলক প্ৰবৃত্তি। আৱেগ-অনুভূতি তথা যৌন বাসনা চৰিতাৰ্থ কৰাই হৈছে জীৱন প্ৰবৃত্তিৰ মূল লক্ষ্য।"[৩৫] জীৱন প্ৰবৃত্তিয়ে ব্যক্তিক জীৱনৰ প্ৰতি অত্যুৎসাহী কৰি তোলে। জীৱন প্ৰবৃত্তিয়ে জীৱনটো আনন্দদায়ক আৰু সুস্থিৰ কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰে। তাৰবাবে ই ব্যক্তিৰ আৱেগ-অনুভূতি, ইচ্ছাকাংক্ষা, যৌন প্ৰবৃত্তিবোৰ পূৰণ কৰাৰ অনুমতি প্ৰদান কৰে। জীৱন প্ৰবৃত্তিয়ে প্ৰকৃততে জীৱনক ৰক্ষণাবেক্ষণ দিয়ে। মানসিকভাৱে এক সুস্থ জীৱন-যাপনৰ বাবে প্ৰয়োজনীয় সকলোবোৰ বিষয়ত ই গুৰুত্ব প্ৰদান কৰে।

ফ্ৰয়েডে জীৱ বিজ্ঞানৰদ্বাৰা সমৰ্থিত তাত্ত্বিক বিবেচনাৰ ভিত্তিত মৃত্যু প্ৰবৃত্তিৰ ধাৰণা আগবঢ়াইছে। মৃত্যু প্ৰবৃত্তিয়ে জৈৱ জীৱনক জড় অৱস্থালৈ নিয়ে। জীৱন প্ৰবৃত্তিৰ বিপৰীত অৱস্থা হৈছে মৃত্যু প্ৰবৃত্তি। "মৃত্যু প্ৰবৃত্তিৰ এটি উপাদান হৈছে আক্ৰমণাত্মক তাড়না, যাক মৃত্যুৰ ইচ্ছা হিচাপে চাব পাৰোঁ। মৃত্যুৰ ইচ্ছাটো নিজৰ বাহিৰে অন্য বস্তুৰ বিৰুদ্ধে অৱস্থিত হোৱা লক্ষ্য কৰা যায়। আক্ৰমণাত্মক তাড়নাই আমাক ধ্বংস, জয় আৰু হত্যা কৰিবলৈ বাধ্য কৰে। ফ্ৰয়েডে আক্ৰমণাত্মক তাড়নাক যৌনতাৰ দৰে মানৱ প্ৰবৃত্তিৰ এটা অংশ হিচাপে গণ্য কৰিছে।"[৩৬] মৃত্যু প্ৰবৃত্তিৰ অন্তৰ্গত আক্ৰমণাত্মক তাড়না এনেকুৱা এটা বিষয় য'ত আনৰ মৃত্যুত ব্যক্তিয়ে সুখ লাভ কৰে। বহুসময়ত দেখা যায় যে ব্যক্তিয়ে ব্যক্তিগত জীৱনত মানসিক দুখ-কষ্টৰ সন্মুখীন হ'লে আনেও তেনে দুখ-কষ্ট পোৱাটো অন্তৰেৰে কামনা কৰে। কেতিয়াবা ব্যক্তিয়ে নিজে লাভ কৰা দুখ-যন্ত্ৰণা আনে পোৱাটো নিবিচাৰে যদিও বহুসময়ত তাৰ বিপৰীত হোৱা দেখা যায়। আনক দুখ-যন্ত্ৰণা তথা মানসিক জটিলতাত ভোগা প্ৰত্যক্ষ কৰিলে ব্যক্তিয়ে মানসিক পৰিতৃপ্তি লাভ কৰে। আকৌ নিজে মানসিক জটিলতাত ভুগি থাকিলে আনক আঘাত কৰা, কষ্ট দিয়া আদি ব্যক্তিৰ কিছুমান মনস্তাত্ত্বিক দিশ। এইবোৰ কাৰ্যই ব্যক্তিক নিজে ধ্বংস হোৱাৰপৰা ৰক্ষা কৰে। যৌন প্ৰবৃত্তি এক স্বাভাৱিক প্ৰবৃত্তি হোৱাৰ দৰে আক্ৰমণাত্মক তাড়নাও মানুহৰ প্ৰবৃত্তিৰ এক অন্যতম গুৰুত্বপূৰ্ণ অংশ। জীৱনৰ ধাৰাবাহিকতা মৃত্যু আৰু জীৱন এই দুটি প্ৰবৃত্তিৰ মাজত দ্বন্দ্ব আৰু সামঞ্জস্যতাৰ মাজেৰে আগবাঢ়ে। জীৱন প্ৰবৃত্তিৰ লগত জড়িত এটি অন্যতম বিষয় হৈছে **লিবিডো** বা কামশক্তি (Libido)। ফ্ৰয়েডে কামশক্তিৰ ওপৰত অধিক গুৰুত্ব দিছে। "জীৱন প্ৰবৃত্তিৰদ্বাৰা প্ৰকট হোৱা মানসিক শক্তিয়েই কামশক্তি। কামশক্তিক বস্তুৰ সৈতে সংলগ্ন বা বিনিয়োগ কৰা ধাৰণাক ফ্ৰয়েডে 'কেথেক্সি' আখ্যা দিছে।"[৩৭] ব্যক্তিৰ সকলো কাম-কাজ, আচাৰ-আচৰণৰ অন্তৰালত যৌন প্ৰবৃত্তি নিহিত হৈ থকাৰ কথা ফ্ৰয়েডে উল্লেখ কৰিছে। কামশক্তি ব্যক্তিৰ জীৱন প্ৰবৃত্তিৰ লগত জড়িত এটি অন্যতম বিষয়। অহং গঠনৰ প্ৰক্ৰিয়াত জড়িত বা দুৰ্বল হৈ থকাৰ সময়ত কামশক্তি আদমত সঞ্চিত হৈ থাকে। আদমে কামশক্তিৰ ভিতৰুৱা কামুক বস্তুক কেথেক্সিলৈ পঠিয়ায়। অহং শক্তিশালী হোৱাৰ সময়ত কামশক্তিক ধৰি ৰাখিবলৈ চেষ্টা কৰে আৰু আদমত নিজকে এক প্ৰেম বিষয়ক ৰূপ হিচাপে শক্তিশালী কৰি তোলে। ফ্ৰয়েডৰ মতে কামশক্তি কেৱল বিপৰীত লিংগৰ প্ৰতি থকা আকৰ্ষণতেই সীমিত নহয়। কামশক্তিৰ ফলত সমলিংগৰ প্ৰতিও ব্যক্তিৰ যৌনাকৰ্ষণ গঢ়ি উঠিব পাৰে। ব্যক্তিৰ নিজৰ প্ৰতি আকৰ্ষণ তথা জীৱ-জন্তুৰ প্ৰতিও গঢ়ি উঠা আকৰ্ষণো কামশক্তিৰ অন্তৰ্গত। যৌনতা বা কামশক্তিয়েই ব্যক্তিৰ জীৱনত গভীৰভাৱে প্ৰভাৱ

পেলায়। ব্যক্তিৰ জীৱনত যৌনতা শৈশৱতে গঢ় লৈ উঠে। “জন্মৰ সময়তেই নৱজাতকে যৌন চেতনা লগত লৈ আহে আৰু ক্ৰমাৎ ই বিকাশপ্ৰাপ্ত হয়। কিন্তু পৰৱৰ্তী সময়ত গতিশীল দমনৰ দ্বাৰা অৱদমিত হৈ থাকে।”[৩৮] অৰ্থাৎ শৈশৱৰেপৰা শিশুৰ অন্তৰত যৌন চেতনা নিহিত হৈ থাকে। ফ্ৰয়েডৰ মতে জন্মৰ সময়তে যৌন চেতনা লগত লৈ অহা নৱজাতক এটাৰ যৌন চেতনা বয়স বঢ়াৰ লগে লগে সেই অনুপাতে বিকাশ হৈ গৈ থাকে। এই যৌন চেতনাক পৰৱৰ্তী সময়ত শিশুই দমন কৰিবলৈ সক্ষম হয়। এইবোৰে তেতিয়া অৱচেতন মনত অৱদমিত হৈ ৰৈ যায় আৰু শিশুৰ চেতনাৰপৰা নোহোৱা হয়। “শিশুৰ মুখ, গুহ্যদ্বাৰ আৰু যৌনাংগৰপৰা উদ্ভৱ হোৱা শাৰীৰিক সুখ জীৱনৰ প্ৰথম পাঁচ বছৰতে বিকাশ হয় বুলি ফ্ৰয়েডে বিশ্বাস কৰিছিল। যাক ফ্ৰয়েডে কামোদ্দীপক অঞ্চল(Erogenous zone) আখ্যা দিছে।”[৩৯] ব্যক্তিৰ যৌন ব্যক্তিত্বৰ বিকাশৰ পাঁচটা পৰ্যায়ৰ কথা ফ্ৰয়েডে উল্লেখ কৰিছে— ক) মৌখিক পৰ্যায় (Oral Stage) খ) গুহ্যদ্বাৰ সম্বন্ধীয় পৰ্যায় (Anal Stage) গ) লিংগ পৰ্যায় (Phallic Stage) ঘ) অদৃশ্য পৰ্যায় (Latency Stage) আৰু জননেন্দ্ৰিয় পৰ্যায় (Genital Stage)।[৪০]

মনোযৌন বিকাশৰ প্ৰথম পৰ্যায় হৈছে মৌখিক পৰ্যায়। ই জন্মৰ পৰৱৰ্তী দ্বিতীয় বছৰলৈ স্থায়ী হয়। এই সময়ছোৱাত শিশুৰ আনন্দৰ মূল উৎস হৈছে মুখ। “ফ্ৰয়েডে মৌখিক ক্ৰিয়া-কলাপৰপৰা লাভ কৰা যৌন তৃপ্তিৰ ওপৰত অধিক জোৰ প্ৰদান কৰিছিল।”[৪১]

দ্বিতীয় পৰ্যায়টো হৈছে গুহ্যদ্বাৰ সম্বন্ধীয় পৰ্যায়। “গুহ্যদ্বাৰ অঞ্চলটো শৰীৰৰ অন্যান্য কাৰ্যসমূহৰ সৈতে কামুকতা বা যৌনতা সঞ্চালনৰ বাবে অভিযোজিত। শৰীৰৰ এই অংশত কামোদ্দীপন অতি বেছি।”[৪২]

লিংগ অঞ্চল প্ৰাক্ যৌনাংগ বা শৈশৱ পৰ্যায়ৰ শেষ স্তৰ। “এই স্তৰত শিশুই নিজৰ লগতে খেলৰ সংগীসকলৰ যৌনাংগ অন্বেষণ তথা কৌশলগতভাৱে স্পৰ্শ কৰিবৰ বাবে যত্ন কৰে।”[৪৩]

শৈশৱকালত গঢ় লৈ উঠা যৌন বাসনা অদৃশ্য পৰ্যায়ত সুপ্ত হৈ থাকে। পাঁচ বছৰৰ পৰা ছয় বছৰলৈকে যৌন বাসনা শান্ত হৈ থাকে। আদম, অহং, পৰাহং এই সময়ছোৱাত গঢ় লৈ উঠাৰ লগতে ই যৌন আকাংক্ষাকো নিয়ন্ত্ৰিত কৰে। এই সময়ছোৱাত শিশু বাস্তৱতাৰ লগত পৰিচয় হোৱাৰ লগতে নৈতিকতাৰ জ্ঞান উদয় হয়। শিশুই ভাল-বেয়া বিচাৰ কৰিব পৰা মানসিক শক্তি লাভ কৰে। সেয়েহে এই সময়ছোৱাত যৌনাকাংক্ষা নিয়ন্ত্ৰিত হৈ থাকে।

বয়ঃ সন্ধিকালত জননেন্দ্ৰিয় পৰ্যায় আৰম্ভ হোৱাৰ লগতে মনোযৌন পৰ্যায়টো চূড়ান্ত হয়। “এই স্তৰৰ যৌন গতি-বিধিসমূহ বাস্তৱিক জননেন্দ্ৰিয়ৰ সৈতে সম্পৰ্কিত হোৱাৰ লগতে পৰৱৰ্তী

সুস্থ স্বাভাৱিক যৌন জীৱনৰ আৰম্ভণিও কৰে।”[৪৪] অৰ্থাৎ এই সময়ছোৱাত ব্যক্তি সুস্থ স্বাভাৱিক যৌন জীৱন যাপনৰ বাবে উপযুক্ত হৈ উঠে।

ফ্ৰয়েডীয় মনোবিশ্লেষণ তত্ত্বৰ আন এক উল্লেখযোগ্য বিষয় হৈছে **ইডিপাছ কমপ্লেক্স** (Oedipus Complex)। ফ্ৰয়েডৰ মতে শৈশৱতে শিশুৱে বিপৰীত লিংগৰ প্ৰতি আকৰ্ষিত হয়। শৈশৱ অৱস্থাতে পুত্ৰই মাতৃৰ প্ৰতি বিশেষ আকৰ্ষণ অনুভৱ কৰে। যাৰফলত মাতৃক নিজৰ একান্ত সম্পত্তি আৰু পিতৃক প্ৰতিদ্বন্দ্বী হিচাপে গণ্য কৰে। একেধৰণে কন্যা সন্তানে পিতৃৰ সৈতে সম্পৰ্ক স্থাপনৰ তাড়নাত মাতৃক বিৰোধী হিচাপে গণ্য কৰে। “শৈশৱতে গঢ় লৈ উঠা এনেধৰণৰ মানসিকতাক ফ্ৰয়েডে ইডিপাছ কমপ্লেক্স আখ্যা দিছে; যিটো মাতৃক লাভ কৰাৰ প্ৰৱণতাৰ বাবে পুত্ৰই পিতৃক হত্যা কৰা ৰূপকথাৰ আলমত গঢ় লৈ উঠিছে।”[৪৫] ফ্ৰয়েডৰ মতে এটি শিশুৱে ৩ বছৰৰ পৰা ৬ বছৰৰ ভিতৰত যৌনাকাংক্ষা সম্পৰ্কত অৱগত হয়। এই সময়ছোৱাত যিকোনো শিশুৰ বিপৰীত লিংগৰ প্ৰতি আকৰ্ষণ গঢ় লৈ উঠে। “শিশুসকলে অধিক সময় মাক-দেউতাকৰ লগত কটায়। তেওঁলোকৰ পৰিয়ালৰ ভিতৰতে গোটেই পৃথিৱীখন সাঙোৰ খাই থাকে।”[৪৬] সেয়েহে এই সময়ছোৱাতে পুত্ৰ সন্তানৰ মাতৃৰ প্ৰতি আৰু কন্যা সন্তানৰ পিতৃৰ প্ৰতি অৱচেতন মনত আকৰ্ষণ জাগি উঠে। পুত্ৰৰ অৱচেতন মনে মাতৃক আৰু কন্যাই পিতৃক একান্তভাৱে লাভ কৰিব বিচৰা হেতুকে তেওঁলোকৰ এই আকাংক্ষা পূৰণৰ পথত হেঙাৰ হোৱা সকলৰ প্ৰতি মনত বিৰোধৰ সৃষ্টি হয়। ফ্ৰয়েডে ইডিপাছ কমপ্লেক্সৰ অভিধাটো ল'ৰা আৰু ছোৱালী উভয় ক্ষেত্ৰতে ব্যৱহাৰ কৰিছিল। “অৱশ্যে শিশুৰ মনত গঢ় লৈ উঠা এনেধৰণৰ যৌনাকাংক্ষা বয়স বঢ়াৰ লগে লগে নোহোৱা হৈ গৈ থাকে। পুত্ৰৰ বাবে পিতৃ এজন শিক্ষক নাইবা অভিভাৱক হৈ উঠে। এইক্ষেত্ৰত ধৰ্ম, নৈতিকতা আৰু সামাজিক চেতনাই বিশেষ ভূমিকা গ্ৰহণ কৰাৰ কথা ফ্ৰয়েডে উল্লেখ কৰিছে।”[৪৭] বয়স বঢ়াৰ সমান্তৰালভাৱে শিশুৰ মনত গঢ় লৈ উঠা ইডিপাছ কমপ্লেক্স নোহোৱা হয়। বয়স বঢ়াৰ লগে লগে শিশু সামাজিক পাৰিপাৰ্শ্বিকতাৰ সৈতে জড়িত হৈ পৰে। এই সময়ছোৱাত তেওঁলোকে ধৰ্ম, নৈতিকতা আদি বিষয়ৰ জ্ঞান লাভ কৰে। সামাজিক চেতনাই নৈতিকতাৰ দিশবোৰ চালি-জাৰি চোৱাৰ বাবে শিশুক উপযুক্ত কৰি তোলে। এনে অৱস্থাত তেওঁলোকৰ অন্তৰৰ পৰা পিতৃৰ সৈতে বা মাতৃৰ সৈতে যৌন সম্পৰ্ক স্থাপনৰ আকাংক্ষা লুপ্ত হয়। তাৰ পৰিৱৰ্তে সন্তানে পিতৃ-মাতৃক জীৱন আৰু জগতৰ লগত পৰিচয় কৰি দিয়া একো-একোজন শিক্ষক অথবা অভিভাৱকৰ দৃষ্টিৰে চাবলৈ আৰম্ভ কৰে। ইয়াৰ পৰিপেক্ষিতত সন্তানৰ অৱচেতন মনত পিতৃ-মাতৃৰ প্ৰতি গঢ় লৈ উঠা যৌনচেতনা নোহোৱা হয়। নৈতিকতা আৰু সামাজিক চেতনাই এইক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়ায়।

সন্তানৰ ইডিপাছ কমপ্লেক্সৰ ফলত পিতৃ-মাতৃৰ প্ৰতি অন্তৰত যিধৰণৰ আকাংক্ষা গঢ় লৈ উঠে সেয়া পৰিয়ালত অন্য শিশুৰ উপস্থিতিত জটিলতাৰ ৰূপ লয়। অৰ্থাৎ ভাতৃ-ভগ্নীৰ উপস্থিতিত পিতৃ বা মাতৃয়ে তেওঁলোকৰ প্ৰতি অধিক গুৰুত্ব প্ৰদান কৰা দেখিলে ইডিপাছ কমপ্লেক্সত ভোগা শিশুই তেওঁলোকৰ ভাতৃ-ভগ্নীক শত্ৰু হিচাপে গণ্য কৰে। নিজৰে সহোদৰ ভাতৃ-ভগ্নীৰ প্ৰতি ঘৃণাৰ উদ্ৰেক ঘটে—"অন্যান্য শিশুৰ উপস্থিতিত ইডিপাছ কমপ্লেক্স পাৰিবাৰিক জটিলতাত পৰিণত হয়।"[৪৮] ইডিপাছ কমপ্লেক্সত ভোগা পুত্ৰ সন্তানে মাতৃক আৰু কন্যা সন্তানে পিতৃক নিবিড়ভাৱে পাব বিচাৰে। সকলো সময়তে পিতৃ-মাতৃয়ে তেওঁলোকক গুৰুত্ব দিয়া তথা তেওঁলোকক কেন্দ্ৰ কৰিয়েই পিতৃ-মাতৃৰ জীৱন পৰিচালিত হোৱাটো বিচাৰে। তেনেস্থলত পৰিয়ালত ভাতৃ-ভগ্নীৰ আগমনত সেই শিশু অস্তিত্বৰ সংকটত ভোগে। পিতৃ-মাতৃয়ে ভাতৃ-ভগ্নীক স্নেহ, মৰম কৰা দেখিলে এনে শিশুৰ অন্তৰত তীব্ৰ অন্তৰ্দ্বন্দ্বৰ সৃষ্টি হয়। তেওঁলোকে কোনো কাৰণতে পিতৃ-মাতৃক আনৰ সৈতে ভগাই লোৱাৰ পক্ষপাতী নহয়। ইয়াৰ পৰিণতিস্বৰূপে নিজ ভাতৃ-ভগ্নীক শত্ৰু জ্ঞান কৰিবলৈ আৰম্ভ কৰে। বহুসময়ত ভাতৃ-ভগ্নীক আঘাত কৰাৰ প্ৰৱণতাও অৱচেতন মনত গঢ় লৈ উঠে। এনেদৰেই ই পাৰিবাৰিক জটিলতাত পৰিণত হয়।

অতীতৰপৰাই **সপোন** (Dream) এ বিভিন্নজনৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। সপোন আৰু ইয়াৰ প্ৰকৃতি সম্পৰ্কত পণ্ডিতসকলৰ মাজত বহু সময়ত চিন্তাৰ উদ্ৰেক ঘটিছে। প্ৰাচীন পণ্ডিতসকলে সপোনক এক ঐশ্বৰিক গুৰুত্ব প্ৰদান কৰিছিল। সপোন দেখাজনক কোনো কথাত সতৰ্ক কৰিবৰ বাবে ভৱিষ্যতবাণী কৰাৰ উদ্দেশ্যে ঈশ্বৰে সপোনৰ সৃষ্টি কৰিছিল বুলি প্ৰাচীনকালত বিশ্বাস কৰা হৈছিল। "পোনপ্ৰথমে সপোনৰ লগত মনস্তত্ত্বক সামৰি আলোচনা আগবঢ়াইছিল দাৰ্শনিক এৰিষ্ট'টলে।"[৪৯] তেওঁ বিশ্বাস কৰিছিল যে সপোন দৈৱপ্ৰকৃতিৰ হ'লেও স্বৰ্গীয় নহয়। তেওঁৰ সপোনৰ কিছুমান চৰিত্ৰৰ সৈতে পৰিচয় হৈছিল। ইয়াৰ ওপৰত ভিত্তি কৰি তেওঁ কৈছিল যে নিদ্ৰিত অৱস্থাত অনুভূত সামান্য সংবেদনাকো সপোনে মহান সংবেদনালৈ পৰিণত কৰিব পাৰে। সেয়েহে সপোনে চিকিৎসকক সহজে বিভ্ৰান্ত কৰিব পাৰে বুলি এৰিষ্ট'টলে মত পোষণ কৰিছিল।

সপোনৰ বিজ্ঞানসন্মত বিশ্লেষণ আগবঢ়াই এক মনস্তাত্বিক বিষয় হিচাপে প্ৰতিষ্ঠা কৰিছিল ফ্ৰয়েডে। ১৯০০ চনত প্ৰকাশ পোৱা ফ্ৰয়েডৰ *The Interpretation Of Dreams* নামৰ গৱেষণাধৰ্মী গ্ৰন্থখনে সপোনৰ নতুন নতুন ব্যাখ্যা কিছুমান তুলি ধৰে। ফ্ৰয়েডৰ মতে "সপোন হৈছে এক গুৰুত্বপূৰ্ণ মানসিক কলা। সকলো সময়তে এক ইচ্ছা পূৰণেই ইয়াৰ উদ্দেশ্য শক্তি। সপোনৰ গঠনৰ সময়ত অদৃশ্য ইচ্ছা আৰু ইয়াৰ গুৰুত্বতা তথা অযৌক্তিকতাসমূহ নিহিত হৈ

থাকে।"[৫০] অৰ্থাৎ সপোন হৈছে ব্যক্তিৰ অৱচেতন মনৰ ইচ্ছাকাংক্ষা প্ৰকাশৰ এটি অন্যতম মাধ্যম। বিভিন্ন কাৰণবশতঃ ব্যক্তিৰ অৱচেতন মনত অৱদমিত আশা-আকাংক্ষা, কামনা-বাসনাৰ প্ৰকাশ ঘটে সপোনৰ জৰিয়তে—"ব্যক্তিৰ শায়িত অৱস্থাত অৱচেতন স্তৰত অৱদমিত ইচ্ছাকাংক্ষাসমূহৰ প্ৰকাশৰ পথ মুকলি হয় আৰু সপোনৰ মাধ্যমেৰে ই প্ৰকাশ লাভ কৰে।"[৫১] সেয়েহে ফ্ৰয়েডে "সপোনক অৱচেতন মনৰ সিংহ দুৱাৰ আখ্যা দিছে।"[৫২] সিংহ দুৱাৰ হৈছে ৰজাৰ নগৰ বা ৰাজধানীলৈ প্ৰৱেশ কৰা প্ৰধান দুৱাৰ বা কোনো নগৰ আদিলৈ যিটো মূল পথেৰে প্ৰৱেশ কৰিব লাগে সেইটোকে সিংহ দুৱাৰ আখ্যা দিয়া হয়। সপোনৰ পথেৰে ব্যক্তিৰ অৱচেতন স্তৰত অৱদমিত ইচ্ছাকাংক্ষাসমূহ সচেতন স্তৰত প্ৰৱেশ কৰে বাবে সপোনক সিংহ দুৱাৰ বোলা হৈছে। সপোনৰ জৰিয়তে ব্যক্তিয়ে নিজৰ অৱদমিত ইচ্ছাকাংক্ষাৰ সৈতে পৰিচয় হ'ব পাৰে।

ফ্ৰয়েডে সপোনৰ বিষয়বস্তুক দুটা ভাগত বিভক্ত কৰিছে—'প্ৰকাশিত বিষয়বস্তু' (Manifest Content) আৰু 'সুপ্ত বিষয়বস্তু' (Latent Content)। "যিবোৰ সপোনত বিষয়বস্তু স্পষ্টকৈ প্ৰকাশ পায় সেইবোৰ প্ৰকাশিত বিষয়বস্তুৰ সপোন। আনহাতে প্ৰকাশিত বিষয়বস্তুৰ অন্তৰালত নিহিত হৈ থকা প্ৰতীকি অৰ্থসমূহ সুপ্ত বিষয়বস্তুৰ অন্তৰ্গত। সপোনৰ সুপ্ত বিষয়বস্তুক কেৱল ধাৰণাৰ বিশ্লেষণৰ মাধ্যমেৰে উপলব্ধি কৰিব পৰা যায়।"[৫৩] সপোন সকলো সময়তে স্পষ্ট নহয়। কেতিয়াবা কেতিয়াবা সপোনৰ বিষয়বস্তু অস্পষ্ট হৈ ৰয়। তেতিয়া সপোন দেখা ব্যক্তিজনে সেয়া সম্পূৰ্ণকৈ অনুধাৱন কৰিব নোৱাৰে। প্ৰকাশিত বিষয়বস্তুৰ সপোনবোৰ স্পষ্টকৈ প্ৰকাশ পায়। আনহাতে কিছুমান সপোন প্ৰতীকাত্মক ৰূপত প্ৰকাশ লাভ কৰে। অৰ্থাৎ এইবোৰৰ অন্তৰালত আন কোনো বিষয় বা কাৰণ নিহিত হৈ থাকে। প্ৰকাশিত বিষয়বস্তুৰ সপোনৰ অন্তৰালতো কিছুমান প্ৰতীকি অৰ্থ লুকাই থাকে। এইবোৰেই সুপ্ত বিষয়বস্তুৰ অন্তৰ্গত। বিষয়টো ভালদৰে অনুধাৱন কৰি সেই সম্পৰ্কত হ'ব পৰা বিভিন্ন ধাৰণাক বিশ্লেষণ কৰি সেইবোৰৰ মৰ্মাৰ্থ অনুধাৱন কৰাটো সম্ভৱ।

ফ্ৰয়েডৰ মতে সপোনৰ অন্তৰ্নিহিত বিষয়বস্তুক সচেতন মনৰ অগোচৰ হোৱাকৈ খণ্ডিত ৰূপত প্ৰকাশ কৰিবলৈ অৱচেতন মনে কিছুমান পন্থা গ্ৰহণ কৰে। ঘনীকৰণ (Condensation), স্থানান্তৰকৰণ (Displacement) আৰু প্ৰতীকিকৰণ (Symbolism) হৈছে ফ্ৰয়েডে উল্লেখ কৰা এনেধৰণৰ তিনিটা পন্থা।[৫৪] "ঘনীকৰণ প্ৰক্ৰিয়া তিনিধৰণে ঘটে— ক) কিছুমান সুপ্ত উপাদান সম্পূৰ্ণৰূপে এৰি দিয়ে । খ) সুপ্ত সপোনৰ বিভিন্ন জটিলতাৰ পৰা মাত্ৰ এটা খণ্ড প্ৰকাশ্য সপোনলৈ লৈ যায়। গ) সুপ্ত সপোনৰ উমৈহতীয়াবোৰ প্ৰকাশ্য সপোনৰ বাবে সংগ্ৰহ আৰু সকলোবোৰ একত্ৰিত কৰে।"[৫৫] বিষয়বস্তুৰ ঘনীকৰণ প্ৰক্ৰিয়াই অৱচেতন মনৰ বহুবোৰ ধাৰণাক একেটা সপোনৰ পৰিসীমাত প্ৰকাশ কৰে।

সপোনৰ দ্বিতীয়টো পন্থা হৈছে স্থানান্তৰকৰণ। "স্থানান্তৰকৰণ প্রক্রিয়াই অনুমোদিত ৰূপত অৱচেতন মনৰ ইচ্ছাকাংক্ষাক সপোনৰ জৰিয়তে প্রকাশ কৰে।"[৫৬]

সপোনৰ তৃতীয়টো পন্থা প্রতীকিকৰণত প্রতীকৰ জৰিয়তে সপোনৰ বিষয়বস্তু প্রকাশ পায়। এই প্রতীকসমূহ সকলোৰে ক্ষেত্রত একেধৰণেই প্রযোজ্য হয়। এনেধৰণৰ সপোনত প্রতীকি অৰ্থটো অনুধাৱন কৰিব পাৰিলে ব্যক্তিয়ে সপোনটোৰ মৰ্মাৰ্থ বুজিবলৈ সক্ষম হ'ব। এইসম্পৰ্কে কোৱা হৈছে— "প্রতীকিকৰণ প্রক্রিয়াত কিছুমান বিষয়বস্তু বা উপাদান এটি সাৰ্বজনীনভাৱে প্রযোজ্য প্রতীকৰ জৰিয়তে সপোনত প্রকাশ লাভ কৰে।"[৫৭] ফ্রয়েডৰ মতে "সপোনৰ উপাদানসমূহ হৈছে স্বয়ং অৱচেতন সপোনৰ চিন্তাৰ প্রতীক।"[৫৮] উল্লেখযোগ্য যে সপোনৰ প্রতীকিকৰণ মনোবিশ্লেষণৰ মাধ্যমত আৱিষ্কাৰ হোৱা নাই যদিও ই মনোবিশ্লেষণৰ ক্ষেত্ৰখনত গুৰুত্বপূৰ্ণ ভূমিকা গ্রহণ কৰিছে। "দাৰ্শনিক কে. এ শেৰনাৰ (K.A.Scherner) সপোনৰ প্রতীকবাদৰ আৱিষ্কাৰক; যিয়ে আধুনিক সময়ত ইয়াৰ গুৰুত্বতা প্রতিপন্ন কৰিছিল।"[৫৯] সপোনৰ বিশ্লেষণত প্রতীকে বিশেষ ভূমিকা গ্রহণ কৰে। আমি দেখা "সপোনৰ প্রতীকসমূহৰ অধিকাংশই যৌন প্রতীক (Sex Symbol)"[৬০] বুলি ফ্রয়েডে উল্লেখ কৰিছে। ফ্রয়েডৰ মতে "সপোনৰ অধিকাংশ উপাদান নাৰী-পুৰুষৰ জননেন্দ্রিয়ৰ প্রতীক। সকলোধৰণৰ প্রসাৰিত বস্তু, লাঠি, গছৰ গুৰি, ছাতি, ধাৰাল অস্ত্র, ছুৰি, শেল আদিয়ে পুৰুষ জনন ইন্দ্রিয়ক নিৰ্দেশ কৰে। আকৌ সৰু সঁফুৰা, বাকচ, মূল্যৱান সামগ্ৰী থোৱা সৰু বাকচ, সৰু কোঠা, চৌকা আদিয়ে নাৰীৰ অংগক প্রতিনিধিত্ব কৰে।"[৬১] ফ্রয়েডে শিশুৰ সপোনৰো মনস্তাত্ত্বিক বিশ্লেষণ আগবঢ়াইছে। "সাধাৰণতে শিশুৰ দৈনিক অভিজ্ঞতাসমূহ সপোনৰ মাধ্যমেৰে প্রকাশ ঘটে। শিশুৰ দৈনন্দিন অভিজ্ঞতাত ৰৈ যোৱা কোনো অনুশোচনা, আকাংক্ষা, বা অপূৰ্ণ ইচ্ছা সপোনত পূৰ্ণতা লাভ কৰে।"[৬২] দৈনন্দিন জীৱনত বাহ্যিক পৰিৱেশত শিশুৰ যি অভিজ্ঞতা হয় সেই অভিজ্ঞতাবোৰেই শিশুৰ সপোনত প্রকাশ লাভ কৰে। এনেবোৰ ক্ষেত্রত তেওঁলোকৰ অন্তৰত যিবোৰ ইচ্ছাকাংক্ষা অপূৰণীয় হৈ ৰৈ যায় সেইবোৰ সপোনৰ জৰিয়তে পূৰ্ণতা লাভ কৰে। উদাহৰণস্বৰূপে শিশুই যদি কোনো শাস্তি পাবলগীয়া দোষজনক কাম কৰে আৰু সেই লৈ অনুশোচনা হোৱাৰ পিছতো ভয়, শংকা আদি বিভিন্ন কাৰণত সংশ্লিষ্টজনৰ সন্মুখত স্বীকাৰ কৰিব নোৱাৰিলে সেয়া সপোনত পূৰ্ণ হয়।

সপোনক অবাস্তৱ বুলি ভবাৰ পৰিৱৰ্তে সপোনৰ বাস্তৱসন্মত যিটো ভেঁটি সেই ভেঁটিটোৰ কথা ফ্রয়েডে স্বীকাৰ কৰিছে। ব্যক্তিৰ জীৱন অভিজ্ঞতা তথা ব্যক্তিৰ ব্যৱহাৰিক জীৱনৰ লগত সপোনৰ এটা সম্পৰ্ক থাকে এই কথাটো ফ্রয়েডে স্পষ্টকৈ কৈছে। সপোনৰ তাৎপৰ্য বিচাৰৰ ক্ষেত্রত ফ্রয়েডৰ

কথাখিনি বৰ গুৰুত্বপূৰ্ণ। সপোন অমূলক নহয়। সপোনক বুজিবলৈ সপোনৰ যিবোৰ উপাদান সেই উপাদানবোৰৰ প্ৰতীকাত্মক তাৎপৰ্যটো বিচাৰ কৰিব পাৰিলেহে আমি সপোনৰ বাস্তৱৰ সৈতে যি সম্পৰ্ক সেই সম্পৰ্ক নিৰূপণ কৰিব পাৰিম। ফ্ৰয়েডে *The Interpretation Of Dreams* ত তেওঁৰ ৰোগীবোৰে দেখা সপোনৰ বিশ্লেষণ কৰিছে। ফ্ৰয়েডে সপোনবোৰক সংশ্লিষ্ট ব্যক্তিৰ জীৱন অভিজ্ঞতা আৰু পাৰিপাৰ্শ্বিকতাৰ পৰিপেক্ষিতত বিশ্লেষণ কৰি ব্যক্তিৰ মনস্তাত্ত্বিক জটিলতাসমূহক অন্বেষণ কৰাৰ চেষ্টা কৰিছিল সপোনৰ বিশ্লেষণৰ জৰিয়তে। ইয়াৰ জৰিয়তে এটা কথা প্ৰতীয়মান হয় যে সপোন অবাস্তৱ নহয়। সপোনে সংশ্লিষ্ট ব্যক্তিৰ মানসিক, সামাজিক, পাৰিবাৰিক পাৰিপাৰ্শ্বিকতাৰ প্ৰসংগসমূহক চুই যায়। তাৰ যি প্ৰতীকাত্মক তাৎপৰ্য বা ইংগিতময়ী যি তাৎপৰ্য সেই তাৎপৰ্যটোক বিচাৰ কৰিব পাৰিব লাগিব। অমূলক বা কাল্পনিক কথা যেন লগা সপোনক ফ্ৰয়েডে সংশ্লিষ্ট ব্যক্তিজনৰ মানসিক, সামাজিক, পাৰিবাৰিক পাৰিপাৰ্শ্বিকতাৰ সৈতে সাঙুৰি বিশ্লেষণ কৰিছে।

ফ্ৰয়েডে ব্যক্তিৰ মনস্তত্ত্ব গঠনত **পৰিয়াল চক্ৰ**ৰ প্ৰাসংগিকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। মনস্তত্ত্ব গঢ় লৈ উঠে পৰিয়ালৰ মাজত। জন্মৰ পিছৰে পৰা এটি শিশু নিজৰ পিতৃ-মাতৃ তথা পৰিয়ালৰ মাজত সময় কটাই ডাঙৰ-দীঘল হয়। সেয়েহে শিশুৰ জীৱনত পৰিয়ালৰ প্ৰভাৱ অপৰিসীম। পৰিয়ালত লাভ কৰা ভাল-বেয়া সকলোধৰণৰ অভিজ্ঞতাই শিশুৰ মনোজগতত গভীৰভাৱে ৰেখাপাত কৰে। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই শিশুৰ আচাৰ-আচৰণ, ধৰণ-কৰণ আদি গঢ় লয়। অৰ্থাৎ ব্যক্তিৰ মনস্তত্ত্ব গঠনত পৰিয়াল প্ৰসংগৰ গুৰুত্ব সৰ্বাধিক। পৰিয়ালৰ অস্তিত্বক বাদ দি ব্যক্তিৰ জীৱন সম্ভৱ নহয়। জীৱনৰ প্ৰতিটো স্তৰতে পৰিয়ালৰ প্ৰাসংগিকতাই ব্যক্তিৰ জীৱনত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। “মনোবিশ্লেষণাত্মক তত্ত্বত পৰিয়াল প্ৰসংগ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। পাৰিবাৰিক জটিলতাৰ মাজত আমাৰ কৰণীয় প্ৰতিটো ভূমিকা আমি পালন কৰি আহিছোঁ।”[৬৩] সেয়েহে ব্যক্তিৰ জীৱনত পৰিয়ালৰপৰা লাভ কৰা অভিজ্ঞতাই বিশেষ প্ৰভাৱ পেলায়। ফ্ৰয়েডৰ ইডিপাছ কমপ্লেক্সৰ ধাৰণাইও এইকথা প্ৰতিপন্ন কৰে। কেৱল শৈশৱতেই যে পৰিয়ালৰ অভিজ্ঞতাই শিশুৰ মনস্তত্ত্বক পৰিচালিত কৰে এনে নহয়। শৈশৱত লাভ কৰা অভিজ্ঞতা ব্যক্তিৰ মানসিকতাত গোটেই জীৱন থাকে। শৈশৱৰ পৰিয়ালকেন্দ্ৰিক সংঘাত, যৌন কামনা-বাসনা,ভয়, নিৰাপত্তাহীনতা আদিবোৰে ব্যক্তিক আড়ষ্ট কৰি ৰাখে। ব্যক্তিৰ অৱচেতন স্তৰত অৱদমিত হৈ থকা শৈশৱৰ অভিজ্ঞতাসমূহে ব্যক্তিৰ ব্যক্তিত্ব তথা চৰিত্ৰ গঠন কৰে। অৰ্থাৎ বহুসময়ত ব্যক্তিয়ে শৈশৱৰ অভিজ্ঞতাসমূহৰ পৰা ওলাই আহিব নোৱাৰে। অৱদমিত চেতনাই সপোনৰ জৰিয়তেই হওঁক বা অন্য স্মৃতিৰ জৰিয়তেই হওঁক ব্যক্তিৰ জীৱনত সময়ে সময়ে ভুমুকি মাৰি থাকে। ইয়াক অগ্ৰাহ্য কৰাটো

কোনো ব্যক্তিৰ পক্ষে সম্ভৱপৰ নহয়। ব্যক্তিৰ জ্ঞাতে বা অজ্ঞাতে শৈশৱৰ অভিজ্ঞতাই ব্যক্তিৰ জীৱন নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰে। শৈশৱৰ অপূৰণীয় ইচ্ছা, আকাংক্ষাসমূহো শিশুই ডাঙৰ হোৱাৰ লগে লগে পূৰণৰ পথ উলিয়াই লয়। সেই অনুযায়ী তেওঁলোকৰ ব্যক্তিত্বত বিশেষত্ব কিছুমান গঢ় লৈ উঠে। "মনোবিশ্লেষণাত্মক দৃষ্টিভংগীৰে পৃথিৱীখন লক্ষ্য কৰিলে দেখা যায় যে ই ব্যক্তিগত মানৱসত্তাৰে গঠিত। পৰিয়ালত শৈশৱতে লাভ কৰা অভিজ্ঞতাই মনোবৈজ্ঞানিক ধাৰণাৰ জন্ম দিয়ে। কৈশোৰ আৰু প্ৰাপ্তবয়স্কৰ আচাৰ-আচৰণত এই অভিজ্ঞতাই পোনপটীয়াকৈ প্ৰভাৱ পেলায়।"[৬৪]

এনেদৰেই ফ্ৰয়েডে মনস্তত্ত্বক আধুনিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰি দেখুৱাইছে। ব্যক্তিৰ মানসিক জগতৰ বিশ্লেষণ কৰিবলৈ যাওঁতে তেওঁ ব্যক্তিয়ে পৰিয়াল চক্ৰত লাভ কৰা অভিজ্ঞতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। পৰিয়াল চক্ৰ হৈছে ব্যক্তিৰ ব্যক্তিত্ব গঠনৰ অন্যতম প্ৰধান মঞ্চ। ফ্ৰয়েডে মানুহৰ অৱচেতন মনৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। মানুহৰ অৱচেতন মনত অপূৰ্ণ আশা-আকাংক্ষাসমূহ অৱদমিত হৈ থাকে আৰু এইবোৰেই সময়ে সময়ে ব্যক্তিৰ চেতন মনত প্ৰৱেশ কৰে। ফ্ৰয়েডে ব্যক্তিত্ব গঠনত অন্যতম ভূমিকা পালন কৰা আদম, অহং আৰু পৰাহঙৰ বিষয়ে কৈছে। জীৱন প্ৰবৃত্তি আৰু মৃত্যু প্ৰবৃত্তিৰদ্বাৰা পৰিচালিত ব্যক্তিৰ আচাৰ-আচৰণৰ বিষয়ে উল্লেখ কৰিছে। ফ্ৰয়েডে ব্যক্তিৰ যৌনতা তথা কামশক্তিক অধিক গুৰুত্ব প্ৰদান কৰিছে। তেওঁৰ মতে কামশক্তি হৈছে ব্যক্তিৰ এক স্বাভাৱিক প্ৰবৃত্তি। এই প্ৰবৃত্তিৰদ্বাৰা ব্যক্তিৰ জীৱন নিয়ন্ত্ৰিত আৰু পৰিচালিত হয়। শিশু অৱস্থাৰে পৰা ব্যক্তিৰ অন্তৰত যৌনস্পৃহা থকাৰ কথা ক'বলৈ গৈয়ে ফ্ৰয়েডে ইডিপাছ কমপ্লেক্সৰ ধাৰণা আগবঢ়াইছে। ফ্ৰয়েডীয় মনস্তাত্ত্বিক তত্ত্বৰ অন্যতম এটি প্ৰধান বিষয় হৈছে সপোন। ফ্ৰয়েডে ব্যক্তিৰ সপোনৰ বিভিন্ন ধৰণে মনস্তাত্ত্বিক ব্যাখ্যা আগবঢ়াইছে। এনেদৰেই বাস্তৱক্ষেত্ৰত মনোৰোগ চিকিৎসক হিচাপে লাভ কৰা অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি ফ্ৰয়েডে মানৱ মনৰ বিভিন্ন দিশ পৰ্যবেক্ষণ কৰি সেইবোৰৰ ব্যাখ্যা আগবঢ়াইছে। এইবোৰেই পৰৱৰ্তী সময়ত ব্যক্তিমনৰ জটিলতাৰ ৰহস্য উদঘাটন কৰিব পৰা তত্ত্বলৈ পৰিণত হৈছে।

### ১.০৩ কাৰ্ল গুস্তাভ ইয়ুঙৰ মনস্তাত্ত্বিক তত্ত্ব ঃ

ছুইজাৰলেণ্ডত জন্মগ্ৰহণ কৰা কাৰ্ল গুস্তাভ ইয়ুঙৰ শৈশৱ আনবোৰ শিশুৰ দৰে সুখৰ নাছিল। পিতৃ-মাতৃৰ সাহচৰ্যৰ পৰা বঞ্চিত ইয়ুঙে শৈশৱতে নিঃসংগতাক আকোঁৱালী ল'বলগীয়া হয়। ই তেওঁৰ ব্যক্তিত্ব গঠনত বিশেষ প্ৰভাৱ পেলাইছিল। শৈশৱৰেপৰা নিঃসংগতা আৰু একাকীত্বৰ মাজত ইয়ুঙৰ জীৱন পাৰ হৈছিল। মনোবিশ্লেষণৰ ক্ষেত্ৰখনত ইয়ুঙৰ অৱদান অভূতপূৰ্ব। তেওঁ

মনোবিশ্লেষণৰ পূৰ্বতে থকা তত্ত্ব তথা ধাৰণাসমূহৰ লগত নিজস্ব চিন্তা-ধাৰাৰে নতুন সংযোজন ঘটাইছিল। ইয়েই মনোবিজ্ঞানৰ ক্ষেত্ৰখনত ইয়ুঙক চিৰস্মৰণীয় কৰি ৰাখিব। বাস্তৱিকতে শৈশৱৰেপৰা ব্যক্তিগত জীৱনত ইয়ুঙে যি একাকীত্ব কঢ়িয়াই ফুৰিছিল তাৰ প্ৰভাৱ পৰিছিল তেওঁৰ দ্বাৰা সৃষ্ট তত্ত্বত। এই সম্পৰ্কত কোৱা হৈছে— "তেওঁৰ এই নিঃসংগতা তথা একাকীত্ব তেওঁৰ দ্বাৰা আৱিষ্কৃত তত্ত্বত প্ৰকাশ পাইছিল। তেওঁৰ তত্ত্ব অন্যান্য লোকৰ সৈতে সম্পৰ্কিত হোৱাৰ সলনি আভ্যন্তৰীণ বৃদ্ধিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল।"[৬৫] ইয়ুং এগৰাকী মনোৰোগ বিশেষজ্ঞ হিচাপে প্ৰতিষ্ঠিত হোৱাৰ সময়ছোৱাতে ১৯০৭ চনত ছিগমাণ্ড ফ্ৰয়েডৰ সৈতে সাক্ষাৎ হয়। প্ৰথম অৱস্থাত ইয়ুঙে ফ্ৰয়েডক সমৰ্থন আগবঢ়াইছিল যদিও পৰৱৰ্তী সময়ত তেওঁলোকৰ চিন্তাধাৰাত অমিল পৰিলক্ষিত হয়। সেইহেতুকে ইয়ুঙে ফ্ৰয়েডৰ পৰা ফালৰি কাটি আহি স্বকীয় দৃষ্টিভংগীৰে ব্যক্তিৰ ব্যক্তিত্ব সম্পৰ্কত মনস্তাত্ত্বিক ব্যাখ্যা আগবঢ়ায়। "ইয়ুঙৰ মনস্তাত্ত্বিক তত্ত্বক বিশ্লেষণাত্মক মনস্তত্ত্ব আখ্যা দিয়া হয়।"[৬৬] ইয়ুঙে ফ্ৰয়েডক সমৰ্থন নকৰা বিষয়সমূহ এনেধৰণৰঃ

> যৌনতা হৈছে ইয়ুঙে ফ্ৰয়েডৰ মতৰ সৈতে বিৰোধ কৰা প্ৰথমটো বিষয়। ফ্ৰয়েডৰ লিবিডোৰ সংজ্ঞাক ইয়ুঙে সাধাৰণ মানসিক শক্তি হিচাপে সংজ্ঞাকৃত কৰে। তেওঁ যৌনতাক কেৱল লিবিডোৰ ভিতৰতে সীমাবদ্ধ কৰি ৰখা নাই।
>
> দ্বিতীয়তে ব্যক্তিত্বক লৈ ফ্ৰয়েড আৰু ইয়ুঙৰ মাজত মতবিৰোধ পৰিলক্ষিত হয়। ফ্ৰয়েডে মানুহৰ ব্যক্তিত্ব বন্দী তথা অতীতৰ ঘটনাৰ বশৱৰ্তী হোৱাৰ বিষয়ে উল্লেখ কৰাৰ বিপৰীতে ইয়ুঙে বিশ্বাস কৰিছিল অতীতৰ আঘাতে ব্যক্তিক সম্পূৰ্ণৰূপে ধ্বংস কৰিব নোৱাৰে। ইয়াৰ ওপৰত ব্যক্তিৰ কিছুপৰিমাণে হ'লেও নিয়ন্ত্ৰণ থাকে।....
>
> তৃতীয়টো পাৰ্থক্য অৱচেতনাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছিল।[৬৭]

ফ্ৰয়েড আৰু ইয়ুঙৰ মাজত এনেধৰণৰ মনোমালিন্য আৰু স্বকীয় চিন্তাধাৰাৰ ওপৰত ভিত্তি কৰি দুখন সুকীয়া স্কুল গঠন হয়। "ছিগমাণ্ড ফ্ৰয়েডৰ নেতৃত্বত সাহিত্যত ভিয়েনা স্কুল আৰু কাৰ্ল ইয়ুঙৰ নেতৃত্বত জুৰিচ স্কুল গঠন হয়।"[৬৮]

ইয়ুঙে অৱচেতনাৰ ধাৰণাক স্বীকাৰ কৰি কৈছে—"চেতনা ব্যক্তিৰ মনৰ এক পৰ্যায় মাত্ৰ। ব্যক্তিৰ চেতনাত উপস্থিত হোৱাৰ পূৰ্বৰেপৰাই বিষয়সমূহ অত্যন্ত জটিল ৰূপত থাকে। ব্যক্তিৰ স্মৃতিৰদ্বাৰা সৰবৰাহ হোৱা সকলোবোৰ চিন্তাৰ গোট অৱচেতন অৱস্থাত থাকে।"[৬৯] ব্যক্তিৰ চেতনাত নথকা বিষয়সমূহ অৱচেতন অৱস্থাত থাকে। সেয়েহে চেতনাৰ লগতে অৱচেতনাৰ গুৰুত্বকো নুই কৰিব নোৱাৰি বুলি ইয়ুঙে গ্ৰহণ কৰিছে। ইয়ুঙে ফ্ৰয়েডৰ অৱচেতনাৰ ধাৰণাক স্বীকাৰ কৰি লৈছিল

যদিও তেওঁ তাত নতুন সংযোজন ঘটাইছিল। তেওঁ ফ্ৰয়েডে কৰাৰ দৰে অৱচেতনাক ব্যক্তিনিষ্ঠ হিচাপে গ্ৰহণ কৰা নাই। ইয়ুঙে অৱচেতনাক ব্যক্তিনিষ্ঠ হিচাপে স্বীকাৰ নকৰি **সমূহীয়া অৱচেতনা**ৰ ধাৰণা প্ৰৱৰ্তন কৰে। "ব্যক্তিগত অৱচেতনা এটি গভীৰ স্তৰৰ ওপৰত নিৰ্ভৰ কৰে। এইটো ব্যক্তিগত অভিজ্ঞতাৰপৰা প্ৰাপ্ত নহয় আৰু ই ব্যক্তিগত অধিগ্ৰহণো নহয়। এয়া অন্তৰ্জাতহে। এই গভীৰ স্তৰটোকেই ইয়ুঙে সমূহীয়া অৱচেতনা আখ্যা দিছে।"[৭০] অৱচেতনাৰ গভীৰ স্তৰটো ব্যক্তিগত নহয়, বিশ্বজনীন। ই ব্যক্তিগত মানসিকতাৰ বিপৰীতে এক আভ্যন্তৰীণ বিষয় আৰু মানৱ আচৰণৰ এক বিশেষ পদ্ধতিক নিৰ্দেশ কৰে। যিবোৰ কম-বেছি পৰিমাণে সকলো ঠাইতে সকলো ব্যক্তিৰ ক্ষেত্ৰতে একে হোৱা পৰিলক্ষিত হয়। সেয়েহে ইয়ুঙে সমূহীয়া অৱচেতনাৰ প্ৰসংগ উত্থাপন কৰিছিল। প্ৰত্যেক ব্যক্তিৰ মাজত এক অভিন্ন সাধাৰণ মানসিক স্তৰ গঠিত হোৱাৰ কথা ইয়ুঙে উল্লেখ কৰিছে—"সমগ্ৰ মানৱৰ মাজত অভিন্ন এক অতি-ব্যক্তিগত প্ৰকৃতিৰ সাধাৰণ মানসিক স্তৰ গঠিত হয়। যিটো আমাৰ প্ৰত্যেকৰে মাজত বিদ্যমান হৈ থাকে।"[৭১] সামূহিক অৱচেতনা ব্যক্তিগতভাৱে বিকশিত নহয়। ইয়াক উত্তৰাধিকাৰীসূত্ৰে লাভ কৰা যায়। অৰ্থাৎ সামাজিক, সাংস্কৃতিক, ধৰ্মীয়, অৰ্থনৈতিক আদি বিভিন্ন পটভূমিক কেন্দ্ৰ কৰি ব্যক্তিৰ মানসিকতাত কিছুমান আদৰ্শগত প্ৰপঞ্চ গঢ় লৈ উঠে। এই আদৰ্শগত প্ৰপঞ্চসমূহেই পৰৱৰ্তী সময়ত প্ৰজন্মৰ পৰা প্ৰজন্মলৈ সঞ্চাৰিত হয়। তেতিয়াই ই ব্যক্তিগত পৰিধি ভাঙি সামূহিকতা অৰ্জন কৰে।

**লিবিডো** সম্পৰ্কত ইয়ুঙে ফ্ৰয়েডৰপৰা আঁতৰি পৃথক মত আগবঢ়াইছে। ইয়ুঙৰ মতে ফ্ৰয়েডে কোৱাৰ দৰে 'লিবিডো' শব্দটো কেৱল যৌন আকৰ্ষণৰ ক্ষেত্ৰতে সীমাবদ্ধ নহয়। 'লিবিডো'ই এক ব্যাপক অৰ্থ বহন কৰে। তেওঁ কামশক্তিক সকলোধৰণৰ সহজাত প্ৰবৃত্তিৰ শক্তি হিচাপে গণ্য কৰিছে। ইয়ুঙৰ মতে "স্বাভাৱিক যৌনতাৰ প্ৰাথমিক উপাদানসমূহৰ গুৰুত্ব প্ৰাপ্তবয়স্ক অৱস্থাত নোহোৱা হৈ যায় আৰু এইবোৰৰ সম্ভাৱনাও হ্ৰাস পায়। এই সময়ছোৱাত জীৱনৰ কাৰ্যকৰী শক্তি লিবিডোৰ পৰাই পোৱা যায়।"[৭২] শৈশৱৰ যৌন ইচ্ছাকাংক্ষাসমূহ বয়স বঢ়াৰ লগে লগে সলনি হয়। বয়ঃসন্ধিকালতহে ব্যক্তি এজনে প্ৰকৃত যৌন অনুভূতি উপলব্ধি কৰিবলৈ সক্ষম হয়। প্ৰাপ্তবয়স্ক কালত লিবিডোই ব্যক্তিক জীৱনৰ বাবে প্ৰয়োজনীয় কাৰ্যকৰী শক্তি প্ৰদান কৰে।

ইয়ুঙে মানৱ জীৱনত যৌনতাৰ দৃষ্টিভংগীক তিনিটা স্তৰত বিভক্ত কৰি আলোচনা কৰিছে—

প্ৰাক্ যৌন স্তৰ (Pre-Sexual Stage), প্ৰাক্ যৌৱন স্তৰ (Pre- Pubertal Stage) আৰু তৃতীয়টো হৈছে পূৰ্ণকাল প্ৰাপ্তি বা পৰিপক্কতা (Maturity)।

প্ৰাক্ যৌন স্তৰ হৈছে ব্যক্তিৰ জীৱনৰ আৰম্ভণিৰ কেইবছৰ। এই সময়ছোৱা পখিলাৰ

পলুৰ দৰে অনুৰূপ হয় আৰু একান্তভাৱে হোৱা পুষ্টি আৰু বৃদ্ধিৰ জৰিয়তে এই সময়ছোৱা চিহ্নিত কৰা হয়। যৌৱনকাললৈকে শৈশৱৰ পিছৰছোৱা সময় প্ৰাক্ যৌৱন স্তৰ। তৃতীয় পৰ্যায়টো পৰিপক্ক বছৰ। ই যৌৱনকালত আৰম্ভ হয় আৰু ইয়াকে পূৰ্ণকাল প্ৰাপ্তি বা পৰিপক্কতাৰ সময় বুলি কোৱা হয়।[৭৩]

কন্যা সন্তানৰ পিতৃৰ প্ৰতি থকা যৌনাকৰ্ষণক বুজাবলৈ ইয়ুঙে পোনপ্ৰথমে ১৯১৩ চনত **ইলেক্ট্ৰা কমপ্লেক্স** অভিধাটো ব্যৱহাৰ কৰিছিল। তেওঁ ইলেক্ট্ৰা কমপ্লেক্সৰ ধাৰণা আগবঢ়াই কৈছিল—“মাকৰ প্ৰতি জীয়েকৰ ঈৰ্ষাৰ নামেই হৈছে ইলেক্ট্ৰা কমপ্লেক্স। এটি লোকবিশ্বাসৰ আধাৰত এই নামটো দিয়া হৈছে। লোকবিশ্বাস মতে ইলেক্ট্ৰাৰ মাকে দেউতাকক হত্যা কৰাৰ বাবে ইলেক্ট্ৰাই নিজৰ মাকক হত্যা কৰি প্ৰতিশোধ লৈছিল। কিয়নো দেউতাকৰ মৃত্যুত দেউতাকৰ সাহচৰ্য লাভৰপৰা ইলেক্ট্ৰা বঞ্চিত হৈছিল।”[৭৪] ফ্ৰয়েডে ইডিপাছ কমপ্লেক্স পৰিভাষাৰেই পুত্ৰৰ মাতৃৰ প্ৰতি আকৰ্ষণ আৰু কন্যাৰ পিতৃৰ প্ৰতি আকৰ্ষণৰ কথা বুজাইছিল। ইয়াৰ বিপৰীতে ইয়ুঙে কন্যা সন্তানৰ পিতৃৰ প্ৰতি যৌন আকৰ্ষণ আৰু ইয়াৰ ফলশ্ৰুতিত মাকৰ প্ৰতি গঢ়ি উঠা ঈৰ্ষাক ইলেক্ট্ৰা কমপ্লেক্সেৰে বুজাইছে।

**সপোন**ৰ বিশ্লেষণ সম্পৰ্কত ইয়ুঙে মন্তব্য কৰিছে যে সপোনৰ সকলো অংশ সম্পূৰ্ণৰূপে চিনাক্ত কৰা সম্ভৱ নহয়। সেয়েহে ইয়াৰ সহায়ত চেতন অৱস্থাৰ অনুমান কৰাটোও প্ৰথম অৱস্থাত সম্ভৱ নহয়। ইয়াৰ অধিকাংশই আমাৰ বাবে অজ্ঞাত। পৰৱৰ্তী সময়ত আমাৰ জীৱনত ঘটা ঘটনা প্ৰক্ৰিয়াৰ লগত সামঞ্জস্য ঘটাইহে সপোনৰ বিভিন্ন অৱস্থাক সচেতনভাৱে অনুভৱ কৰা হয়। “এই দৃষ্টিভংগীৰ ওপৰত ভিত্তি কৰিয়েই ইয়ুঙে সপোনক অৱচেতন উৎসৰ প্ৰভাৱ হিচাপে গণ্য কৰিছে।”[৭৫] সপোন দৈনন্দিন জীৱনৰপৰাই উদ্ভূত হয়। মানুহৰ গুৰুত্বহীনতাৰ ফলত যিবিলাক বিষয় বিস্মৃতিত পৰিণত হয় সেইবোৰেই অৱচেতনাত সপোনৰ মাজেৰে প্ৰকাশ পায়। ইয়ুঙে “সপোনক প্ৰতীক আখ্যা দিছে। সপোন এক মনস্তাত্ত্বিক গঠন। ইয়াৰ মূল আৰু লক্ষ্য অস্পষ্ট। ই অৱচেতনৰ এটি শুদ্ধ পৰিণতিক প্ৰতিনিধিত্ব কৰে।”[৭৬] ইয়ুঙে সক্ৰিয় কল্পনাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। অৱাস্তৱৰ অস্তিত্ব, অৱচেতন কল্পনাই ব্যক্তিৰ সপোনৰ তীব্ৰতা বৃদ্ধি কৰে। এই কল্পনাবোৰ সচেতন হোৱাৰ সময়ত সপোনবোৰে ইয়াৰ চৰিত্ৰ সলনি কৰে। ইয়াৰ জৰিয়তে ইয়ুঙে সপোনত সচেতন কল্পনাৰ অস্তিত্বক স্বীকাৰ কৰিছে। তেওঁ এই প্ৰসংগত কৈছে—“সপোনৰ উৎসবোৰৰ সচেতন মনক প্ৰভাৱিত কৰাৰ এক স্বাভাৱিক প্ৰৱণতা থাকে।”[৭৭]

ইয়ুঙৰ মনস্তাত্ত্বিক তত্ত্বৰ মূল উপজীৱ্য হৈছে সমূহীয়া মনস্তত্ত্ব। তেওঁ ব্যক্তিৰ মনস্তত্ত্বক সমূহীয়াভাৱে বিচাৰ কৰিছিল। ফ্ৰয়েডে মনস্তত্ত্বক এটা ব্যক্তিগত প্ৰপঞ্চ হিচাপে গণ্য কৰি তাৰ

আলমত ইয়াৰ বিশ্লেষণ আগবঢ়াইছিল। ইয়াৰ বিপৰীতে ইয়ুঙে মনস্তত্ত্বক ব্যক্তিগত হৈও সম্পূৰ্ণই ব্যক্তিগত নহয় বুলি কৈছে। অৰ্থাৎ মনস্তত্ত্বৰ এক সাৰ্বজনীন, উমৈহতীয়া বৈশিষ্ট্য বিৰাজমান। তেওঁ বিভিন্ন পটভূমি তথা বিভিন্ন পৰিৱেশৰ মানুহক এটা স্তৰৰ ভিতৰত ৰাখি উমৈহতীয়া মনস্তাত্ত্বিক স্বৰূপৰ অন্বেষণ কৰিছিল। সামাজিক, সাংস্কৃতিক, ধৰ্মীয়, অৰ্থনৈতিক আদি ভিন্ন পৰিৱেশত ব্যক্তিৰ মনস্তত্ত্বৰ উমৈহতীয়া চৰিত্ৰ বা বৈশিষ্ট্য আছে। কোনো এটা জাতি, সংস্কৃতি, বিশেষ অঞ্চল, বিশেষ বয়স, বিশেষ লিংগৰ মানুহৰ মনস্তত্ত্বত কিছুমান বিশেষ উমৈহতীয়া বিশেষত্ব দেখিবলৈ পোৱা যায়। নাৰী মনস্তত্ত্বৰ অধ্যয়ন কৰিবলৈ যাওঁতে সমগ্ৰ নাৰী চৰিত্ৰৰ মাজত অন্তৰ্নিহিত হৈ থকা কিছুমান উমৈহতীয়া দিশ প্ৰত্যক্ষ কৰা হয়। ঠিক একেদৰে পুৰুষ মনস্তত্ত্বৰ ক্ষেত্ৰতো সকলো পুৰুষৰে আৱেগ-অনুভূতি, আচাৰ-আচৰণৰ কিছুমান উমৈহতীয়া বিশেষত্ব দৃশ্যমান হয়। সকলো নাৰী আৰু সকলো পুৰুষৰে ক্ষেত্ৰত উমৈহতীয়া যৌন বৈশিষ্ট্য প্ৰকাশ পায়। সন্তানৰ প্ৰসংগত নাৰীৰ সমূহীয়া মনস্তত্ত্বৰ প্ৰকাশ পোৱাৰ নিচিনাকৈ সকলো পুৰুষৰে আৱেগিক অনুভূতিয়ে সমূহীয়তাক বহন কৰি আহিছে। কোনো এটা বিশেষ সামাজিক-সাংস্কৃতিক পৰিৱেশত জন্মগ্ৰহণ কৰি ডাঙৰ-দীঘল হোৱা ব্যক্তিৰ আচাৰ-আচৰণত সাদৃশ্য থকা পৰিলক্ষিত হয়। ধৰ্মীয় পৰম্পৰাইও ব্যক্তিৰ মনস্তত্ত্বক উমৈহতীয়া ৰূপত গঢ় দিয়ে। বহুসময়ত ধৰ্মীয় পৰম্পৰাক আওকাণ কৰি আগবাঢ়ি যোৱাটো মানুহৰ পক্ষে সম্ভৱ নহয়। যাৰফলত এটা নিৰ্দিষ্ট গণ্ডীৰ ভিতৰত ধৰ্মীয় পৰম্পৰাই মানুহৰ আচাৰ-আচৰণ পৰিচালিত কৰে। অৰ্থনৈতিক কাৰক কিছুমানেও ব্যক্তিৰ উমৈহতীয়া চৰিত্ৰ গঠনত অৱদান আগবঢ়ায়। এনেদৰেই বিভিন্ন প্ৰসংগত ব্যক্তি মনস্তত্ত্বই বিশ্বজনীনতা লাভ কৰে। ইয়ুঙে এইধৰণৰ উমৈহতীয়া, সাৰ্বজনীন মনস্তত্ত্বৰ ধাৰণা আগবঢ়াই মনস্তাত্ত্বিক তত্ত্বৰ গুৰুত্ব প্ৰতিষ্ঠা কৰিবলৈ যত্নপৰ হৈছিল।

ইয়ুঙৰ মনস্তাত্ত্বিক তত্ত্বই মনস্তত্ত্বক এটা ব্যক্তিগত প্ৰপঞ্চ হিচাপে গণ্য কৰাৰ পৰিৱৰ্তে মনস্তত্ত্বৰ সমাজতাত্ত্বিক আৰু সামূহিক দিশসমূহৰ অৱলোকনত গুৰুত্ব প্ৰদান কৰিছে। সেইগতিকে ব্যক্তিৰ মনস্তত্ত্ব গঠনত ফ্ৰয়েডে কোৱাৰ দৰে কেৱল শৈশৱৰ অভিজ্ঞতা, পৰিয়াল চক্ৰত লাভ কৰা অভিজ্ঞতাই পৰ্যাপ্ত নহয়। ব্যক্তিৰ মনস্তত্ত্ব গঢ় লোৱাত সংশ্লিষ্ট ব্যক্তিগৰাকীৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, ঐতিহাসিক প্ৰেক্ষাপটেও গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। বিশেষকৈ প্ৰান্তীয়কৃত শ্ৰেণীৰ মনস্তত্ত্বৰ আলোচনাত এইধৰণৰ দিশসমূহো গুৰুত্বপূৰ্ণ বুলি বিবেচিত কৰিব পাৰি। উদাহৰণস্বৰূপে পুৰুষতান্ত্ৰিক বাগধাৰাৰদ্বাৰা নিয়ন্ত্ৰিত সমাজত পুৰুষতান্ত্ৰিক বাগধাৰাই নাৰী মনস্তত্ত্ব গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এইক্ষেত্ৰত প্ৰগতিবাদী সমালোচকসকলে আলোচনাৰ মাজলৈ অনা আদৰ্শবাদ (Ideology) ৰ ধাৰণাৰ কথা আমি ক'ব পাৰোঁ। "আদৰ্শবাদে ব্যক্তিগত বিষয়

বিলাকৰ ক্ষেত্ৰত ব্যক্তি এজন সদায় আদৰ্শৰদ্বাৰা আন্তঃপ্ৰেৰিত হৈ থকাৰ কথা স্পষ্ট কৰি তোলে। আদৰ্শবাদত ব্যক্তি এক বিষয় হিচাপে পৰিগণিত হয়।"[৭৮] সমাজৰ প্ৰতিপত্তিশালী শ্ৰেণীটোৱে সমাজৰ প্ৰান্তীয়কৃত শ্ৰেণীটোক অৱদমন কৰি ৰাখিবৰ বাবে কৃত্ৰিমভাৱে কিছুমান নীতি-নিয়ম, চিন্তা-ভাৱনা, বুদ্ধি-বৃত্তি গঢ় দি লয় ইয়াকে আদৰ্শবাদ বুলি কোৱা হয়। আদৰ্শবাদৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো এয়ে যে ই মানুহক বাহিৰৰ পৰা নিয়ন্ত্ৰণ নকৰে। আদৰ্শবাদে মানুহৰ মনস্তত্ত্বক নিয়ন্ত্ৰণ কৰে। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই সেয়েহে কমসংখ্যক মানুহে বেছিসংখ্যক মানুহক নিয়ন্ত্ৰণ কৰিব পাৰে। এইধৰণৰ ৰাজনৈতিক প্ৰসংগসমূহৰ আলোচনাৰ ক্ষেত্ৰতো নিশ্চিতভাৱে ইয়ুঙৰ মনস্তাত্ত্বিক তত্ত্ব গুৰুত্বপূৰ্ণ। আদৰ্শবাদে ব্যক্তি মনস্তত্ত্বক সমূহীয়া ৰূপত গঢ় দিয়ে। সেয়েহে একে সমাজ-ৰাজনৈতিক পৰিৱেশত সকলো মানুহৰে মনস্তাত্ত্বিক দিশত সাদৃশ্য থকা পৰিলক্ষিত হয়।

**১.০৪ জ্যাক লাঁকাৰ মনস্তাত্ত্বিক তত্ত্ব ঃ**

ফৰাচী মনোবিজ্ঞানী জ্যাক লাঁকাই ভাষাৰ মনোবৈজ্ঞানিক দৃষ্টিকোণৰ ওপৰত মনোনিৱেশ কৰিছিল। তেওঁ ৰোগীৰ ভাষাৰ জৰিয়তে ৰোগীৰ ব্যক্তিত্ব চিহ্নিত কৰাত গুৰুত্ব আৰোপ কৰিছিল। লাঁকাৰ অধিকাংশ ৰচনা ১৯৬৬ চনত *Ecrits* নামৰ গ্ৰন্থত প্ৰকাশ পায়। পেৰিছ চেমিনাৰত তেওঁ উপস্থাপন কৰা ৰচনাসমূহ ১৯৭৮ চনত *The Four Fundamental Concepts Of Psychoanalys*is নামেৰে প্ৰকাশিত হয়।

জ্যাক লাঁকাই মনোবিশ্লেষণৰ ক্ষেত্ৰত প্ৰধানকৈ কল্পনা, প্ৰতীকি আৰু বাস্তৱ— এই তিনিটা বিষয়ৰ কথা কৈছে। মনোবিশ্লেষণৰ ক্ষেত্ৰখনত কিছুমান বিষয় কল্পনা কৰি লোৱা হয়। যিবোৰৰ বহুতৰে ক্ষেত্ৰত কোনো বাস্তৱতা নাথাকে। আনহাতে মানুহৰ মনস্তত্ত্বৰ সকলো বিষয় প্ৰতীকি স্তৰত চলি থাকে। যিবিলাকৰ পোনপটীয়া, স্পষ্ট ধাৰণা পোৱা নাযায়। লাঁকাৰ মতে মনস্তত্ত্বৰ ক্ষেত্ৰখনত বাস্তৱতা পোৱা নাযায়। সেয়েহে লাঁকাই মনোবিশ্লেষণৰ দিশত প্ৰতীকৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰি কৈছে—"সাংকেতিক বা প্ৰতিকী স্তৰৰ স্বতন্ত্ৰতাৰ স্থিতিটোৱেই একমাত্ৰ স্থিতি যি আমাক মনোবিশ্লেষণত সমাৱেশ ঘটা মুক্ত অনুষংগৰ তাত্ত্বিক আৰু প্ৰায়োগিক প্ৰসংগক সঠিককৈ বুজাত সহায় কৰে।"[৭৯] তেওঁ কল্পনা আৰু প্ৰতীকিৰ মাজত দ্বন্দ্বৰ নিৰ্মাণ কৰিছে। লাঁকাই কৈছে— "বিশ্লেষণাত্মক অভিজ্ঞতাৰে মূলক প্ৰতিনিধিত্ব কৰাৰ বাদে কাল্পনিক প্ৰভাৱবোৰে কোনো স্থিৰ অৱস্থিতি নিৰ্ণয় নকৰে, যেতিয়ালৈকে সেইবোৰক প্ৰতীকি বা সাংকেতিক শৃংখলাৰ সৈতে সম্পৰ্কিত কৰি বিশ্লেষণ কৰা নহয়। ইয়ে কাল্পনিক স্তৰক শৃংখলিত আৰু অভিমুখী কৰি তোলে।"[৮০] অৰ্থাৎ

কাল্পনিক প্ৰভাৱবোৰে কেৱল বিশ্লেষণাত্মক অভিজ্ঞতাৰ মূলকহে প্ৰতিনিধিত্ব কৰিব পাৰে। মানুহে কোনো এক মানসিক আচৰণৰ মূল সম্পৰ্কত তেওঁৰ পূৰ্বৰ কোনো অভিজ্ঞতাই জড়িত বুলি কল্পনাহে কৰি ল'ব পাৰে। ইয়াক স্পষ্ট আৰু নিশ্চিতকৈ ক'ব নোৱাৰে। অৱচেতন মনৰ আচাৰ-আচৰণক প্ৰতীকি বা সাংকেতিক শৃংখলাৰ সৈতে সম্পৰ্কিত কৰি বিশ্লেষণ কৰিলেহে তাৰ কাৰণ সম্পৰ্কত অনুমান কৰিব পাৰি। কিয়নো অৱচেতন মনৰ সকলো ক্ৰিয়া-কলাপ প্ৰতীকি স্তৰতহে চলি থাকে। প্ৰতীকি স্তৰে ব্যক্তিৰ কাল্পনিক স্তৰৰ ধ্যান-ধাৰণাক শৃংখলিত ৰূপ দিয়ে।

প্ৰতীকি স্তৰ হ'ল ভাষাৰ স্তৰ। লাকাৰ মতে ভাষাৰ গঠন আৰু মানুহৰ অৱচেতন মনৰ গঠন একে। মানুহৰ মনৰ প্ৰকৃত অৱস্থাক কেতিয়াও জনা নাযায়। সেয়া প্ৰতীকি স্তৰত চলি থাকে। প্ৰতীকি বিৱৰ্তনে এক সূচক শৃংখলা নিৰ্দেশ কৰে। ভাষাৰ ক্ষেত্ৰত এটা শব্দৰ আক্ষৰিক অৰ্থ আৰু আভিধানিক অৰ্থ ভিন্ন হোৱা পৰিলক্ষিত হয়। সংযুক্তিবাদীসকলে কোনো বস্তুক বুজাবলৈ যি ধাৰণা বা শব্দ ব্যৱহাৰ কৰা হয় তাক সূচক আৰু সেই শব্দটোৱে বাহ্যিক জগতৰ যিটো বস্তুক নিৰ্দেশ কৰে তাক সূচিত আখ্যা দিছিল— "চিহ্নৰ উপাদান দুটা ঃ সূচক (Signifier) আৰু সূচিত (Signified)। সূচক হৈছে শব্দধ্বনি, চিহ্নৰ ধ্বনিগত বা বস্তুগত উপাদান। কথা-বতৰাত যিবোৰ ধ্বনি এৰি দিয়া যায়—অথবা লিখা-মেলাত আমি ব্যৱহাৰ কৰা আখৰবোৰ—এই সকলো চিহ্ন। সূচক মুঠতে চিহ্নৰ শ্ৰৱণগ্ৰাহ্য-দৃষ্টিগ্ৰাহ্য উপাদান। কিন্তু সূচিতৰ স্বৰূপ বস্তুগত নহয়, মানসিক।"[৮১] অৰ্থাৎ সূচক আৰু সূচিতৰ মাজত আন্তঃসম্পৰ্ক আছে। কিন্তু উত্তৰ সংযুতিবাদীসকলে এই মতৰ ওপৰত ভিত্তি কৰি উল্লেখ কৰিছে যে এটা শব্দই কেৱল এক নিৰ্দিষ্ট অৰ্থ প্ৰকাশ নকৰে। এটা সূচকৰ বিভিন্ন ধৰণৰ সূচিত থাকিব পাৰে। ডেৰিডাৰ মতে,"অৰ্থৰ প্ৰক্ৰিয়া বৰং এটা সূচকৰ পৰা অন্য সূচকলৈ চলা এক অনিৰুদ্ধ অনন্ত গতি।"[৮২] ঠিক একেদৰে মানুহৰ অৱচেতন মনৰ কথাও নিৰ্দিষ্টকৈ ব্যাখ্যা কৰা সম্ভৱ নহয়। অৱচেতনাক কোনেও বুজিব নোৱাৰে। সেয়েহে "লাঁকাই ভাষাত মানুহৰ অৱচেতনাক প্ৰৱেশ কৰাইছে।"[৮৩] অৱচেতনাক বুজাৰ একমাত্ৰ মাধ্যম হৈছে ভাষা। লাঁকাই অৱচেতন মনৰ কথা প্ৰকাশ কৰা ভাষাক প্ৰতীকৰ জৰিয়তে ব্যাখ্যা কৰিছে। প্ৰতীকি সূচক শৃংখলা নিয়ন্ত্ৰণ কৰাৰ দৰে এই নীতিয়ে মনোবিশ্লেষণীয় প্ৰভাৱ যেনে— পূৰ্বাভাষৰ প্ৰভাৱ, দমন, বিৰোধ আদিক নিয়ন্ত্ৰণ কৰে। সেয়েহে এই প্ৰভাৱসমূহক প্ৰতীকিকৰণলৈ স্থানান্তৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।[৮৪] লাঁকাই 'The Purloined Letter' ৰ প্ৰসংগত এনেদৰে কৈছে— "সূচক হৈছে এক অগতানুগতিক একক তথা প্ৰকৃতিগত ভাব । ই সদায়ে এক অনুপস্থিতিৰ প্ৰতীক। সেয়েহে The Purloined Letter ৰ অৱস্থিতিৰ কথাও আমি স্পষ্টকৈ ক'ব নোৱাৰো।"[৮৫]

“মানুহে আক্ষৰিক অৰ্থত গঠনাত্মক বিকল্প স্থাপনৰ বাবে নিজৰ সময় ব্যয় কৰে; য'ত উপস্থিতি আৰু অনুপস্থিতি প্ৰত্যেকেই নিজৰ লক্ষ্য বিন্দু লাভ কৰে। এই সকলোবোৰ মানুহৰ অপৰিহাৰ্য সংযোজক। মানুহৰ আকাংক্ষাসমূহ শূন্য অৱস্থাত থকা সময়ত প্ৰতীকাত্মক অৱস্থাত মানুহৰ উদ্দেশ্য সোমাই পৰে আৰু প্ৰাকৃতিক চাৰিত্ৰিক ধৰ্ম লোপ পায়।”[৮৬]

প্ৰকৃততে ব্যক্তি মনত ঘটি থকা ক্ৰিয়া-প্ৰতিক্ৰিয়াসমূহ অদৃশ্য। মানুহৰ অন্তৰ্জগতত চলি থকা ঘটনাপ্ৰবাহ প্ৰকাশ কৰিবলৈ মানুহে কৰা আচৰণসমূহো সেয়েহে স্পষ্ট হোৱা দেখা নাযায়। সেয়েহে বাহ্যিক আচাৰ-আচৰণ লক্ষ্য কৰি ব্যক্তিৰ অন্তৰত ঘটি থকা ঘটনা সম্পৰ্কত অনুমান কৰাটো এক জটিল ব্যাপাৰ। ব্যক্তিৰ অন্তৰ্জগতৰ প্ৰকাশ ঘটে ভাষাৰ জৰিয়তে। অন্তৰ্জগতত প্ৰকৃততে কি ঘটি থাকে সেই সম্পৰ্কে ব্যক্তি নিজেই নিশ্চিত নোহোৱা হেতুকে তাক প্ৰকাশ কৰা ভাষাও সাংকেতিক হয় বুলি লাঁকাই মতপোষণ কৰিছে।

অৱচেতন মনৰ গঠন বৰ্তমান সময়ত অনুসন্ধান কৰিলেও তাৰ ঐতিহাসিক প্ৰেক্ষাপট নথকা নহয়। বৰ্তমান এজন মানুহৰ মনস্তত্ত্ব বিশ্লেষণ কৰিবলৈ হ'লে মানুহজনৰ জীৱনত শৈশৱৰেপৰা ঘটা সকলো বিষয়েই গুৰুত্বপূৰ্ণ। লাঁকাৰ তত্ত্বত উত্তৰ সংযুতিবাদী দৃষ্টিকোণ আমি দেখিবলৈ পাওঁ। উত্তৰ সংযুতিবাদী চিন্তাবোধ তেওঁৰ আছে। সেয়েহে সংযুতিবাদীসকলৰ দৰে এটা সমকালীন দৃষ্টিকোণ লৈ তেওঁ মানুহৰ মন সম্পৰ্কে আলোচনা কৰা নাই। এই ক্ষেত্ৰত লাঁকাই কৈছে— “দৰাচলতে ব্যক্তি এজনৰ অন্তৰ্দৃষ্টিৰ ভাববিলাক তেওঁ নিজৰ ভাষাৰ জৰিয়তে প্ৰকাশ কৰে। ভাষাৰ ঐতিহাসিক আৰু সমকালিন উভয় দিশ দৃঢ়ভাৱে সূচকৰদ্বাৰা সূচিতৰ ওপৰত সমাৰোপন কৰা হয়।”[৮৭] ভাষাৰ ঐতিহাসিক প্ৰেক্ষাপট থকাৰ দৰে মানুহৰ ব্যক্তিত্ব বা মানুহৰ অৱচেতনাৰো এটা ঐতিহাসিক প্ৰেক্ষাপট থাকে। সেয়েহে তেওঁ শিশুৰ জন্মৰপৰা অৱচেতন মনে বিকাশৰ বিভিন্ন স্তৰ কেনেকৈ অতিক্ৰম কৰি আহে সেই সম্পৰ্কে আলোচনা কৰিছে। এনেদৰেই তেওঁৰ মনস্তাত্ত্বিক তত্ত্বত সমকালীন দৃষ্টিকোণৰ সমান্তৰালভাৱে ঐতিহাসিক দৃষ্টিকোণো থকা পৰিলক্ষিত হয়।

আধুনিক মনোবিজ্ঞানে মনোবিশ্লেষণক সম্পূৰ্ণৰূপে গ্ৰহণ কৰাৰ লগতে ইয়াৰ লগত জড়িত সকলোবোৰ দিশ আৰম্ভণিৰেপৰা বিশ্লেষণ কৰে। আধুনিক মনোবিজ্ঞানীয়ে মনোবিজ্ঞানত ইতিমধ্যে প্ৰতিষ্ঠা কৰি থৈ যোৱা সকলো বিষয়ৰে উৎকৰ্ষ সাধন আৰু অগ্ৰগতিৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত নহয়। এইক্ষেত্ৰত জ্যাক লাঁকাও ব্যতিক্ৰম নহয়। সেয়েহে তেওঁৰ পূৰ্বসূৰী মনস্তত্ত্ববিদসকলে মানসিক প্ৰক্ৰিয়াসমূহ প্ৰকৃত সত্য বুলি প্ৰতিষ্ঠা কৰি যোৱাৰ ধাৰণাক তেওঁ নস্যাৎ কৰিছিল। লাঁকাৰ মতে “মানসিক ঘটনাসমূহৰ নিজস্ব কোনো বাস্তৱতা নাথাকে। এইবোৰৰ

কোনো নিজস্ব বাস্তৱিক প্ৰসংগ নাথাকে, কেৱল এক ভ্ৰান্ত বাস্তৱিকতাহে ইয়াত সমাহিত হৈ থাকে।"[৮৮] মানসিক ঘটনাসমূহ হ্ৰাস কৰা আৰু এই ঘটনাসমূহ গঠন কৰা কাৰকসমূহৰ বিষয়ে জ্ঞান লাভ কৰি সেইবোৰ চিনাক্ত কৰি প্ৰতিষ্ঠা কৰাটোৱেই মনোবিজ্ঞানৰ প্ৰধান ভূমিকা। মনোবিজ্ঞান কেৱল মানসিক ঘটনা তথা সমস্যাসমূহৰ লগত জড়িত এক প্ৰক্ৰিয়া। সেয়েহে "ই কোনো বিজ্ঞান নহয়।"[৮৯] বুলি লাঁকাই প্ৰতিষ্ঠা কৰিছে।

মনোবিজ্ঞানত ভাষাৰ গুৰুত্ব অপৰিহাৰ্য। কথোপকথনৰ জৰিয়তে মনোবিশেষজ্ঞ আৰু ৰোগীৰ মাজত ভাৱৰ আদান-প্ৰদান হয়। মনোৰোগ বিশেষজ্ঞ বা মনস্তত্ত্ববিদসকলে ব্যক্তিৰ মুখেৰে মানসিক জগতত চলি থকা সকলো ঘটনা প্ৰবাহ শুনি লোৱাৰ পিছত সেইবোৰৰ বিশ্লেষণ কৰিবলৈ অগ্ৰসৰ হয়। ব্যক্তি এজনে ব্যক্ত কৰা কথাই মনোবিশ্লেষণত বিশেষ অৰিহণা যোগায়। "বক্তাৰ পৰিস্থিতিৰ পৰিপেক্ষিতত ভাষাৰ পৰা বিশ্লেষণাত্মক অভিজ্ঞান নিস্কাষণ কৰাৰ সময়ত মনোবিশ্লেষকে এটা কথাত নজৰ দিব লাগিব যে ভাষাই কিবা এটাক বুজোৱাৰ আগেয়ে কাৰোবাক সূচিত কৰে।"[৯০] সেয়েহে এইক্ষেত্ৰত বক্তাৰ অৱচেতনা অধিক জৰুৰী হৈ পৰে। সূচিতই পোনপটীয়াভাৱে সূচকক নিৰ্দেশ নকৰিবও পাৰে। যিহেতু সেয়া বক্তাৰ জৰিয়তে যায়। ই বক্তাৰ অৱচেতনাকো গুৰুত্ব প্ৰদান কৰিব। বিশ্লেষণাত্মক অভিজ্ঞতাত অৱচেতন বিষয়সমূহ প্ৰকাশ কৰিবৰ প্ৰয়াস কৰা হয় আৰু সচেতন বিষয়সমূহ অৱদমিত ৰূপ লয়। মানুহৰ আভ্যন্তৰীণ জীৱনৰ সকলো কথা ভাষাৰ জৰিয়তে প্ৰকাশ নাপাবও পাৰে। বহুসময়ত ব্যক্তিয়ে নিজকে সংকুচিত কৰি ৰাখিব বিচাৰে। নিজৰ মানসিক স্থিতি আনৰ আগত প্ৰকাশ নকৰিবৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰাও দেখা যায়। এনে অৱস্থাত ব্যক্তিয়ে যথেষ্ট সংযমিত আৰু নিয়ন্ত্ৰিত ৰূপত ভাষা ব্যৱহাৰ কৰে। এই সম্পৰ্কত ইয়ুঙে কৈছে—"ভাষা সাধাৰণতে সামাজিক অভিব্যক্তিৰ মাধ্যমত যোগাযোগৰ বাবে ব্যৱহাৰ কৰা হয়। উদ্দেশ্যত উপনীত হ'বৰ বাবে ব্যক্তিয়ে ব্যক্তিগত অভিব্যক্তিসমূহ নিজৰ বিচাৰ-বিবেচনা বা প্ৰকৃত সত্যৰ বিপৰীতেও উপস্থাপন কৰা পৰিলক্ষিত হয়।"[৯১]

লাঁকাই মানসিক উপসৰ্গসমূহক ভাষাৰ লগত সম্পৰ্কিত কৰি বিশ্লেষণ আগবঢ়াইছে—"ভাষাৰ বিশ্লেষণৰ জৰিয়তে উপসৰ্গৰ লক্ষণসমূহ সম্পূৰ্ণৰূপে সমাধান কৰিব পৰা যায়। কিয়নো এটি উপসৰ্গ এটি ভাষাৰ নিচিনাকৈ গঠন হয়। উপসৰ্গ ভাষাৰ জৰিয়তে প্ৰকাশ কৰিব পাৰি।"[৯২] ভাষাৰ বিভিন্ন অৰ্থ উলিওৱা সম্ভৱ। ঠিক একেদৰে মানসিক উপসৰ্গসমূহৰো বিভিন্ন অৰ্থ উলিয়াব পৰা যায়। ইয়াৰ গঠন ভাষাৰ লেখিয়া। সূচকৰদ্বাৰা সূচিত হোৱা উপসৰ্গসমূহক বিষয়ৰ চেতনাৰ জৰিয়তে দমন কৰি ৰখা সময়ছোৱাত ভাষাৰ অৰ্থগত অস্পষ্টতা প্ৰদৰ্শন কৰিবলৈ প্ৰতীক ব্যৱহাৰ কৰা হয়।

লাঁকাৰ মতে অৱচেতনাৰ লগত চেতনাৰ বৈশিষ্ট্য নিহিত হৈ থাকে। অৱচেতনা সম্পৰ্কত লাঁকাই মত পোষণ কৰিছে এনেদৰে—"অৱচেতনাই চেতনাৰ বৈশিষ্ট্য নথকা মনস্তাত্ত্বিক বাস্তৱতাক প্ৰতিফলিত কৰাৰ বিধা নহয়।"[৯৩] লাঁকাই অভিজ্ঞতাক বস্তুনিষ্ঠ হিচাপে বিবেচনা কৰিছে। ব্যক্তিৰ অভিজ্ঞতাত বিভিন্ন কাৰকে প্ৰভাৱ বিস্তাৰ কৰে। সেই অনুযায়ীহে ব্যক্তিৰ অভিজ্ঞতা গঢ় লৈ উঠে। এই সম্পৰ্কত লাঁকাই কৈছে—"আৱেগিক যোগাযোগ সামাজিক গোটৰ বাবে অপৰিহাৰ্য। মানুহে ইয়াৰ উপযোগীকৈ অনুৰূপভাৱে নিজকে নিষ্পেষণ কৰে আৰু নিজকে এইবোৰৰ সৈতে চিনাক্ত কৰে। ব্যক্তিৰ জীৱনৰ প্ৰথম বছৰবোৰত ঘটা দুৰ্দশাজনক পৰিস্থিতিসমূহক মানসিক সংযোগৰ মাধ্যমেৰে এই বিৱৰণসমূহৰ সৈতে লয়।"[৯৪]

ব্যক্তিৰ ব্যক্তিত্ব সম্পৰ্কত লাঁকাই মতপোষণ কৰিছে। লাঁকাৰ মতে "এজন ব্যক্তিৰ চৰিত্ৰ গঠনত পিতৃ-মাতৃৰ বৈশিষ্ট্য অন্তৰ্ভূক্ত হয় যদিও ব্যক্তিৰ স্মৃতি আৰম্ভণি হোৱাৰ পূৰ্বেই এইবোৰ লোপ পায়। মানসিক পথৰ দ্বাৰা সঞ্চাৰিত হৈ যিবোৰ বৈশিষ্ট্যই ব্যক্তিৰ মানৱীয় সম্পৰ্কক বিশেষ ৰূপ প্ৰদান কৰে সেয়াই হৈছে ব্যক্তিত্ব।"[৯৫] অৰ্থাৎ ব্যক্তিত্ব গঠনত পৰিয়ালকেন্দ্ৰিক অভিজ্ঞতাসমূহেই অকল জড়িত নহয়। সামাজিক, মনস্তাত্ত্বিক, ৰাজনৈতিক আদি কাৰকসমূহেও ব্যক্তি মনস্তত্ত্ব গঢ় দিয়াত বিশেষ অৰিহণা আগবঢ়ায়।

লাঁকাই কামশক্তিক প্ৰতীকাত্মক সংকেত আখ্যা দিছে—"উদ্যমী ধাৰণা হিচাপে কামশক্তি হৈছে আচৰণৰদ্বাৰা বিনিয়োগ কৰা গতিশীলতা আৰু সমতাৰ এক প্ৰতীকি সংকেত।"[৯৬] লাঁকাৰ মতে কামশক্তি এক উদ্যমী ধাৰণা। ই প্ৰতীকি ৰূপত আচৰণক গতিশীলতা আৰু সমতা প্ৰদান কৰে। অৰ্থাৎ কামশক্তিয়ে ব্যক্তিৰ আচৰণত প্ৰতীকি ৰূপত প্ৰভাৱ বিস্তাৰ কৰে। লাঁকাৰ মতে "ব্যৱহাৰিক দিশত কামশক্তিৰ ধাৰণা অধিবিদ্যা নহয়। কামশক্তি হৈছে ইতিবাচক জ্ঞানৰ দিশত মনোবিজ্ঞানৰ আহিলা।"[৯৭]

**দাপোণ মঞ্চ**ৰ ধাৰণা লাঁকাৰ মনোবিশ্লেষণৰ ক্ষেত্ৰত অন্যতম সংযোজন। "মনোবিশ্লেষণাত্মক অভিজ্ঞতা ব্যক্ত কৰিবলৈ লাঁকাই দাপোণ মঞ্চ (Mirror Stage) ৰ ধাৰণা ব্যৱহাৰ কৰিছে।"[৯৮] লাঁকাৰ মতে মানৱ শিশু এটাই ৬ মাহৰ পিছৰেপৰা দাপোন চাবলৈ আৰম্ভ কৰে। শিশুটোৱে দাপোণত নিজৰ ৰূপ চায় বা প্ৰতীকাত্মক ৰূপত নিজৰ পৰিচিতি চিনাক্ত কৰিবলৈ চেষ্টা কৰে। শিশুই এইখিনি সময়তে দাপোণত নিজক প্ৰত্যক্ষ কৰি কল্পনা কৰিবলৈ আৰম্ভ কৰে। এইটো স্তৰত শিশু এটাৰ কল্পনাপ্ৰৱণতা অধিক হয়। কিয়নো এই সময়ছোৱাত শিশু বাস্তৱতাৰ সৈতে পৰিচিত নহয়। "শিশুৰ ১৮ মাহলৈকে এইধৰণৰ কাৰ্যৰ এক নিৰ্দিষ্ট অৰ্থ থকাৰ কথা লাঁকাই উল্লেখ কৰিছে।

ই শিশুৰ কামশক্তিৰ গতিশীলতাকো প্ৰকট কৰে।”[৯৯] “দাপোন স্তৰ অতি আকৰ্ষণীয় স্তৰ। এই স্তৰতে ব্যক্তিয়ে প্ৰভাৱাত্মক গতিশীলতা লাভ কৰে । যাৰ জৰিয়তে ব্যক্তিয়ে নিজৰ দেহৰ প্ৰতিবিম্বতে নিজক বিচাৰ কৰে।”[১০০] দাপোন স্তৰে ব্যক্তিৰ আৱেগিক দিশসমূহক গতিশীলতা প্ৰদান কৰে। ইয়ে ব্যক্তিক নিজৰ শৰীৰত দৃশ্যমান হোৱা বিভিন্ন ৰং-ৰূপৰ সৈতে পৰিচিত কৰে। সেয়েহে লাঁকাই ইয়াক দাপোণ মঞ্চ আখ্যা দিছে। ইয়াৰ আগলৈকে শিশুৱে মাকৰ দেহৰ সৈতে নিজৰ দেহ অভিন্ন বুলি ভাবি থাকে। শিশুৰ পৃথক অস্তিত্বৰ পৰিচয় গঢ় লৈ নুঠে। দাপোণত শিশুৱে নিজক প্ৰত্যক্ষ কৰিলে প্ৰথম অৱস্থাত ভয় কৰে। কিয়নো তেতিয়ালৈকে শিশুটো যে মাকতকৈ ভিন্ন সেয়া উপলব্ধি নহয়। গতিকে দাপোণত নিজৰ প্ৰতিবিম্বটোকে আন কোনোবা বুলি ভাবি শিশুৱে ভয় কৰে। কিন্তু পৰৱৰ্তী সময়ত শিশুৱে নিজৰ পৃথক সত্তাৰ সৈতে পৰিচিত হয়। দাপোণৰ জৰিয়তে শিশুৰ নিজৰ ৰং, ৰূপৰ সৈতে পৰিচয় হয় আৰু নিজৰ স্বকীয় অস্তিত্ব অনুধাৱন কৰিবলৈ সক্ষম হয়। এনেদৰেই দাপোণ মঞ্চই শিশু তথা ব্যক্তিৰ আৱেগক গতিশীলতা প্ৰদান কৰে।

লাঁকাই মনোবিশ্লেষণৰ ক্ষেত্ৰত ভাষাৰ গুৰুত্বক সকলোতকৈ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। তেওঁ ভাষাৰ প্ৰতীকি ব্যঞ্জনা আৰু ব্যক্তিৰ অৱচেতন মনৰ সামঞ্জস্য প্ৰতিষ্ঠা কৰিছিল। ভাষাৰ প্ৰতীকৰ কোনোধৰণৰ সৰ্বগ্ৰহণযোগ্য নিৰ্দিষ্ট অৰ্থ নাথাকে। বিভিন্ন প্ৰেক্ষাপটত একোটা প্ৰতীকে ভিন্ন অৰ্থ বহন কৰে। মানুহৰ অৱচেতন মন তথা সপোনৰো কোনো নিৰ্দিষ্ট অৰ্থ নাথাকে। ব্যক্তিবিশেষে আৰু ভিন্ন পৰিৱেশ পৰিস্থিতিত এইবোৰৰ অৰ্থও ভিন্ন হ'ব পাৰে। সেয়েহে উত্তৰ আধুনিকতাবাদী ধাৰণা পোষণ কৰা লাঁকাই ভাষাৰ প্ৰতীকি ব্যঞ্জনাৰ সৈতে অৱচেতন মনক সামৰি আলোচনা আগবঢ়াইছিল। উল্লেখযোগ্য যে ফ্ৰয়েডেও ভাষাৰ প্ৰসংগ উল্লেখ কৰিছিল। ৰোগীৰ সৈতে কথা পতাৰ জৰিয়তে ফ্ৰয়েডে তেওঁলোকৰ মুখৰপৰা ওলোৱা ভাষাৰ সাংকেতিক পাঠোদ্ধাৰ কৰিছিল আৰু পৰৱৰ্তী সময়ত সেইবোৰৰ মনস্তাত্ত্বিক বিশ্লেষণৰ জৰিয়তে ৰোগীৰ সমস্যা সমাধানৰ পথ প্ৰশস্ত কৰিছিল। ফ্ৰয়েডে বিশ্বাস কৰিছিল যে ব্যক্তিয়ে বহুসময়ত সচেতন অৱস্থাত অৱচেতনাৰ কথা ক'ব পাৰে। পৰৱৰ্তী সময়ত লাঁকাই ফ্ৰয়েডৰ এই ধাৰণাক বিস্তৃতৰূপত প্ৰতিষ্ঠা কৰিছিল। লাঁকাই অৱচেতন মন প্ৰকাশ কৰা একমাত্ৰ মাধ্যম হিচাপে ভাষাক স্বীকৃত কৰিছে। এই ভাষা হৈছে প্ৰতীকি ভাষা।

### ১.০৫ সাহিত্যৰ মনস্তাত্ত্বিক তত্ত্ব ঃ এক তাত্ত্বিক বিচাৰ ঃ

মনস্তাত্ত্বিক তত্ত্বৰ জন্ম হয় মানসিক ৰোগীৰ চিকিৎসাৰ অৰ্থে। ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে ৰোগৰ কাৰণ চিনাক্তকৰণ আৰু ইয়াৰ উপশমৰ উপায় উলিওৱাই হৈছে মনস্তাত্ত্বিক

তত্ত্বৰ মূল উদ্দেশ্য। পৰৱৰ্তী সময়ত মনস্তাত্ত্বিক তত্ত্ব চিকিৎসা শাস্ত্ৰৰ লগতে অন্যান্য গুৰুত্বপূৰ্ণ বিষয় কিছুমানৰ লগতো সাঙোৰ খাই পৰে। "মনোবিশ্লেষণাত্মক সমালোচনা কল্পকাহিনী, কবিতা, নাটক, লোকসংস্কৃতি, অ-কাহিনীৰ উপৰিও চিত্ৰ, স্থাপত্য, ভাস্কৰ্য, ছবি, সংগীত আদি সকলো ক্ষেত্ৰতে প্ৰযোজ্য।"[১০১]

সাহিত্যৰ মনস্তাত্ত্বিক তত্ত্ব অধ্যয়নৰ এক গুৰুত্বপূৰ্ণ বিষয়। ইয়াত মনস্তাত্ত্বিক সূত্ৰৰ আধাৰত সাহিত্যৰ বিভিন্ন উপাদান বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হয়—

> সাহিত্যইয়ো আন দিশৰ লগতে ব্যক্তিৰ মনঃস্তাত্ত্বিক মাত্ৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। এনে মনঃস্তাত্ত্বিক অনুশীলনীক এক প্ৰণালীবদ্ধভাৱে উপস্থাপন কৰা প্ৰথম ব্যক্তিগৰাকীয়েই হ'ল চিগমাণ্ড ফ্ৰয়েড। ফ্ৰয়েডৰ মনোবিশ্লেষণী পদ্ধতিৰে কৰা বিচাৰ বিশ্লেষণসমূহে আধুনিক যুগৰ চিন্তানায়কসকলক বিশেষভাৱে পৰিচালিত কৰিছে। মনোবিশ্লেষণী বা মনঃস্তাত্ত্বিক পদ্ধতিৰ প্ৰভাৱ সাহিত্যৰ প্ৰতিটো মাধ্যমতেই সমানেই বিদ্যমান।[১০২]

ঊনবিংশ শতাব্দীৰ ঔদ্যোগিক বিপ্লৱৰ ফলত পাশ্চাত্য দেশসমূহত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক পৰিৱৰ্তনৰ লগতে সাহিত্যৰ ক্ষেত্ৰতো বিপুল পৰিৱৰ্তনৰ জোৱাৰ আহিছিল। এই সময়ছোৱাত মানুহ নিঃসংগ হৈ পৰাৰ সমান্তৰালভাৱে একান্তই ব্যক্তিকেন্দ্ৰিক হৈ পৰিছিল। ইয়াৰ প্ৰভাৱ অবিচ্ছিন্নভাৱে সাহিত্যক্ষেত্ৰতো পৰিলক্ষিত হয়। সাহিত্যত বাহ্যিক জগততকৈ আভ্যন্তৰীণ জগতে প্ৰাধান্য লাভ কৰে। ঊনবিংশ শতিকাত ডষ্টয়েভস্কি আৰু দুই-এজন সাহিত্যিকে মনোবিশ্লেষণধৰ্মী উপন্যাস ৰচনা কৰিছিল। কিন্তু প্ৰকৃতাৰ্থত বিংশ শতিকাতহে মনোবিশ্লেষণধৰ্মী উপন্যাসে প্ৰতিষ্ঠা লাভ কৰে। এইক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য এখনি মনোবিশ্লেষণধৰ্মী উপন্যাস হ'ল জেমছ্ জয়চৰ *ইউলিছিছ* ।

মনস্তত্ত্বমূলক উপন্যাসত কাহিনীতকৈ চৰিত্ৰৰ গতি প্ৰকৃতিয়ে অগ্ৰাধিকাৰ লাভ কৰে— "মনস্তত্ত্বমূলক উপন্যাসে চৰিত্ৰৰ আৱেগিক জীৱনক প্ৰকাশ কৰে আৰু চৰিত্ৰৰ মানসিক ক্ৰিয়াকলাপৰ বিভিন্ন দিশ উন্মোচন কৰে। মনস্তত্ত্বমূলক উপন্যাসে ঘটনা কি তাতকৈ বেছি গুৰত্ব দিয়ে - ঘটনাটো কিয় ঘটিল - তাৰ কাৰণৰ ওপৰত।"[১০৩] অৰ্থাৎ ইয়াত মানুহৰ আচাৰ-আচৰণৰ অন্তৰালত নিহিত কাৰণসমূহ পোহৰলৈ অনা হয়। সাহিত্য সৃষ্টিৰ মূল উপজীব্য মানৱ জীৱন। মানৱ জীৱনৰ বিভিন্ন ৰহস্যময় কথা সেয়েহে সাহিত্যৰ পাঠত উদ্ভাসিত হৈ পৰে। এইক্ষেত্ৰত এক প্ৰশস্ত পথ হৈছে উপন্যাস। উপন্যাস এক ব্যাপকভাৱে বিস্তৃত সাহিত্য। সেইহেতুকে ইয়াত সকলোবোৰ বিষয়

পুংখানুপুংখভাৱে উপস্থাপন কৰাটো সহজ হৈ পৰে। মানুহৰ অন্তৰ্জগতৰ বিভিন্ন কোণত সুপ্ত বিষয়সমূহ উপন্যাসৰ পাতত বিস্তাৰিতভাৱে উপস্থাপিত হয়। ফ্ৰয়েডীয় মনস্তত্ত্বৰ সংযোজনত উপন্যাস সাহিত্যই এক নতুন গতি লাভ কৰে। পূৰ্বৰ বাহ্যিক জগতৰ উপস্থাপনৰ পৰা ফালৰি কাটি আহি উপন্যাস সাহিত্যই আভ্যন্তৰীণ জগতৰ লগত ব্যাপকভাৱে কেন্দ্ৰীভূত হৈ পৰে। "ফ্ৰয়েডীয় মনস্তত্ত্বক লৈ আমেৰিকাৰ শ্বেৰউড এণ্ডাৰছন, কন্ৰাড আইকেন, মে চিনক্লেয়াৰ আৰু ইংলেণ্ডৰ ডি. এইচ. লৰেঞ্চ, জেম্‌ছ জইচ আৰু ভাৰ্জিনিয়া উল্‌ফ আদিয়ে অতি সফলতাৰে উপন্যাস ৰচনা কৰিছে।"[১০৪]

অসমীয়া উপন্যাসত বিংশ শতিকাৰ ষাঠিৰ দশকৰপৰা মনস্তাত্ত্বিক ধ্যান-ধাৰণাৰ সাৰ্থক প্ৰকাশ ঘটে। অসমীয়া উপন্যাসত পাশ্চাত্য সাহিত্যৰ অন্যান্য প্ৰভাৱৰ লগতে মনস্তাত্ত্বিক তত্ত্বৰ প্ৰভাৱো মুখ্য। ইংৰাজ ঔপন্যাসিকসকলৰ প্ৰভাৱৰদ্বাৰা পৰিপুষ্ট হৈ অসমীয়া ঔপন্যাসিকসকলে উপন্যাসত মনস্তাত্ত্বিক তত্ত্বৰ সম্পৰীক্ষা চলায়। সম্প্ৰতি অসমীয়া উপন্যাস সাহিত্যত মনস্তত্ত্বৰ বিভিন্ন দিশসমূহৰ ব্যাপক প্ৰয়োগ ঘটা পৰিলক্ষিত হৈছে। সাহিত্যিক পাঠৰ মনস্তাত্ত্বিক বিশ্লেষণ কৰিব পৰা বিষয়সমূহ প্ৰধানতঃ এনেধৰণৰ—বিষয়বস্তু, চৰিত্ৰ, আংগিক আৰু কলা-কৌশল, সাহিত্যিক পাঠত প্ৰতিফলিত সাহিত্যিকৰ মনস্তত্ত্ব আৰু পাঠকৰ মনস্তত্ত্ব। ফ্ৰয়েডৰ মনস্তাত্ত্বিক তত্ত্ব সাহিত্যিক পাঠৰ বিশ্লেষণৰ ক্ষেত্ৰতো গ্ৰহণযোগ্য হৈছে। ব্যক্তিজীৱন তথা সমাজ জীৱনৰ প্ৰকাশেই সাহিত্যৰ মূল উদ্দেশ্য হোৱা হেতুকে ইয়াত ব্যক্তিৰ মনস্তাত্ত্বিক দিশটোও ওতঃপ্ৰোতভাৱে সাঙোৰ খাই পৰে। সাহিত্যৰ বিষয়বস্তু নিমাৰ্ণৰ ক্ষেত্ৰত ব্যক্তিৰ অৱচেতন মনত অৱদমিত হৈ থকা আশা-আকাংক্ষাই গভীৰ প্ৰভাৱ পেলায়। সপোন ফ্ৰয়েডীয় মনস্তাত্ত্বিক তত্ত্বৰ এক গুৰুত্বপূৰ্ণ বিষয়। সাহিত্যিক পাঠৰ বিষয়বস্তু হিচাপে সপোনে বহুসময় গুৰুত্ব লাভ কৰি আহিছে। ফ্ৰয়েডে সপোনৰ লগত সাহিত্যৰ সম্পৰ্ক প্ৰতিষ্ঠা কৰিছে। তেওঁৰ মতে এজন সাহিত্যিকে সাহিত্যত সপোনৰ ৰূপান্তৰ ঘটাই বিষয়বস্তুৰ মাজত তাক উপস্থাপন কৰে। "কল্পকাহিনী বা অন্যান্য কাব্যিক উপাদানৰ সৈতে আমাৰ সপোনৰ সম্পৰ্ক বিক্ষিপ্ত বা ঘটনাক্ৰমে সংঘটিত হোৱা বিষয় নহয়। তীক্ষ্ণ অন্তৰ্দৃষ্টি সম্পন্ন এজন কবিয়ে বিশ্লেষণাত্মক ভাৱে সপোনৰ ৰূপান্তৰ ঘটায়। ইয়াত কবি হৈছে এক আহিলা, যিয়ে এইবোৰত সপোনক অনুসৰণ কৰিছে।"[১০৫]

ব্যক্তিৰ পৰিয়াল চক্ৰত লাভ কৰা শৈশৱৰ অভিজ্ঞতাইও সাহিত্যিক পাঠৰ বিষয় হিচাপে ৰূপায়ণ হৈছে। শৈশৱৰ অভিজ্ঞতাই ব্যক্তি জীৱনত পেলোৱা প্ৰভাৱে ব্যক্তিৰ জীৱন কিদৰে পৰিচালিত কৰে সেয়া সাহিত্যিক পাঠত প্ৰকাশ লাভ কৰে। বহুসময়ত শৈশৱৰ অভিজ্ঞতাই

ব্যক্তিৰ জীৱনত নেতিবাচক প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। যাৰ পৰিণতিত ব্যক্তিৰ পৰৱৰ্তী সময়ত সহজ জীৱন-যাপন অসম্ভৱ হৈ উঠে। এনে বিভিন্ন কাৰণবশতঃ দুৰ্বিসহ হৈ পৰা ব্যক্তিৰ জীৱন কাহিনী সাহিত্যিকে বিষয়ৰ ৰূপত সাহিত্যত উপস্থাপন কৰি আহিছে। ফ্ৰয়েডৰ ইডিপাছ কমপ্লেক্স আৰু ইয়ুঙৰ ইলেকট্ৰা কমপ্লেক্সৰ ধাৰণাইও সাহিত্যিক পাঠত বিষয় হিচাপে ৰূপায়ণ হৈছে। পুত্ৰৰ মাতৃৰ প্ৰতি আৰু কন্যা সন্তানৰ পিতৃৰ প্ৰতি থকা আকৰ্ষণে পৰিয়ালকেন্দ্ৰিক জটিলতাৰ সৃষ্টি কৰিছে। অসমীয়া সাহিত্যত ইডিপাছ কমপ্লেক্সক বিষয় হিচাপে লৈ ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীয়ে *ঈদিপাস ঈদিপাস* নামৰ উপন্যাসখন ৰচনা কৰিছে। সাহিত্যিক পাঠত যৌন মনস্তাত্ত্বিক জটিলতাই এটা গুৰুত্বপূৰ্ণ বিষয় হিচাপে স্থান লাভ কৰিছে। ইয়ুঙৰ সমূহীয়া মনস্তত্ত্বৰ ধাৰণা সাহিত্যিক পাঠত যৌন মনস্তাত্ত্বিক জটিলতা আদি বিভিন্ন বিষয়ৰ মাধ্যমত প্ৰকাশ পাইছে। সাহিত্যিক পাঠত সন্তান, যৌন জীৱন, বৈধব্য জীৱন আদি বিভিন্ন প্ৰসংগত নাৰী চৰিত্ৰসমূহৰ এক উমৈহতীয়া বৈশিষ্ট্য পৰিলক্ষিত হয়। ঠিক একেদৰে পুৰুষ চৰিত্ৰৰ ক্ষেত্ৰতো কিছুমান উমৈহতীয়া দিশ বিদ্যমান। আকৌ শৈশৱৰ অভিজ্ঞতা, সন্তান আৰু যৌন আচৰণৰ প্ৰসংগত পুৰুষ আৰু নাৰীৰ সমূহীয়া মনস্তাত্ত্বিক দিশ কিছুমান সাহিত্যিক পাঠৰ মনস্তাত্ত্বিক অধ্যয়নে পোহৰলৈ আনে। চৰিত্ৰৰ ব্যক্তিগত আৱেগ-অনুভূতি, অৱদমিত ইচ্ছাকাংক্ষাৰ লগতে সমূহীয়া মনস্তাত্ত্বিক বৈশিষ্ট্যও সাহিত্যিক পাঠত উদঘাটন হয়। সাহিত্যিক পাঠৰ চৰিত্ৰসমূহ কাল্পনিক হ'লেও বহুসময়ত এইবোৰ সমাজৰ বিভিন্ন পটভূমিৰ পৰা বুটলি অনা হয়। সেয়েহে সাহিত্যিক পাঠে মানুহৰ জীৱনক প্ৰতিনিধিত্ব কৰে। ইয়াৰ মাজেৰে আৱেগ-অনুভূতি, সুখ-দুখ, হাঁহি-কান্দোন আদি সমস্ত মানৱ অনুভূতিৰ প্ৰকাশ ঘটে। সাহিত্যৰ মনস্তাত্ত্বিক অধ্যয়নে এইবোৰ বিষয়ৰ ওপৰত আলোকপাত কৰে। চৰিত্ৰৰ মানসিক দ্বন্দ্ব, আৱেগ-অনুভূতি, চেতন-অৱচেতন মন, পৰিয়ালকেন্দ্ৰিক জটিলতা, যৌন মানসিকতা আদি সকলোবোৰেই মনস্তাত্ত্বিক তত্ত্বৰ আলমত অধ্যয়ন সম্ভৱ। চৰিত্ৰৰ অন্তৰত অৱদমিত আকাংক্ষা আৰু এইবোৰৰ কাৰণ সম্পৰ্কীয় গতি-বিধি উপলব্ধি কৰাত সহায় কৰে মনোবিশ্লেষণে। মনোবিশ্লেষণে চৰিত্ৰৰ শৈশৱত পৰিয়াল চক্ৰত হোৱা অভিজ্ঞতাসমূহে চৰিত্ৰৰ মানসিক স্থিতিত পেলোৱা প্ৰভাৱ সম্পৰ্কেও অধ্যয়ন কৰাত সহায় কৰে। তাৰোপৰি মনস্তাত্ত্বিক তত্ত্বৰ এক গুৰুত্বপূৰ্ণ বিষয় সপোনৰ প্ৰাসংগিকতাই চৰিত্ৰৰ জীৱনত পেলোৱা প্ৰভাৱৰ বিষয়েও অধ্যয়ন সম্ভৱ। সাহিত্যই কোনো এজন ব্যক্তিৰ বাস্তৱ জীৱনক অংকন নকৰে, ই সমগ্ৰ মানৱ জাতিৰ উমৈহতীয়া মনস্তাত্ত্বিক দিশসমূহৰ ওপৰত আলোকপাত কৰে। যিবোৰ সাহিত্যৰ বিষয় অথবা চৰিত্ৰৰ মাজেৰে প্ৰকাশ পায়। সাহিত্যৰ মনস্তাত্ত্বিক অধ্যয়নে সমগ্ৰ মানৱ জাতিৰ মানসিক জগতখনৰ সৈতে আমাৰ পৰিচয় কৰাই দিয়ে।

আংগিক আৰু কলা-কৌশল সাহিত্যিক পাঠৰ এক গুৰুত্বপূৰ্ণ অংগ। সাহিত্যিকে নিজৰ কৰ্মৰাজীত ব্যৱহাৰ কৰা আংগিক আৰু কলা-কৌশলেও মনস্তাত্ত্বিক অধ্যয়নৰ গুৰুত্ব লাভ কৰে। সাহিত্যিক পাঠৰ মনস্তাত্ত্বিক বিশ্লেষণত লাঁকাৰ মনস্তাত্ত্বিক তত্ত্বৰ গুৰুত্ব সৰ্বাধিক। সাহিত্যিক পাঠত প্ৰতীকি ভাষা ব্যৱহাৰৰ জৰিয়তে চৰিত্ৰ তথা বিষয়ৰ মনস্তাত্ত্বিক দিশসমূহ উন্মোচন কৰা হয়। সাহিত্যিকে চৰিত্ৰৰ অন্তৰত চলি থকা বিভিন্ন ক্ৰিয়া-প্ৰতিক্ৰিয়া প্ৰকাশৰ মাধ্যম হিচাপে প্ৰতীকি ভাষাক নিৰ্বাচন কৰি লয়। কিয়নো কোনো ব্যক্তিৰ অন্তৰৰ নিভৃত কোণত কি ঘটি আছে সেয়া অন্য এজনে স্পষ্ট আৰু নিৰ্দিষ্টকৈ ক'ব নোৱাৰে। আনকি ব্যক্তিয়ে নিজেও নিজৰ অৱচেতন মনৰ অৱদমিত ইচ্ছা-আকাংক্ষাৰ সৈতে সম্পূৰ্ণকৈ চিনাকী নহয়। সেয়েহে কোনো ব্যক্তিয়ে সপোন তথা নিজৰ অন্তৰৰ কথা স্পষ্টকৈ ক'ব নোৱাৰে। সাহিত্যিক পাঠতো সেয়েহে এনেধৰণৰ প্ৰসংগ উত্থাপন কৰিবলৈ সাহিত্যিকে প্ৰতীকি ভাষাৰ আশ্ৰয় লয়। একেদৰে সাহিত্যিক পাঠত ব্যৱহৃত চিত্ৰকল্প, উপকাহিনী, ৰূপাংগ আদিৰ ব্যৱহাৰৰ আঁৰতো মনস্তাত্ত্বিক তাৎপৰ্য অন্তৰ্নিহিত হৈ থাকে।

সাহিত্যিক পাঠৰ সৈতে সাহিত্যিকগৰাকীৰ মনস্তাত্ত্বিক দিশো জড়িত হৈ থাকে। সাহিত্যিক এগৰাকীয়ে বহুক্ষেত্ৰত নিজৰ জীৱনৰ অপূৰণীয় আশা-আকাংক্ষাৰ পৰিপূৰ্তি ঘটায় সাহিত্যিক পাঠত বিষয় তথা চৰিত্ৰৰ মাধ্যমেৰে। "সকলো ধৰণৰ মনোবিশ্লেষণাত্মক সাহিত্য আৰু কলাৰূপে লেখক, পাঠকৰ অৱচেতনাক প্ৰতিনিধিত্ব কৰে। ইয়াৰ লগতে আমাৰ সমাজ ব্যৱস্থাৰ লগত জড়িত কিছুমান মনোবিশ্লেষণাত্মক সমালোচনাকো ই সামৰি লয়।"[১০৬]

সপোনত ব্যক্তিমনৰ আশা-আকাংক্ষা অনুমোদিত ৰূপত প্ৰকাশ পোৱাৰ লেখিয়াকৈ সাহিত্যতো ই সমৰূপভাৱেই মূৰ্ত হয়। সৃষ্টিশীল সাহিত্যত চৰিত্ৰ, বিষয়বস্তু, কাহিনীৰ আঁত ধৰি সাহিত্যিকজনে ভুমুকি মাৰে। সাহিত্যত সাহিত্যিকৰ মনস্তত্ত্বৰ প্ৰকাশ প্ৰায়ে প্ৰহেলিকাময় হোৱা পৰিলক্ষিত হয়। সাহিত্যিকে ইচ্ছাকৃতভাৱে বা কেতিয়াবা সাহিত্যিকজনৰ অজ্ঞাতে স্বতঃস্ফুৰ্তভাৱে মনস্তত্ত্বৰ ৰূপায়ণ ঘটে। ফ্ৰয়েডে সাহিত্যত সপোনৰ সন্ধান কৰিছিল। ব্যক্তি এজনৰ অৱচেতন মনত ঘটি থকা ঘটনাবোৰ সপোনৰ মাধ্যমেৰে বহিৰ্প্ৰকাশ ঘটে। অনুৰূপভাৱে সাহিত্যিক এজনৰ সৃষ্টিশীল সাহিত্য কৰ্মৰ মাজেৰেও অৱচেতন মনত ক্ৰিয়া কৰা বিষয়সমূহ প্ৰকাশ ঘটাতো অনস্বীকাৰ্য। সেয়েহে ফ্ৰয়েডে সপোনৰ লগত সাহিত্যৰ সাদৃশ্যতা প্ৰত্যক্ষ কৰিছিল। সপোনত ব্যক্তিৰ অৱচেতন মনত ঘটি থকা ঘটনাবোৰ যিধৰণে মুকলি হৈ পৰে সাহিত্যতো সাহিত্যিকগৰাকীৰ মনস্তত্ত্বৰ বিভিন্ন দিশ পোহৰলৈ আহে। সেয়েহে সাহিত্যক ব্যক্তিৰ মনস্তত্ত্বলৈ যোৱাৰ এটি পথ আখ্যা দিব পৰা যায়। সাহিত্যিক পাঠ একোটাক লেখকৰ মনস্তত্ত্বৰ সৈতে সামৰি অধ্যয়ন কৰিলে এই কথা

স্পষ্ট হৈ পৰে। অৰ্থাৎ লেখকৰ শৈশৱৰ অভিজ্ঞতা তথা বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ প্ৰভাৱ সাহিত্যকৰ্মত পৰাটো নিতান্তই স্বাভাৱিক। ফ্ৰয়েডে শ্বেক্সপীয়েৰৰ নাটৰ চৰিত্ৰসমূহৰ মাধ্যমেদি শ্বেক্সপীয়েৰৰ মনস্তত্ত্বৰ প্ৰকাশ ঘটাৰ কথা যুক্তিযুক্তভাৱে প্ৰতিপন্ন কৰিছে। এই সম্পৰ্কত তেওঁ মতপোষণ কৰিছে এনেদৰে—

> অফেলাৰ সৈতে কথোপকথনত হেমলেটে যি যৌন অনাগ্ৰহ প্ৰদৰ্শন কৰিছে সেইধৰণৰ যৌন অনীহা কবিয়ে নিজৰ জীৱনৰ পৰৱৰ্তী কিছুবছৰত ধাৰণ কৰিছিল। *হেমলেটত* প্ৰকাশ পোৱা এইধৰণৰ বিষয়সমূহৰ মাজেৰে শ্বেক্সপীয়েৰৰ ব্যক্তিগত মনস্তত্ত্বৰ প্ৰকাশ ঘটিছে বুলি ফ্ৰয়েডে উল্লেখ কৰিছে। জৰ্জ ব্ৰেণ্ডেছে শ্বেক্সপীয়েৰৰ ওপৰত কৰা কৰ্মৰপৰা প্ৰাপ্ত তথ্যৰ ওপৰত ভিত্তি কৰি ফ্ৰয়েডে সিদ্ধান্তত উপনীত হৈছে যে শ্বেক্সপীয়েৰে *হেমলেট* নাটখন দেউতাকৰ মৃত্যুৰ ঠিক পিছতেই ৰচনা কৰিছিল। ইয়াত তেওঁৰ শেহতীয়া শোকৰ মাজত পিতৃৰ প্ৰতি থকা শৈশৱৰ আৱেগ পুণৰুজ্জীৱিত হোৱা বুলি ধৰি ল'ব পৰা যায়। শ্বেক্সপীয়েৰৰ হেমলেট নামৰ পুত্ৰগৰাকীৰ অতি সোনকালে মৃত্যু ঘটিছিল। *হেমলেটত* পিতৃ-মাতৃ আৰু পুত্ৰৰ সম্পৰ্ক অংকন কৰাৰ পৰিৱৰ্তে *মেকবেথত* সন্তানহীনতাৰ বিষয় উপস্থাপন কৰা হৈছে।[১০৭]

অৰ্থাৎ শ্বেক্সপীয়েৰৰ জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ ৰূপায়ণ ঘটিছে তেওঁৰ সৃষ্টিৰাজীত। *হেমলেট* নাটকত হেমলেট আৰু পিতৃৰ সম্পৰ্ক উপস্থাপন কৰিবলৈ যোৱাৰ সময়ত তেওঁৰ ব্যক্তিগত স্মৃতি বিজড়িত হৈ পৰিছে। শ্বেক্সপীয়েৰৰ পৰৱৰ্তী জীৱনত যৌনতাই যি প্ৰভাৱ বিস্তাৰ কৰিছিল সেয়া হেমলেট চৰিত্ৰৰ মাজেৰে প্ৰকাশ ঘটিছে। একেদৰে সন্তানৰ মৃত্যুত ব্যথিত কবিৰ অন্তৰৰ যন্ত্ৰণা মূৰ্ত হৈ উঠিছে *মেকবেথত*। সন্তানৰ অনুপস্থিতিত কবিৰ জীৱনত যি শূন্যতাই বিৰাজ কৰিছিল সেয়া *মেকবেথত* সন্তানহীনতাৰ প্ৰসংগ উত্থাপনৰ মাজেৰে প্ৰকাশ ঘটিছে। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই ফ্ৰয়েডে কৈছে—"সপোনৰ লেখিয়াকৈ প্ৰতিটো স্নায়ুৰোগগ্ৰস্ত লক্ষণ পুনৰায় ব্যাখ্যা কৰিবলৈ সক্ষম। ঠিক একেদৰে প্ৰতিটো কাব্যিক সৃষ্টিৰ লগতো একাধিক উদ্দেশ্য জড়িত হৈ থাকে। কবিৰ মনত এটাতকৈ অধিক আৱেগ আৰু এটাতকৈ অধিক ব্যাখ্যাৰ উপস্থিতি অনস্বীকাৰ্য।"[১০৮] এনেদৰেই সাহিত্যৰ মনস্তাত্ত্বিক অধ্যয়নে বিষয়বস্তু, চৰিত্ৰ, আংগিক আৰু কলা-কৌশলৰ সমান্তৰালভাৱে সাহিত্যিকগৰাকীৰ মনস্তাত্ত্বিক বৈশিষ্ট্যসমূহকো পোহৰলৈ অনাত বিশেষ ভূমিকা গ্ৰহণ কৰে।

সাহিত্যিকে সাহিত্য সৃষ্টি কৰে পাঠকৰ বাবে। পাঠকৰ হৃদয়গ্ৰাহী হোৱা সাহিত্যইহে সমাদৰ লাভ কৰিবলৈ সক্ষম হয়। সেয়েহে সাহিত্য সৃষ্টিৰ সময়ত সহিত্যিকগৰাকীয়ে পাঠকৰ মনস্তত্ত্বৰ

প্ৰতিও বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিবলগীয়া হয়। পাঠকৰ মনস্তত্ত্বৰ লগত জড়িত বিভিন্ন বিষয় উপস্থাপন কৰাৰ জৰিয়তে সাহিত্যিকে পাঠ আৰু পাঠকৰ মাজত এক আন্তঃসম্পৰ্ক গঢ়ি তোলে। সাহিত্যিক পাঠৰ মনস্তাত্ত্বিক অধ্যয়নে সাহিত্যৰ বিভিন্ন দিশৰ লগতে পাঠকৰ মনস্তত্ত্বকো সামৰি লয়।

গতিকে ওপৰৰ আলোচনাৰপৰা সাহিত্যৰ মনস্তাত্ত্বিক তত্ত্বই সাহিত্যিক পাঠৰ অধ্যয়নৰ ক্ষেত্ৰত বিচাৰ্যতাৰ আওঁতাত অনা বিষয়সমূহক আমি এনেধৰণে তুলি ধৰিব পাৰোঁ—

ক) উপন্যাসৰ চৰিত্ৰসমূহৰ অৱচেতন মন আৰু অৱদমিত আশা-আকাংক্ষাসমূহ কেনেধৰণে চৰিত্ৰাংকণত প্ৰকাশ পাইছে আৰু এইবোৰে চৰিত্ৰসমূহক কিদৰে পৰিচালিত কৰিছে। লগতে এইবোৰৰ মাধ্যমেৰে সাহিত্যিক পাঠৰ বিষয়বস্তু তথা সামগ্ৰিক পৰিকাঠামো কিদৰে গঢ় লৈ উঠিছে।

খ) সাহিত্যিক পাঠৰ বিষয় হিচাপে সপোনে কিদৰে গুৰুত্বতা লাভ কৰিছে।

গ) চৰিত্ৰই পৰিয়াল চক্ৰত লাভ কৰা শৈশৱ তথা অতীত অভিজ্ঞতাৰ লগত সাহিত্যিক পাঠৰ ঘটনাক্ৰমৰ সম্পৰ্ক বিচাৰ।

ঘ) চৰিত্ৰৰ অৱচেতন প্ৰৱণতা তথা চৰিত্ৰই প্ৰদৰ্শন কৰা আচাৰ-আচৰণৰ কাৰণ ইডিপাছ কমপ্লেক্স আৰু ইলেকট্ৰা কমপ্লেক্সৰ প্ৰভাৱ নেকি সেয়া বিচাৰ।

ঙ) বিভিন্ন প্ৰসংগত পুৰুষ বা নাৰী চৰিত্ৰসমূহৰ সমূহীয়া মনস্তাত্ত্বিক দিশ প্ৰকাশ পাইছে নেকি তাক বিচাৰ কৰা তথা সাহিত্যিক পাঠত সমূহীয়া মনস্তত্ত্বৰ বিচাৰ।

চ) সাহিত্যিক পাঠৰ সমাজ-মনস্তাত্ত্বিক দিশৰ বিচাৰ।

ছ) সাহিত্যিক পাঠত ব্যৱহৃত ভাষা, প্ৰতীক, চিত্ৰকল্প, উপকাহিনী, ৰূপাংগ আদিক মনোবিশ্লেষণাত্মক ধাৰণাৰ আধাৰত বিশ্লেষণ কৰি সেইবোৰৰ মনস্তাত্ত্বিক তাৎপৰ্যৰ সন্ধান কৰা।

জ) সাহিত্যিক পাঠৰ চৰিত্ৰ, কোনো ঘটনা, বিষয় বা কাহিনীৰ বৰ্ণনা প্ৰসংগত প্ৰতিফলিত কথকৰ মনস্তত্ত্বৰ সন্ধান কৰা।

ঝ) সংশ্লিষ্ট পাঠত সাহিত্যিকগৰাকীৰ মনস্তাত্ত্বিক অৱস্থাৰ কোনোধৰণৰ ইংগিত পোৱা যায় নেকি তাৰ অধ্যয়ন। লেখকৰ শৈশৱৰ অভিজ্ঞতা তথা বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ প্ৰভাৱ তেওঁৰদ্বাৰা সৃষ্ট সাহিত্যিক কৰ্মত কিধৰণে পৰিছে সেয়া সাহিত্যৰ মনস্তাত্ত্বিক অধ্যয়নত অন্তৰ্ভুক্ত।

ঞ) সাহিত্যিক পাঠৰ সৈতে পাঠকৰ মনস্তত্ত্ব কিদৰে সাঙোৰ খাই থাকে সেয়াও সাহিত্যিক পাঠৰ মনস্তাত্ত্বিক অধ্যয়নে সামৰি লয়।

**প্ৰসংগ টোকা ঃ**

১ ফুনু দাস শৰ্মা আৰু অন্যান্যসকল। *স্নাতক মহলাৰ শিক্ষা মনোবিজ্ঞান*। পৃঃ ১০

২ দেবানন্দ বৰুৱা। সম্পা। *হেমকোষ*। পৃঃ ১০৫৯

৩ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১০৫৯

৪ "Study or Science of soul"–S.K.Mangal. *Educational Psychology*. পৃঃ ১

৫ "Psychology is the Science of the mind"– পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১

৬ "Psychology is the Science of conscious level of human mind"–ফুনু দাস শৰ্মা আৰু অন্যান্যসকল।*স্নাতক মহলাৰ শিক্ষা মনোবিজ্ঞান*। পৃঃ ১০,১১

৭ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১

৮ "Psychology is the Science which aims to give us better understanding and control of behaviour of the organism"–পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১২

৯ "Psychology is the scientifie study of the activities of the individual in relation to his environment"–S.K.Mangal. *Educational Psychology*. পৃঃ ২

১০ "Briefly defined psychology is the study of human behaviour and human relationships"– পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২

১১ "Psychology today concerns itself with the scientific investigation of behaviour"–পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২

১২ "Psychology is the scientific study of behaviour of living creatures in their contact with the other living"–ফুনু দাস শৰ্মা আৰু অন্যান্যসকল।*স্নাতক মহলাৰ শিক্ষা মনোবিজ্ঞান*। পৃঃ ১২,১৩

১৩ "Psychology is a legitimate child of philosophy"–S.K.Mangal. *Educational Psychology*. পৃঃ ১

১৪ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ। *শিক্ষা*। পৃঃ ১০৮

১৫ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৩

১৬ "Any manifestation of life is activity, says woodworth (1948) and behaviour is a collective name for these activities"– S.K.Mangal. *Educational Psychology* . পৃঃ ২

১৭ ফুনু দাস শৰ্মা আৰু অন্যান্যসকল।*স্নাতক মহলাৰ শিক্ষা মনোবিজ্ঞান*। পৃঃ ১২

১৮ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ। *শিক্ষা*। পৃঃ ১১৩-১১৫

১৯ "A child is a child, before he is a man"— পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৫

২০ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১৫

২১ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১২২

২২ "Psychoanalysis is a method of treating nervous patients medically"– Sigmund Freud. *A General Introduction To Psychoanalysis*. পৃঃ ৯

২৩ "the goal of psychoanalysis is to help us resolve ur psychological problems, often called disorders or dysfunctions (and none of us is completely free of psychological problems), the focus is on patterns of behaviour that are destructive in some way. I say patterns of behavior because our repetition of destructive behavior reveals the existence of some significant psychological difficulty that has probably been influenciny us for some time without knowing it. Infact, it is our not knowing about a problem or, if we do know we have a problem, not realizing when it is influencing our behavior-that gives it so much control over us."– Lois Tyson. *Critical Theory Today*.পৃঃ ১২

২৪ "The unconscious is the larger circle which includes within itself the smaller circle of the conscious; everything conscious has its preliminary step in the unconscious, whereas the unconscious may stop with this step and still claim full value as a psychic activity."–Sigmund Freud.*The Interpretation Of Dreams*.Trans. A.A.Brill.পৃঃ ৫২৩

২৫ "a state of consciousness is characteristically very transitory; an idea that is conscious now is no longer so a moment later, although it can become so again under certain conditions that are easily brought about."– Sigmund Freud. *The Ego And The Id*.পৃঃ ১৪

২৬ "we have two kinds of unconscius-The one which is latent but capable of becoming conscious, and the one which is repressed and which is not, in

itself and without more ado, capable of becoming conscious."— পূর্বোক্ত গ্রন্থ, পৃঃ ১৫

২৭ "The state in which the ideas existed before being made conscious is called by us repression, and we assert that the force which instituted the repression and maintains it is percived as resistance during the work of analysis."—পূর্বোক্ত গ্রন্থ, পৃঃ ১৪

২৮ "we can now play about comfortable with our three terms, cs. Pcs and Ucs. So long as we do not forget that in the descriptive sense there are two kinds of unconscious, in the dynaic sense there is only one." — পূর্বোক্ত গ্রন্থ, পৃঃ ১৫

২৯ "The id is the reservoir for the instincts and libido (the psychic energy manifested by the instincts). The id is a powerful structure of the personality because it supplies all the energy for the other two components."– Duane P Schultz And Sydney Ellen Sydney. *Theories Of Personality*. পৃঃ ৪৫

৩০ "The id operates in accordance with what Freud called the pleasure principle."—পূর্বোক্ত গ্রন্থ, পৃঃ ৪৬

৩১ "The id is a selfish, pleasure-seeking structure-primitive, amorl, insistent, and rash."—পূর্বোক্ত গ্রন্থ, পৃঃ ৪৬

৩২ "It is to this ego that consciousness is attached; the ego controls the approaches to motility-that is, to the discharge of excitations into the external world; it is the mental agency which supervises all its own constituent processes, and which goes to sleep at night, though even then it exercises the censorship or dreams."–Sigmund Freud. *The Ego And The Id.* পৃঃ ১৬

৩৩ "Thus in its relation to the id it is like a man on horseback, who has to hold in check the superior strength of his horse; with this difference, that the ridertries to do so with his own strength while the ego uses borrowed forces. The analogy may be carried a little further often a rider, if he is not to be

parted from his horse, is obliged to guide it where it wants to go; so in the some way the ego is in the habit of transforming the id's will into action as if it were its own."—পূর্বোক্ত গ্রন্থ, পৃঃ ২৪

৩৪ "The super ego strives neither for pleasure (as the id does) nor for attainment of realistic goals (as the ego does). It strives solely for moral perfection. The id presses for satis-faction, the ego tries to delay it, and the superego urges morality above all. Like the id, the superego admits no compromise with its demands." – Duane P Schultz  And Sydney Ellen Sydney. *Theories Of Personality*. পৃঃ ৪৭

৩৫ "According to this view we have to distinguish two classed of instincts, one of which, the sexual instincts or Eros, is by for the more conspicuous and accessible to study. It comprise not merely the uninhibited sexual instinct proper and the instinctual impulses of an aim-inhibited or sublimated nature derived from it, but also the self-preservative instinct."– Sigmund Freud. *The Ego And The Id*. পৃঃ ৩৯

৩৬ "One component of the death instincts is the aggressive drive, which he saw as the wish to die turned against objects other than the self. The aggressive drive compels us to destory, conquer, and kill. Freud come to con-sider aggression as compelling a part of human nature as sex."–Duane P Schultz And Sydney Ellen Sydney. *Theories Of Personality*. পৃঃ ৪৪

৩৭ "The psychic energy mainfested by the life instincts is the libido (The libido can be attached to or invested in objects, a concept Freud called cathexis.)"—পূর্বোক্ত গ্রন্থ, পৃঃ ৪৪

৩৮ "It seems certain that the newborn child brings with it the germs of sexual feelings which continue to develop for some time and then succumb to a progressive suppression, which is in turn broken through by the proper advances of the sexual development and which can be checked by individual

idiosyncrasies."– Sigmund Freud. *Three Contribution Of The Sexual Theory*. Trans. A. A. Brill. পৃঃ ৩৮

৩৯ "He belived that the infant is driven to obtain a diffus form of bodily pleasure deriving from the mouth, anus, and genitals, the erognous zones that define the stage of development during the first 5 years of life."– Duane P Schultz  And Sydney Ellen Sydney. *Theories Of Personality*. পৃঃ ৫২

৪০ পূর্বোক্ত গ্রন্থ, পৃঃ ৫২

৪১ "Of course, the mouth is obviously used for survival-for the ingestion of food and water-but Freud placed a greater emphasis on the erotic satisfactions derived from oral a ctivities." পূর্বোক্ত গ্রন্থ, পৃঃ ৫২

৪২ "Like the lip zone the anal zone is, through its position adapted to conduct the sexuality to the other functions of the body. It should be assumed that the erogenous significance of this region of the body was originally very large."– Sigmund Freud.*Three contribution Of The Sexual Theory.*Trans. A. A. Brill.পৃঃ ৪৫

৪৩ "children at the phallic stage display considerable interest in exploring and manipulating the genitals, their own and those of their playmates."– Duane P Schultz  And Sydney Ellen Sydney. *Theories Of Personality*. পৃঃ ৫৪

৪৪ "The sexual activities of this erogenous zone, which belongs to the real genitals, are the begin-ming of the later normal sexual life."– Sigmund Freud.*Three contribution Of The Sexual Theory.*Trans. A. A. Brill. পৃঃ ৪৬

৪৫ "One learns from these observations to what early years these ideas extend back-ideas which we designate as the ovdipus-complex, because this myth realizes with a very slightly weakened effect the two extreme wishes which grow out of the sitution of the son-to kill his father and take his mother to wife."– Sigmund Freud. *A General Introduction To Psycho analysis*. পৃঃ ১৮১

৪৬ "At this early time children feel deeply the enormous importance of their parents and their entire world is bounded by their family circle."– C.G.Jung. *Psychology of The Unconscious*.Trans.Beatrice M.Hinkle. Introduction, xxiii

৪৭ "As a child grows up, the role of father is carried on by teachers and others in authority; their injunctions and prohibitions remain powerful in the ego ideal and continue, in the form of conscience, to exercise the moral censorship. The tension between the demands of conscience and the actual performance of the ego is experienced as a sense of guilt. Social feelings rest on identifications with other people, on the basis of having the some ego ideal."– Sigmund Freud. *The Ego And The Id*. পৃঃ ৩৭

৪৮ "The oedipus-complex expands and becomes a family-complex when other children appear."– Sigmund Freud. *A General Introduction To Psychoanalysis*. পৃঃ ২৯৩

৪৯ "The first book in which the dream is treated as an object of psychology seems to be that of Aristotle (concerning Dreams and their Interpretation)."– Sigmund Freud.*The Interpretation Of Dreams*.Trans.A.A.Brill. পৃঃ ১০

৫০ "The Dream is momentous psychic act; its motive power is at all times to fulfil a wish; its indiscernibleness as a wish and its many peculiarities and absurdities are due to the influence of the psychic censor to wish it has been subjected during its formation."–পূর্বোক্ত গ্রন্থ, পৃঃ ৪৫৯

৫১ "During sleep, the unconscious is free to express it self, and it does so in ous dreams."– Lois Tyson. *Critical Theory Today*. পৃঃ ১৮

৫২ "Dreams are the Royal Road To the unconscious."– Sigmund Freud.*The Interpretation of Dreams*. Trans. A.A. Brill. পশ্চাৎ পৃষ্ঠা

৫৩ "We shall call that which the dream retates, the manifest content of the dream; that which is hidden, which we can only reach by the analysis of

ideas we shall call latent dream thoughts."– Sigmund Freud. *A General Introduction To Psychoanalysis*. পৃঃ ১০৩

৫৪ পূর্বোক্ত গ্রন্থ, পৃঃ ১৪৯-১৫৬

৫৫ "Condensation occurs in the following ways: 1. certain latent elements are entirelyomitted; 2. only a fragment of the many complexes of the latent dream is carried over into the manifest dream; 3. latent elements that have something in common are collected for the manifest dreama and are fused into a whole."– পূর্বোক্ত গ্রন্থ, পৃঃ ১৪৯

৫৬ ".... It is entirely the work of dream censorship."–পূর্বোক্ত গ্রন্থ, পৃঃ ১৫১

৫৭ "For a few kinds of material a universally applicable dream symbolism has been established on a basis of generally know allusions and equivalents."– Sigmund Freud.*The Interpretation Of Dreams*.Trans.A.A.Brill. পৃঃ ৩৪৬

৫৮ "The Dream element is itself a symbol of the unconscious dream thought."– Sigmund Freud. *A General Introduction To Psychoanalysis*. পৃঃ ১৩০

৫৯ "The discoverer of dream symbolism, if we insist on a discovery in modern times, was the philosopher K.A. Scherner (1861)."– পূর্বোক্ত গ্রন্থ, পৃঃ ১৩১

৬০ "The great majority of symbols in the dream are sex symbols."– পূর্বোক্ত গ্রন্থ, পৃঃ ১৩৩

৬১ "All elongated objects, sticks, tree-trunks, and umbrellas (on account of the stretching-up which might be compared to an erection! all elongated and sharp weapons, knives, daggers, and pikes, are intended to represent the male member. A frequent, not very intelligible, symbol for the some is a naif file (on account of the rubbing and scraping?). Little cases, boxes, caskets, closets, and stoves correspond to the female part."–Sigmund Freud.*The Interpretation Of Dreams*.Trans.A.A.Brill. পৃঃ ২৫৮

৬২ "The child's dream is a reaction to an experience of the day, which has left behind it a regret, a longing or an unfulfilled desire. The dream brings about the direct unconcealed fulfillment of this wish."–Sigmund Freud. *A General Introduction To Psychoanalysis*. পৃঃ ১০৯

৬৩ "The family is very important in psychoanalytic theory because we are each a product of the role we are given in the family -complex."–Lois Tyson. *Critical Theory Today*. পৃঃ ১৩

৬৪ "When we look at the world through a psychoanalytic lens, we see that it is comprised of individual human beings, each with a psychological history that begins in childhood experience in the family and each with patterns of adolescent and adult behavior that are the direct result of that early experience."–পূর্বোক্ত গ্রন্থ, পৃঃ ১২

৬৫ "Jung's loneliness is reflected in his theory, which focuses on the inner growth of the individual rather than on relationships with other people."–Duane P Schultz  And Sydney Ellen Sydney. *Theories Of Personality*. পৃঃ ৮৩

৬৬ "Sigmund freud once designated carl Jung as his spiretual son and heir, but Jung went on to develop his own theory of personality that differed dramatically from orthodox psychoanalysis. He fashioned a new and slaborate explanation of human nature quite unlike any other which he called analytical psychology."–পূর্বোক্ত গ্রন্থ, পৃঃ ৮১

৬৭ "The first point on which Jung came to disagree with Freud was the role of sexuality. Jung broadened Freud's definition of libido by redefining it as a more gener-alized psychic energy  that included sex but was not restricted to it. The second major area of disagreement concerned the direction of the forces that influence personality. Whereas Freud viewed human beings as prisoners or victims of past events Jung believed that "man is not necessarily

doomed forever to be shoved about by traumas over which he could exercise little control... The third significant point of difference revolved around the unconscious." –পূর্বোক্ত গ্রন্থ, পৃঃ ৮১,৮২

৬৮ "... So that there now exist two schoolsled respectively by professor Sigmund Freud of vienna and Dr. carl Jung of Zurich, referred to in the literature as the vienna school and the Zurich school."– C.G.Jung. *Psychology Of The Unconscious*. Trans. Beatrice M.Hinkle. পৃঃ viii

৬৯ "We cannot possibly rest on the dogma that consciousness only is mind, when we can convince ourselves daily that our consciousness is only the stage. When the contents of our consciousness appeas they are already in a highly conplex form; the grouping of our thoughts from the elements supplied by our memory is almost entirely unconscious."– C.G.Jung. *The Theory Of Psychoanalysis*. পৃঃ ৫৬

৭০ "But this personal unconscious rests upon a deeper layer, which doesnot derive from personal experience and is not a personal acquisition but is inborn. This deeper layer I call the collectiveunconscious."– C.G.Jung.*The Archetype And TheCollective Unconscious*.Trans. R.F.C Hull. পৃঃ ২০

৭১ ".... identical in all men and thus constitutes a common psychic substrate of a suprapersonal nature which is present in every one of us." – পূর্বোক্ত গ্রন্থ, পৃঃ ২০

৭২ "Through the introduction of the conception of the libido we see that in adults those elementory components which seemed to be the origin and the source of normal sexuality, lose their importance, and are reduced to mere potentialities. The effective power, their life force, is to be found in the libido."– C.G.Jung. *The Theory Of Psychoanalysis*. পৃঃ ৩০

৭৩ "The first phase embraces the first years of life.I call this part of life the pre-sexual stage.These years correspond to the caterpillar-stage of butterflies,

and are characterized almost exclusively by the functions of nutrition and growth. The second phase embraces the later years of childhood up to puberty, and might be called the pre-pubertal stage. The third phase is that of riper years,proceeding only from puberty onwards, and could be called the time of maturity."– C.G.Jung. *The Theory Of Psychoanalysis*. পৃঃ ৩৩

৭৪ "This jealousy of the daughter towards the mother is called the Electra complex from the myth of Electra who took revenge on her mother for the murder of the husband because she was in this way deprived of her father."– C.G.Jung. *Psychology Of The Unconscious*. Trans. Beatrice M.Hinkle.পৃঃ xxxiii

৭৫ ".... From this standpoint alone, we might regard the dream as on effect of unconscious origin."– C.G. Jung. *The Theory Of Psychoanalysis*. পৃঃ ৬০

৭৬ ".... We call a dream symbolic, as a dream is a psychological formation, of which the origin, meaning and aim are obscure, inasmuch as it represents one of the purest products of unconscious constell ation."–পূর্বোক্ত গ্রন্থ, পৃঃ ৬৪

৭৭ "The sources of dreams are often repressed instincts which have a natural tendency to influence the conscious mind."– C.G.Jung. *The Archetypes And The Collective Uncoscious*. Trans. R.F.C Hull.পৃঃ ৬৩

৭৮ "ideology has always- already interpellated individuals as subjects, which amounts to making it clear that individuals are always- already interpellated by ideology as subjects, which necessarily leads us to one last proposition: individuals are always- already subjects."– Louis Althusser. "Ideology and Ideology state Apparatuses". Trans. G. M. Goshgarian. *On The Reproduction Of Capitalism.* পৃঃ ২৬৫

৭৯ "This position regarding the autonomy of the symbolic is the only position that allows us to clarify the theory and practise of free association in psycho-analysis."– Jacques Lacan. *Ecrits*.Trans. Bruce Fink. পৃঃ ৩৯

৮০ ".... That imaginary effects, for from representing the core of amalytic experience, give us nothing of any consistency unless they are related to the symbolic chain that binds and orients them."—পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬

৮১ অঞ্জন কুমাৰ ওজা। *সাহিত্য সমালোচনা তত্ত্ব*। পৃঃ ৬২

৮২ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৮০

৮৩ ".... my insertion of the unconscious into language"– Jacques Lacan. *Ecrits*.Trans. Bruce Fink.পৃঃ ৫৬

৮৪ "(I am, of course, a ware of the importance of imaginary impregnations (prä-gung) in the partializations of the symbolic alternative that give the signify-ing chain its appearance. Never-theless, I posit that it is the low specific this chain which governs the psychoanalytic effects that are determinant for the subject-efect such as foreclosure (vewerfung), repression (verdrängung), and negation (verneinung) itself-and I add with the appropriate emphasis that these effects follow the displacement (Entstellung) of the signifier so faith-fully that imaginary factors, despite their imertia, figure only as shadows and reflections therein.)"–পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬

৮৫ "For the signifier is a unique unit of being which, by its very nature, is the symbol of but an absence. This is why we cannot say of the purloined letter that, like other objects, it must be or not be some where but rather that, unlike them, it will be and will not be where it is wherever it goes."–পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৭

৮৬ "Man literally devotes his time to deploying the structural alternative in which presence and absence each find their essential conjuction and, so to speak, at the zero point of desire that the human object comes under the sway of the grip which, conceling out its natural property, submits it henceforth to the symbol's conditions."– পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৩৫

৮৭ "In fact, we have here nothing more than an illuminating insight into the

entrance of the individual into on order whose mass suports him and welcomes him in the form of language, and superimposes determination by the signifier onto determination by the signified in both diachrony and synchrony.'—পূর্বোক্ত গ্রন্থ, পৃঃ ৩৫

৮৮ "Psychical phenomena are thus granted no reality of their own: those that do not belong to "true" reality have only on illusory reality."–পূর্বোক্ত গ্রন্থ, পৃঃ ৬৩

৮৯ "It is insofar as this psychology is a function of this treeth that it is not a science."—পূর্বোক্ত গ্রন্থ, পৃঃ ৬৩

৯০ "But the psychoanalyst, in order not to detach analytic experience from the language of the situation that it implies, the situation of the intertocutor, comesupon the simple fact that language, prior to signifying something signifies to someone."—পূর্বোক্ত গ্রন্থ, পৃঃ ৬৬

৯১ "And language, being approached via its function of social expression, reveals both its significant unity in intention and its constitutive ambiguty as subjective expres-sion, admitting something that contradicts thought or using thought to lie."–পূর্বোক্ত গ্রন্থ, পৃঃ ৬৭

৯২ ".... then it is already quite clear that symptoms can be entirely resolved in an analysis of language, because a symptom is itself structured like a language: a synptom is language from which speech must be delivered."-পূর্বোক্ত গ্রন্থ, পৃঃ ২২৩

৯৩ "The unconscious is not a species defining the circle of that part of psychical reality which does not have the attribute (or the virtue) of consciousness."— পূর্বোক্ত গ্রন্থ, পৃঃ ৭০৩

৯৪ "I am thinking, rather, of emotional commu-nication, which is essential to social groups and manifests itself immediately enough in the fact that man exploits his semblable, recognizes himself in this semblable, and is attached

to this semblable by the indelible psychical link that perpetuates the truly specific vital misery of his first years of life."—পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৭০

৯৫ ".... a man's character can include an identification with a parental feature that disappeared before the time of his earliest memories. What is transmitted by the psychical pathway are traits that give the individual the partievlar form of his human relations, in other words, his personality."– পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৭২

৯৬ "As an energetic concept, on the contrary, libido is merely the symbolic nota-tion for the equivalence between the dynamism invested by image in behavior."—পূৰ্বোক্ত গ্ৰন্থ,পৃঃ ৭৩

৯৭ "The nation of libido in this usage is no longer metapsychological: it is the instrument of psychology's progress toward positive knowledge."—পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৭৩

৯৮ ".... especially today, given the light it sheds on the I function in the experience psychoanalysis provides us of it."—পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৭৫

৯৯ "In my view, this activity has a specific meaning up to the age of eighteen months, and reveals both a libidinal dynamism..."—পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৭৬

১০০ "What I have called the "mirror stage" is of interest because it manifests the affective dynamism by which the subject primordially identifies with the visual gestatt of his own body."— পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৯২

১০১ "We can use psychoanalytic criticism to read works of fiction, poetry, drama, folklore, and nonfiction, and we can use it to interprect paintings, sculpture, architecture, films, and music."–Lois Tyson. *Critical Theory Today*. পৃঃ ৩৭

১০২ দয়ানন্দ পাঠক। "উত্তৰ স্বাধীনতা কালৰ অসমীয়া নাটকত পাশ্চাত্য প্ৰভাৱ"। সম্পা। নাৰায়ণ দাস আৰু পৰমানন্দ ৰাজবংশী। *অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ*। পৃঃ ৫৩

১০৩ প্ৰহ্লাদ কুমাৰ বৰুৱা। *উপন্যাস*। পৃঃ ৬০

১০৪ মঞ্জুমালা দাস। "অসমীয়া উপন্যাসৰ নাৰী চৰিত্ৰৰ মনস্তত্ত্বৰ প্ৰতিফলন"। সম্পা। নগেন ঠাকুৰ। *এশ বছৰৰ অসমীয়া উপন্যাস* । পৃঃ ৩০৮

১০৫ "The relation of our typical dreams to fairy tales and to other poetic material is neither a sporadic nor an accidental one. occasionally the keen insight of a poet has analytically recognised the transforming process - of which the poet is usually the tool- and has followed it backwards, that is to say,traced it to the dream."– Sigmund Freud.*The Interpretation Of Dreams*.Trans. A.A.Brill.পৃঃ ২২৪

১০৬ "For Psychoanalysis,literature, and indeed all art forms, are largely products of unconscious forces at work in the author, in the reader, or, for some contemporary psychoanalytic critics, in our society as a whole."– Lois Tyson. *Critical Theory Today*. পৃঃ ৩৭

১০৭ "The sexual disinclination which Hamlet expresses in conversation with Ophelia, coincides very well with this view-it is the same sexual disinclination which was to take possession of the poet more and more during the next few years of his life, until the climax of it is expressed in *Timon of Athens*.Of course it can only be the poet's own psychology with which we are confronted in *Hamlet*; from a work on Shakespeare by George Brandes(1896), I take the fact that the drama was composed immediately after the death of Shakespeare's father- that is to say, in the midst of recent mourning for him - during the revival, we may assume, of his childhood emotion towards his father. It is also known that a son of Shakespeare's, who died early, bore the name of Hamnet(identical with Hamlet).Just as *Hamlet* treats of the relation of the son to his parents, *Macbeth*, which appears subsequently, is based upon the theme of childlessness."–Sigmund Freud.*The Interpretation Of Dreams*.Trans. A.A.Brill . পৃঃ ২৭৯

১০৮ "Just as every neurotic symptom, just as the dream itself, is capable of

re-interpretation, and even requires it in order to be perfectly intelligible, so every genuine poetical creation must have proceeded from more than one motive, more than one impulse in the mind of the poet, and must admit of more than one interpretation."–পূর্বোক্ত গ্রন্থ, পৃঃ ২৭৯